# দুধনৈ মহাবিদ্যালয় আলোচনী



# দুধনৈ মহাবিদ্যালয় আলোচনী

বাৰ্ষিক প্ৰকাশ

ষষ্ঠবিংশতিতম্ বৰ্ষ ঃ চৰ্তুদশ সংখ্যা

তত্ত্বাৱধায়ক ঃ
অধ্যাপক ড° ৰজত চন্দ্ৰ ৰাভা

সম্পাদক ঃ
শ্ৰীবনজিৎ নাথ

# দুধনৈ মহাবিদ্যালয়ৰ আলোচনী

## সম্পাদনা সমিতি

| | |
|---|---|
| সভাপতি ঃ | শ্ৰী ক্ষীৰোদ খাখলাৰী, ভাৰপ্ৰাপ্ত অধ্যক্ষ |
| তত্বাবধায়ক ঃ | ড° ৰজত চন্দ্ৰ ৰাভা |
| সম্পাদক ঃ | শ্ৰীবনজিৎ নাথ |
| সদস্য/সদস্যাবৃন্দ ঃ | শ্ৰী জীবেশ্বৰ কোচ |
| | শ্ৰীঅশোক ৰঞ্জন ভট্টাচাৰ্য |
| | শ্ৰীদিপালী ডেকা |
| | ড° কল্যাণ বৰুৱা |
| বেটুপাতৰ শিল্পী ঃ | হোমেন চন্দ্ৰ ৰাভা |


কম্পিউটাৰাইজড কম্পোজিং আৰু অফছেট প্ৰিণ্টিং

ৰাজধানী অফছেট

গণেশগুৰি চাৰিআলি, দিশপুৰ, গুৱাহাটী- ৭৮১ ০০৬

ফোন নং- ২২৫৬০৮,৫৯৩৭৮৯

2000-01

শ্ৰী ক্ষীৰোদ খাখলাৰী
ভাৰপ্ৰাপ্ত অধ্যক্ষ
দুধনৈ মহাবিদ্যালয়

☎:(03663) 81531

তাং ৩/৮/২০০১ ইং চন

# শুভেচ্ছা বাণী



দুধনৈ মহাবিদ্যালয়ৰ ষষ্ঠবিংশতিতম্ বৰ্ষৰ চৰ্তুদশ সংখ্যা আলোচনীখন প্ৰকাশ হোৱাত আনন্দিত হৈছো। লেখক- লেখিকা আৰু সম্পাদনা সমিতিৰ সদস্যসকললৈ আন্তৰিক শুভেচ্ছা জনাই ছো আলোচনীখন সুন্দৰ হওঁক আৰু ইয়াৰ বাৰ্ষিক প্ৰকাশৰ ধাৰাবাহিকতা অব্যাহত থাকক।

*শ্ৰী ক্ষীৰোদ খাখলাৰী*
ভাৰপ্ৰাপ্ত অধ্যক্ষ দুধনৈ মহাবিদ্যালয়



# সম্পাদকীয়

নিশাৰ তিমিৰৰ পৰিধি ফালি পোহৰৰ আঁচল এখনে যিদৰে দিনৰ সম্ভেদ দিয়ে ঠিক তেনেদৰে আন্ধাৰত বিপন্ন মানৱ সভ্যতাক সাহিত্যই প্ৰদান কৰে শান্তি আৰু সত্যৰ প্ৰজ্জলিত প্ৰভাত। অন্ধাৰত পতিত মানৱ জাতিৰ বৌদ্ধিক উত্থান আৰু জৈৱিক অনুভূতিক সাবলীল গতি প্ৰদান কৰাত সাহিত্যৰে মহৎ ধৰ্ম। সেই কাৰণেই বোধহয় আজি দিনৰ পিছত মাহ, বছৰৰ পিছত শতিকা গৰকি সাহিত্যই এক মহৎ কৃতি মানৱক মানৱীয় অনুভূতিৰ সম্ভেদ দি আহিছে। এতিয়া মাত্ৰ প্ৰকাশ, উজ্জ্বলতাৰ নিৰ্মোমি আকাশত এটা বলিষ্ঠ সূৰ্য। সেয়ে মই কীটছৰ দৰে কওঁ – "ৰৌদ্ৰোজ্জ্বল দিন এটাৰ দৰে আকৰ্ষনীয় পৃথিৱীত একো নাই....।"

বৰ্ষাৰ ৰিমঝিম ছন্দই পলসুৱা পৃথিৱীত সিঁচি জন্ম দিছিল সেউজীয়া পৃথিৱীত নৱ উন্মাদনাৰ। তাৰ পিছতে আৰম্ভ হ'ল এক নৱ জাগৰনৰ। কলমৰ চোকা নিব আৰু চিঞাহীয়ে আছিল এই নৱ জাগৰনৰূপী যজ্ঞৰ হোতা। শত সহস্ৰ চোকা অগ্ৰতকৈয়ো চোকা এই কলমে বিকাশিত কৰিলে স্বাগত প্ৰজন্মক। সচেতনতা, উপলব্ধি, জ্ঞান আৰু জিজ্ঞাসক গৰিষ্ঠ স্বকীয় সাঁচত গঢ়ি মানুহৰ মাজত সৌৰভ বিলাই দিবলৈ।

সপ্ৰতিত সাহিত্য আজিও এক প্ৰবল শক্তিময় আখৰ, এই আখৰকে কেন্দ্ৰ কৰি সাহিত্যই মানৱ জাতিক বিশ্বাস, আস্থা আৰু একত্বত বান্ধি পেলাইছে। আজিৰ মানৱে সম্পদ হৈ পৃথিৱীক ছানি ধৰক, পৃথিৱী সম্পদশালী, গৌৰৱময় আৰু অনন্য হওঁক এযাৰ হ'ল সাহিত্যৰ মহৎ উদ্দেশ্য।



প্ৰত্যেক সত্যই স্পষ্ট আৰু সম্প্ৰতিভ তথা সু-শৃখল, সেইদৰে স্পষ্ট সাহিত্যও চিৰন্তন সত্য। প্ৰকৃতিৰ দৰে চিৰন্তন, তেনে সাহিত্য দেশ, সমাজ, জাতি আৰু সময় গৰকি প্ৰজ্জ্বলিত যেনে এক তাক্ষত নফত্ৰ। এই সাহিত্যৰ

মাজেৰে প্ৰবাহমান মানুহে গঢ়ে মানুহলৈ এখন সেঁতু যি সেঁতুৱে মানুহক প্ৰদান কৰে শ্যামল সত্য আৰু অনাবিল শান্তিৰ নন্দানিক সুৱাস।

ৰবীন্দ্ৰনাথ ঠাকুৰে কৈছিল -- "যদি লেখক হব খোজা ; তেন্তে লিখি যোৱা বৈ নাথাকিবা। লিখিলেহে লেখক হব পাৰি। কেনেদৰে লিখা হব, কি লিখা হ'ব; কত লিখা হ'ব ; কেতিয়া লিখা হ'ব এইবোৰ ভাৱি থাকিলে কাহানিও লেখা হৈ নুঠে।" এই কথাষাৰ মোক সদায়ে অনুপ্ৰাণিত কৰি আহিছে আৰু মই ভাৱো ন লেখক সকলেও এই কথাষাৰ উপলব্ধি কৰা উচিত। দুধনৈ মহাবিদ্যালয়ৰ আলোচনী সম্পাদক হিচাপে ন লেখক সকললৈ এয়া মোৰ আবেদন।

সাহিত্যৰ মহৎ উদ্দেশ্য আৰু সৃষ্টিক এই মহাবিদ্যালয়ৰ ছাত্ৰ ছাত্ৰী সতে জড়িত কৰি সাহিত্যৰ বস্তুনিষ্ঠতা আৰু যুক্তিযুক্ততাক সৰল কৰি ৰখাৰ শোভাযাত্ৰাই হ'ল আমাৰ মহাবিদ্যালয়ৰ আলোচনীৰ মুখ্য উদ্দেশ্য।

পিছে আমি সাহিত্য ভেটি গঢ়িম কত? মাটিতেই নহয়নে? মাটিৰ স্পৰ্শ অবিহনে বাস্তবৱাদী সাহিত্য নিৰ্মনি হ'ব কেনেকৈ? আমি অহৰ্নিশে দেখিছোঁ আজিৰ আধুনিক যুগৰ মানৱ সভ্যতা কি জটিল সময়ৰ মাজেৰে গতি কৰিব লাগিছে। হিংসা, বিদ্বেষ আদি নানা তৰহৰ অলামাজিক ক্ৰিয়া - কাণ্ডই সমগ্ৰ মানৱ জাতিকে যেন আজি ছাটি ধৰিছে। হত্যাৰ তাণ্ডৱলীলাই আমাক যেন আকৌ আদিম যুগলৈ ঠেলি নিব বিচাৰিছে মানবীয় অনুভূতিৰ ঠাইত পাশৱিক আচৰণে আমাৰ চৌপাশ ভৰি পৰিছে। এহাতে সন্ত্ৰাস, আনহাতে সাম্প্ৰদায়িকতাই আমাক ক্ৰমে আচন্ন কৰিব লাগিছে। আমাৰ জাতীয় আশাঁ আকাঙ্খাৰ সঠিক পঠ দেখুৱাব কোনে? এই মূহুৰ্তত যেন সকলোৰে বাবে এইটোৱেই ডাঙৰ প্ৰশ্ন, কিন্তু বিদ্বেষ, হিংসা বা অনৈক্যই আমাৰ পথ প্ৰশস্ত নকৰে। সংহতিৰ বাট যদি আমি কাটিব নোৱাৰোঁ, তেতিয়া আমাৰ মুক্তিৰ সোণালী পথো আমি নিমাণ কৰিব নোৱাৰিম। আজিৰ তৰুণ লেখক সমাজে তাৰ প্ৰতি যদি সতৰ্ক দৃষ্টি নাৰাখে তেন্তে আমি ওপৰত উল্লেখ কৰা সাহিত্যৰ মহৎ উদ্দেশ্য কেতিয়াও ফলবতী বহ নোৱাৰে। এই আহ্বান নেওচা দিলে ইতিহাসেও নিশ্চয় আমাক ক্ষমা নকৰে।

আমাৰ এটা ব্যক্তিগত স্বপ্ন আছিল, দুধনৈ মহাবিদ্যালয়ৰ আলোচনীখনি মনোজ্ঞ ৰূপত সজাই তোলাৰ। বেটুপাতৰ উপৰিও মৌলিক লিখনি সমূহ গোটাই প্ৰতিজন পঢুৱৈৰ মনত জীৱন চৰ্চাৰ সচাঁ ইঙ্গিত দিব পৰাটো আমাৰ বৌদ্ধিক অনুশীলনৰ সুন্দৰ চানেকি। তেনে ইঙ্গিত দিবলৈ পৰাটো আমাৰ আগ্ৰহৰ সীমা নাছিল; কিন্তু ভৱা মতে নহল। আলোচনী খনৰ বাবে সংগৃহীত বহুতো গল্প, কবিতা, প্ৰবন্ধ আদি নিম্ন মানদণ্ডৰ আৰু সেইবোৰ প্ৰকাশৰ উপযোগী নহয়; কিন্তু আমাৰ নিজৰ ভাষাটো শুদ্ধকৈ লিখিবলৈ যত্ন কৰাটো প্ৰতিজন ছাত্ৰ - ছাত্ৰীৰ অন্যতম কৰ্তব্য।

শেষত দুধনৈ মহাবিদ্যালয়ৰ সাহিত্য বিভাগত সেৱা আগবঢ়োৱাৰ সুবিধা পোৱাৰ বাবে সমূহ ছাত্ৰ- ছাত্ৰীলৈ কৃতজ্ঞতা জনাইছো। আলোচনীখনৰ সম্পাদৰ কাম বছৰটোত পৰিস্থিতি

সাপেক্ষে ব্যস্থতাৰ উপৰিও আন বহুতো আণুযগিংক অসুবিধাৰ হেতুকে পলমকৈ প্ৰকাশ পালে। তাৰ বাবে সমূহ পঢুৱৈৰ ওচৰত ক্ষমা বিচাৰিছো। তদুপৰি আলোচনী প্ৰকাশৰ ক্ষেত্ৰত অজানিতে ৰৈ যোৱা ভুল ক্ৰুটিৰ বাবে কৰযোৰে ক্ষমা বিচাৰিছো। সম্পাদকৰ ক্ষেত্ৰত আৰম্ভণিৰ পৰা শেষলৈ সৰ্বাত্মক সহযোগ আগবঢ়াইছে তত্বাৱধায়ক প্ৰবক্তা ড° ৰজত ৰাভা আৰু প্ৰবক্তা শ্ৰীহৰকুমাৰ নাথ মহাশয় তেখেত সকললৈ আগবঢ়াইছো মোৰ সশ্ৰদ্ধ কৃতজ্ঞতা। প্ৰকাশৰ ক্ষেত্ৰত বিভিন্ন দিশত পৰামৰ্শ দান কৰা বাবে অধ্যক্ষ শ্ৰীক্ষীৰোদ খাখলাৰী, প্ৰবক্তা শ্ৰীজীৱেশ্বৰ কোচ, প্ৰবক্তা শ্ৰীঅশোক ৰঞ্জন ভট্টাচাৰ্য আৰু প্ৰবক্তা শ্ৰীদিপালী ডেকা মহোদয় সকলোলৈ আন্তৰিক কৃতজ্ঞতা জনাইছো। মোক বিভিন্ন কামত সহায় কৰা সীমা নাথ, ৰাজেশ কলিতা, মুনি ৰাভা, হোমেন ৰাভা, ৰিপন ৰয়, অজন দৈমাৰী, সোণমনি আৰু ৰুণা দিহিঙিয়া এই সকল বন্ধু - বান্ধবীলৈ মোৰ মৰম আৰু শুভেচ্ছা জ্ঞাপন কৰিলোঁ। সমূহ দুধনৈ মহাবিদ্যালয়ৰ উজ্বল ভবিষ্যত কামণাৰে।

"জয় আই অসম"

'জয়তু দুধনৈ মহাবিদ্যালয়'

ধন্যবাদ সহকাৰে

**শ্ৰীবনজিৎ নাথ**

সম্পাদক আলোচনী

## সূচী পত্ৰ


*অসমীয়া বিভাগ -*

*প্ৰবন্ধ* *পৃষ্ঠা নং*

১। বৈদিক সাহিত্যত নাৰীৰ স্থান ১
*- মিনতি শৰ্মা*

২। মাল্টি মিডিয়া ৫
*- কমল চন্দ্ৰ নাথ*

৩। বিগত শতিকাৰ মহান গণিতজ্ঞ শ্ৰী নিবাস ৰামানুজন আয়েংগাৰ ৯
*- বীৰেন ভূঞা*

৪। আমাৰ বেলিটো ১৫
*-কৃষ্ণ বাহাদুৰ ভুজেল*

৫। নতুন আলোকৰ সন্ধানত ১৭
*- মধুলাল শৰ্মা*

৬। হৰিদ্ৰা ঃ এক বৈজ্ঞানিক আৰু সামাজিক মূল্যায়ন ২০
*- দিপালী ডেকা*

৭। গীনিজ বুক ২৮
*- মিচ্ কৌশল্যা ৰাভা*

৮। মামনি ৰয়ছম গোস্বামীৰ উপন্যাস, নীলকণ্ঠী ব্ৰজ ২৯
*- হৰকুমাৰ নাথ*

৯। শ্ৰদ্ধাঞ্জলী - লক্ষ্যধৰ চৌধুৰীদেৱ ঃ বৰ্ণাঢ্য জীৱনৰ সামৰণি ৩৬
*- কীৰ্তি নাথ ৰাভা*

*কবিতা*

১০। প্ৰেম আৰু শান্তি ৪০
*- সুবৰ্ণ ৰায়*

তুষাৰাবৃত্ত সাগৰৰ সপোন
*- পদুম কলিতা*

১১। এই দেশ আমাৰ দেশ ৪১
*- পদুমী নাথ*

প্ৰণয়ৰ পৰিণাম
*- মিচ্ সীমা নাথ*

১২। তুমি যে নাই ৪২
*- প্ৰশান্ত কলিতা*

অপেক্ষা
*- বিপুল চন্দ্ৰ ৰাভা*

১৩। হিয়াৰ বেদনা ৪৩
- *কমল বড়ো*
প্ৰহৰী
- *পুলমা নাথ*
১৪। প্ৰদুষিত মাতৃ ৪৪
- *পাপৰি কলিতা*


***ৰাভা বিভাগ***

১৫। নাছিকায় ৪৭
- *অৰুণ ৰাভা*
নাঙো ছুনকিয়ে
- *অৱনী কুমাৰ ৰাভা*
১৬। আয়া ৪৮
- *জয়ন্ত ৰাভা*
ছাগ্রি
- *ৰামচন্দ্ৰ ৰাভা*
১৭। কৌৰিচং বৌৰছিং ৪৯
- *মনোজ কুমাৰ ৰাভা*
ৰাম্পাৰ
- *শিৱকান্ত ৰাভা*
আয়া বায়খো
- *চন্দন কুমাৰ ৰাভা*
১৮। গছা নুকবাৰ কায়নি ছাস্তাৰ ৫০
- *খৰ্গেশ্বৰ ৰাভা*


***বড়ো বিভাগ***

১৯। जीउनि बिलायाव आंनि ৫৫
- *निर्मल खाखलारी*
बारसे बिबिर
- *अक्षय राज मुसाहारी*
২০। बारग्लांनाय गʼलाव ৫৬
- *सन्जय बसुमतारी*
मिजिं
- *थरायना टिनामनि दैमारी*
২১। सोर नों ৫৭
- *रिदीप कछारी*
सुदेम बार
- *राजीब बसुमतारी*
২২। हाया गनायनो नोंनि दायखौ ৫৮
- *अजय दैमारी*

২৩। দেলাইগ্ৰা ৰৈসাদ ( ৰায়থায় ) ৫৯
- জনক খাখলারী

*ইংৰাজী বিভাগ*

২৪। E-Commercialisation of Medicinal Plants ৬৩
*- Kalyan Borpuzari*

২৫। ON SUPERSTION ৬৭
*Rezzaium k. Sangma*

২৬। Facts about April Fool ৭০
*- Kishor Kr. Chatterjee*

২৭। Do not ask of me, my love ৭২
*Faiz Ahmed Faiz*

*প্ৰতিবেদন*

২৭। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ- সভাপতিৰ চমু প্ৰতিবেদন ৭৫
*- শ্ৰীদ্বীপ কুমাৰ ডেকা*

২৮। সহ ঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ৭৬
*- শ্ৰী ধনন কলিতা*

২৯। Report of the Secretary Major Games ৭৭
*- Lenin Brahama*

৩০। লঘু ত্ৰিড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৭৮
*- শ্ৰীহোমেন চন্দ্ৰ ৰাভা*

৩১। ক্ৰিকেট আৰু ফুটবল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৭৯
*- শ্ৰীঅজয় ৰাভা*

৩২। Report of cultural Secretary ৮০
*- Debajit Hajowary*

৩৩। Report of Debate and Symposium Secretary ৮১
*Sri Jajan Hasowary*

৩৪। সংগীত বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৮২
*- শ্ৰীপ্ৰবোধ কলিতা (পাপু)*

৩৫। শৰীৰ চৰ্চা আৰু সাঁতোৰ বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ৮৩
*- শ্ৰীমুকুল হাজোৱাৰী*

৩৬। ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ৮৪
*- শ্ৰীবংশীধৰ ৰয়*

৩৭। প্ৰাচীৰ পত্ৰিকা সম্পাদকৰ প্ৰতিবেদন ৮৫
*- শ্ৰীধনঞ্জয় সূত্ৰধৰ*

৩৮। ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ৮৬
*- মিচ বিণাপানী ৰয়*

অসমীয়া
বিভাগ

# প্ৰৱন্ধ

# বৈদিক সাহিত্যত নাৰীৰ স্থান

মিনতি শৰ্মা
মূৰব্বী, দৰ্শন বিভাগ

বেদ ভাৰতৰ প্ৰাচীনতম ধৰ্মগ্ৰন্থ। প্ৰাচীন ভাৰতীয় পৰম্পৰা অনুসৰি ভাৰতৰ ধৰ্ম, দৰ্শন, অধ্যাত্ম, সভ্যতা আৰু সংস্কৃতিৰ আধাৰ স্বৰূপ হ'ল বেদ। কেৱল ভাৰতীয়ৰ বাবেই নহয়, সমগ্ৰ বিশ্বৰ বাবে বেদ হ'ল এক অমূল্য সম্পদ।

বেদ শব্দৰ অৰ্থ হ'ল জ্ঞান, পৰম জ্ঞান। প্ৰত্যক্ষ বা অনুমানৰ দ্বাৰা এই জ্ঞান লাভ কৰিব নোৱাৰি, কাৰন প্ৰত্যক্ষ বা অনুমানৰ দ্বাৰা যি জ্ঞান লাভ হয় সি পাৰ্থিৱ জ্ঞান। এইবোৰে আমাক অতীন্দ্ৰিয় জ্ঞান দান কৰিব নোৱাৰে। গতিকে বেদৰ পৰা সেই অতীন্দ্ৰিয় জ্ঞান লাভ কৰিব পাৰি। সেই বাবেই এই ধৰ্ম গ্ৰন্থক 'বেদ' বোলা হয়। মনুয়ে বেদক অখিল ধৰ্মৰ মূল বুলি কৈছে।

অনাদি কালৰ পৰাই বেদ গুৰু -শিষ্য পৰম্পৰা অনুসৰি স্মৃতি সঞ্চিত হৈ চলি আহিছে। বহুকালৰ পিচত সি লিপিবদ্ধ হয়। এই পৰম্পৰাত পৰম - জ্ঞানৰ আকৰ বেদ শ্ৰুতিৰ দ্বাৰা ৰক্ষিত হৈছিল বুলি তাৰ এটা নাম 'শ্ৰুতি'। শঙ্কৰাচাৰ্যকে আদি কৰি বেদান্তচাৰ্য সকলে সাধাৰণতে 'শ্ৰুতি' সংজ্ঞাৰ দ্বাৰা বেদৰ উল্লেখ কৰিছে।

প্ৰচলিত মত আৰু কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ মতেও ঋগ্‌বেদ, সামবেদ আৰু যজুৰ্বেদ এই তিনিবেদক একেলগে 'ত্ৰয়ী' বোলা হয়। অথৰ্ববেদক চতুৰ্বেদৰ ভিতৰত ধৰা হয় যদিও 'ত্ৰয়ী'ৰ ভিতৰত ইয়াৰ স্থান আছে নে নাই এই বিষয়ে পণ্ডিত সকলৰ মাজত মতভেদ থকা দেখা যায়। এদলে কয় যে 'ত্ৰয়ী' শব্দৰ দ্বাৰা ঋক্‌, সাম, যজু ঃ- এই তিনিবিধ মন্ত্ৰহে উল্লেখ কৰা হৈছে। অথৰ্বেদৰ পৃথক মন্ত্ৰ - লক্ষণ নাই; কিন্তু পৃথক স্বতন্ত্ৰ বেদত্ব আছে।

এইখিনিতে প্ৰশ্ন এটা হ'ব পাৰে যে অথৰ্বেদক চতুৰ্বেদৰ ভিতৰত ধৰা হলে, বেদক ত্ৰয়ী বুলি কিয় কোৱা হয় বেদ মন্ত্ৰৰ ত্ৰিবিধ লক্ষণ অনুসাৰে বেদক 'ত্ৰয়ী বুলি কিয় কোৱা হয়; অৰ্থাৎ ত্ৰয়ী শব্দৰ অৰ্থ হল - 'ত্ৰিবিধ লক্ষণান্বিত মন্ত্ৰসমষ্টি।'

বেদৰ প্ৰধান বিভাগ দুটা - মন্ত্ৰ আৰু ব্ৰাহ্মণ। এই দুটা প্ৰধান বিভাগৰ ব্ৰাহ্মণ অংশৰ আকৌ দুটা ভাগ আছে, যেনে আৰণ্যক আৰু উপনিষদ। মন্ত্ৰ ভাগৰ আন এটা নাম সংহিতা। মন্ত্ৰ বা সংহিতা বুলিলে প্ৰত্যেক বেদৰ সূক্ত, স্তৱ, স্তুতি, আশীৰ্বচন, প্ৰাৰ্থনা আদিক বুজায়। ব্ৰাহ্মণ বুলিলে মন্ত্ৰৰ বিবিধ আলোচনা, বিবিধ যাগ - যজ্ঞৰ প্ৰক্ৰিয়াৰ বিবৰণ, যজ্ঞফলৰ আলোচনা, দেৱতা ইত্যাদি বিশাল গদ্য গ্ৰন্থক বুজায়। আৰণ্যকত উপাসনাৰ প্ৰাধান্য দেখা যায়। সৃষ্টিতত্ব, আত্মা - অনাত্মা বিচাৰ, পৰমাত্মা - জীৱাত্মা তত্ব, ব্ৰহ্ম আৰু মোক্ষ তত্ব প্ৰভৃতি অধ্যাত্ম বিদ্যা উপনিষদত আলোচিত হৈছে।

ভাৰতীয় সাহিত্য - সংস্কৃতিৰ আধাৰ স্বৰূপ এই বেদ সমূহত নাৰী কেনেভাৱে অঙ্কিত হৈছে, তাৰে এটি চমু আভাষ দাঙি ধৰা হ'ল।

বৈদিক ভাৰতত নাৰীৰ আসন বিশেষ সম্মানৰ আছিল। পুৰুষৰ লগত নাৰী একেলগে বহি যজ্ঞত অংশ গ্ৰহণ কৰিছিল। কেৱল একেলগে বহি যজ্ঞ কৰাৰ অধিকাৰেই নহয়, নাৰীয়েও যে ঋষিৰ সমপৰ্যায়ৰ আছিল, অৰ্থাৎ বেদৰ মন্ত্ৰ, সংকলন আৰু ৰচনাৰ অধিকাৰিনী আছিল তাৰ প্ৰমাণ বেদত পোৱা যায়। এই ক্ষেত্ৰত অপালা, ঘোষা ইত্যাদিৰ নাম

স্মৰনযোগ্য। বহুত হাজাৰ বছৰ পূৰ্বৰে পৰা স্ত্ৰী জাতিৰ এই সম্মানৰ অধিকাৰ মানুহৰ শ্ৰদ্ধা আকৰ্ষন কৰে।

বৰ্তমান কালৰ দৰে অবিবাহিতা কণ্যাৰ সংখ্যা সেই সময়তো কম নাছিল। বহুত কুমাৰী ছোৱালী আজীৱন পিতা মাতাৰ লগতেই থাকি দিন কটাইছিল। অবিবাহিতা কন্যাই কেৱল পিতা - মাতাৰ লগত থকাই নহয়, পিতাকৰ সম্পত্তিৰ ওপৰতো তেওঁলোকৰ অধিকাৰ আছিল। যি নীতি -নিয়ম বৰ্তমান আইনৰ জৰিয়তে সমাজত চলি আছে, সেই নীতি - নিয়ম বহুত হাজাৰ বছৰ আগতেই বৈদিক সমাজতো প্ৰচলিত হোৱা দেখা যায়।। ইয়াৰ ফলত বৈদিক ভাৰতত কোনো অবিবাহিতা কুমাৰী কণ্যাকেই যে আজীৱন আনৰ বোজা হৈ থাকিব নালাগিছিল, এইটো বুজিবলৈ কোনো অসুবিধা নাই। কণ্যাৰ বিবাহৰ সময়ত বৰ্তমান কালৰ দৰে সেই সময়তো বসন - ভূষণেৰে অলঙ্কৃত কৰি দৰাৰ হাতত সমৰ্পন কৰি দিয়া হৈছিল, তাৰ উল্লেখ বেদত পোৱা যায়। ইয়াতেও নাৰী জাতিৰ যথেষ্ট সন্মান থকা পৰিলক্ষিত হয়। বিবাহ উৎসৱতো কইনাই ভালেমান বেদমন্ত্ৰ উচ্চাৰণ কৰিব লগিছিল।

চাৰি বেদত ব্ৰহ্মাচৰ্যৰ আলোচনাই এটা বিশেষ গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে; কিন্তু নাৰীসকলৰ বাবে কোনো আনুষ্ঠানিক শিক্ষাৰ বিষয়ে কতো স্পষ্ট উল্লেখ দেখা নায়ায; কাৰণ সেই সময়ত নাৰীৰ বাবে কোনো শিক্ষানুষ্ঠান আছিল নে নাই সেই বিষয়ে একো জনা নাযায়; কিন্তু এইটো স্পষ্টভাৱে ক'ব পাৰি যে সেই যুগতো নাৰীসকলৰ বাবে নানান ধৰ্মশাস্ত্ৰ আৰু নীতি শাস্ত্ৰৰ উচ্চ পৰ্যায়ৰ শিক্ষাৰ প্ৰচলণ আছিল।

ঋগ্বেদ সংহিতাৰ দিনৰ পৰা সূত্ৰ সাহিত্যৰ কাললৈকে তিনিটা উচ্চ শ্ৰেনীৰ নাৰীক লগুন দিয়া হৈছিল। তেওঁবিলাকে গায়ত্ৰী মন্ত্ৰ জপ কৰিছিল, যজ্ঞাগ্নি প্ৰজ্বলিত কৰিছিল আৰু অন্যান্য শাস্ত্ৰৰ লগতে বেদো অধ্যয়ন কৰিছিল। খ্ৰীষ্টীয় সপ্তম শতিকাতো এই প্ৰথা ভাৰতৰ কোনো কোনো ঠাইত প্ৰচলিতথকা দেখা যায়, কাৰণ 'কাদম্বৰী" আৰু 'হৰ্যচৰিত'ৰ প্ৰখ্যাত গ্ৰন্থকৰ্তা বানভট্টই যজ্ঞসূত্ৰ ধাৰণৰ দ্বাৰা সুচৰিত্ৰা ছোৱালী এজনীৰ কথা উল্লেখ কৰিছে। কমলাকৰৰ 'স্মৃতিচন্দ্ৰিকা' 'নিৰ্ণয়সিন্ধু' আদিৰ নিচিনা কিছুমান হিন্দু আইন বিষয়ক প্ৰখ্যাত গ্ৰন্থয়ো প্ৰমান কৰে যে বৈদিক যুগত নাৰী সকলক যজ্ঞসূত্ৰ ধাৰণ কৰোৱা হৈছিল আৰু পুৰুষৰ নিচিনাকৈ তেওঁলোকৰো বেদ অধ্যয়ণৰ অধিকাৰ আছিল। মনুস্মৃতিৰ দিনত নাৰীৰ এই উপনয়ন প্ৰথা লুপ্ত হৈ গৈছিল।

পানিনিৰ মতে পত্নীৰ অবিহনে যজ্ঞকাৰ্য সম্পন্ন হ'ব নোৱাৰে। মহকাব্য ৰামায়ণতো উল্লেখ আছে যে ৰামচন্দ্ৰই ৰাজসূয় যজ্ঞ সম্পাদন কৰিবলৈ সীতাৰ স্বৰ্ণমূৰ্তি নিৰ্মাণ কৰিব লগীয়া হৈছিল। কিয়নো সীতা তেতিয়া বনবাসত আছিল । শত পথ ব্ৰাহ্মণতো স্পষ্টকৈ উল্লেখ আছে যে পত্নী হ'ল যজ্ঞৰ অৰ্দ্ধাংশ। গতিকে অবিবাহিতসকলৰ পূজাৰ অৰ্ঘ দেৱতাই গ্ৰহণ নকৰে

সংহিতা, ব্ৰাহ্মণ আৰু উপনিষদকে আদি কৰি বিশাল বৈদিক সাহিত্যত ভালেমান বিদূষী নাৰীৰ উল্লেখ পোৱা যায়। গাৰ্গী আছিল উচ্চ শিক্ষিতা বিদূষী আৰু যশস্বিনী নাৰীঋষি। বৈদিক যুগৰ বিদূষী নাৰীসকলৰ মাজত এওঁ সৰ্বশ্ৰেষ্ঠা আছিল। জনক ৰজাৰ ৰাজসভাত বিখ্যাত শাস্ত্ৰজ্ঞ ঋষি যাজ্ঞবল্ক্য আৰু অন্যান্য ঋষিসকলৰ ভিতৰত শাস্ত্ৰ বিষয়কল বিচাৰ বিতৰ্ক যেতিয়া অন্যান্য ঋষিসকল পৰাস্ত হ'ল, তেতিয়া গাৰ্গীয়ে তেওঁৰ লগত বিচাৰ কৰিবলৈ আগবাঢ়ি আহিল। যাজ্ঞবল্ক্যৰ দৰে বিখ্যাত শাস্ত্ৰজ্ঞ তাৰ্কিকেও গাৰ্গীক তৰ্কত পৰাস্ত কৰিব পৰা নাছিল। শাস্ত্ৰ বিচাৰত দুয়ো অদ্বিতীয় হৈয়ে থাকিল।

বৃহদাৰণ্যক উপনিষদত আমি ঋষি যাজ্ঞবল্ক্য আৰু তেওঁৰ পত্নী মৈত্ৰেয়ীৰ মাজত হোৱা আধ্যাত্মিক আলোচনাৰ বিষয়ে জানিবলৈ পাওঁ। যাজ্ঞবল্ক্যই

যেতিয়া সংসাৰ পৰিত্যাগ কৰি পত্নীৰ হাতত সকলো বিষয় - বস্তু সমৰ্পণ কৰি সন্ন্যাস অৱলম্বন কৰি তপোবনলৈ যাবলৈ সাজু হ'ল, তেতিয়া মৈত্ৰেয়ীয়ে যি অবিস্মৰনীয় বাণী যাজ্ঞবল্ক্যক শুনালে সেই বিশ্ববিশ্ৰুত বাণীয়ে যুগে যুগে ঋষি - মুনি আৰু সত্যান্বেষী সকলৰ অন্তৰ আলোড়িত কৰি আহিছে। মৈত্ৰেয়ীয়ে যাজ্ঞবল্ক্যই দান কৰিব খোজা বিষয় বস্তুবোৰ গ্ৰহণ কৰিব নুখুজি কৈছিল - ' যিবোৰ বস্তুয়ে মোক অমৰত্ব দিব নোৱাৰে, সেইবোৰ অসাৰ বস্তু লৈ মই কি কৰিম ? পাশ্চাত্য পণ্ডিত আৰু আদৰ্শবাদী সকলে প্ৰাচীন ভাৰতৰ এগৰাকী নাৰীৰ হৃদয়ত উদিত হোৱা এনে আধ্যাত্মিক জ্ঞান - পিপাসাৰ বিষয়ে উচ্চ কণ্ঠে প্ৰশংসা কৰি গৈছে। পাৰ্থিব বস্তুয়ে মানুহৰ দৈহিক বাসনা পূৰ্ণ কৰিব হয়তো পাৰে; কিন্তু আধ্যাত্মিক স্পৃহা বা অমৰত্বৰ আকাঙ্খা কেতিয়াও পূৰণ কৰাটো সম্ভৱ নহয়।

বৃহদাৰণ্যক উপনিষদত উল্লেখ আছে যে পিতৃ - মাতৃয়ে বিদুষী কন্যাৰ জন্ম কামনা কৰিলে গৰ্ভধাৰণৰ আগতে এটি বিশেষ হোমৰ অনুষ্ঠান কৰিব লাগে। ইয়াৰ পৰাই স্পষ্টকৈ বুজিব পৰা যায় যে সেই যুগত পিতৃ - মাতৃয়ে কেৱল শিক্ষিত পুত্ৰ লাভৰ কামনাই নহয়, বিদূষী কন্যা লাভৰ কামনাও কৰিছিল। নাৰীৰ পাণ্ডিত্য আৰু তেওঁলোকৰ ব্ৰহ্মচৰ্য জীৱন অতীজৰে পৰা চলি আহিছে।

বৈদিক যুগত ললিত কলাৰ ব্যাপক চৰ্চাৰ বহুত প্ৰমাণ পোৱা যায়। নাৰী সকলক কণ্ঠ - সংগীত, যন্ত্ৰ - সংগীত আৰু নৃত্য শিকোৱা হৈছিল। নৃত্য - গীতৰ চৰ্চা বৈদিক যুগত নাৰী - পুৰুষ উভয়ে কৰিছিল যদিও ইয়াক বিশেষকৈ নাৰীৰ উপযোগী সুকুমাৰ কলা বুলি গণ্য কৰা হৈছিল। শতপথ ব্ৰাহ্মণত প্ৰমাণ পোৱ যায় যে আদিতে সামবেদী পুৰোহিত সকলৰ তিৰোতাসকলে যজ্ঞত সামগীত গাইছিল। তৈত্তিৰীয় সংহিতা আৰু মৈত্ৰায়নী সংহিতায়ো এই কথা সমৰ্থন কৰে।

শত পথ ব্ৰাহ্মণত উল্লেখ আছে যে বৈদিক যুগত নাৰী সকলো উল গোঁথা; চিলাই কৰা, শালবোৱা, ফুল বছা ইত্যাদি কামবোৰ কৰিছিল। এইবোৰ কাম কেৱল নাৰীৰ বাবেই নিৰ্দিষ্ট আছিল। এই শতপথ ব্ৰাহ্মণেই ইয়াকো কৈছিল যে নাৰীৰ জন্মগত প্ৰবৃত্তিৰ ভিতৰত বিলাসিতাও এটা।গতিকে নাৰীয়ে নিজকে সজাই পৰাই ধুনীয়া কৰি ৰাখিবলৈ বিচাৰে আৰু নিজৰ সাজ-পাৰত ধুনীয়াকৈ ফুল বাছি লয়। বেদৰ ব্ৰাহ্মণ গ্ৰন্থৰ ভিতৰত আটাইতকৈ পুৰণি ঐতৰেয় ব্ৰাহ্মণনত উল্লেখ আছে যে নাৰীসকল উৎকৃষ্ট ধৰণৰ বিতোপন সূচী শিল্পৰ কামত অভ্যস্ত আছিল। তেওঁলোকে পিন্ধা কাপোৰত বিভিন্ন ৰঙৰ সূতাৰে কাম কৰিছিল। চকীৰ গাদীবোৰতো বেলেগ বেলেগ ৰঙৰ সুতাৰে অতি অপৰূপ কাম কৰিছিল। সেই যুগত নাৰীৰ কাৰণে কিছুমান কাম নিৰ্দিষ্ট কৰি দিয়া আছিল। তাৰে ভিতৰত পাচি, খৰাহি সজা, কঠ বা পাটী গোঁথা, ৰছি তৈয়াৰ কৰা, সূতা কটা, কাপোৰ ৰং কৰা, সুগন্ধি দ্ৰব্য প্ৰস্তুত কৰা, চকুৰ কাজল তৈয়াৰ কৰা, পুতলা বনোৱা ইত্যাদি কৰ্ম নাৰীৰ জীৱিকাৰ বাবে নিদিষ্ট আছিল।

ঋগবেদত আমি বহুতো বীৰঙ্গনাৰ নাম দেখিবলৈ পাওঁ, যি সকলে যুদ্ধক্ষেত্ৰলৈ গৈ অস্ত্ৰ ধাৰণ কৰি শত্ৰুৰ লগত যুদ্ধ কৰিছিল আৰু যুদ্ধক্ষেত্ৰত আগভাগ লৈছিল। ঋকবেদৰ এফাঁকি মন্ত্ৰত ৰাণী বিস্‌পলা নামে এগৰাকী বীৰাঙ্গনাৰ যুদ্ধক্ষেত্ৰত যুদ্ধবিদ্যা আৰু সাহসৰ বিষয়ে উল্লেখ আছে। ঋক বেদৰ এই মন্ত্ৰফাঁকিয়ে নাৰীৰ বীৰত্ব, সামৰিক শিক্ষা নৈপণ্য আৰু তাৰ লগতে সেই সুপ্ৰাচীন যুগৰ অস্ত্ৰচিকিৎসা দক্ষতাৰ সম্যক পৰিচয় দিয়ে। আন এগৰাকী মুদগলানী নামৰ বীৰাঙ্গনাৰ নিৰ্ভীকচেতা আৰু ৰণ কৌশলৰ বাবে বৈদিক যুগৰ বীৰাঙ্গনাসকলৰ ভিতৰত তেওঁৰ নাম সোণৰ আখৰত সদায় জিলিকি থাকিব। মহাভাৰতৰ অসীম সাহসী বীৰ -ৰমনী সুভদ্ৰাৰ দৰে এই গৰাকী মহান নাৰীয়েও

তেওঁৰ পতিৰ ৰথ নিজে চালনা কৰিছিল আৰু শত্ৰুৰ লগত যুদ্ধ কৰি অসাধাৰণ কৃতিত্ব অৰ্জন কৰিছিল। ঋক সংহিতাৰ মন্ত্ৰত তেওঁৰ ৰণকুশলতাৰ বৰ্ণনা পোৱা যায়। ইন্দ্ৰৰ বজ্ৰৰ দৰে তেওঁ হেজাৰ হেজাৰ সৈণ্যক পৰাস্ত কৰিছিল। বহু শত্ৰুক তেওঁ বন্দী কৰি যুদ্ধ জয়ৰ বঁটা লাভ কৰিছিল। আৰ্য নাৰীসকলৰ বীৰত্বপূৰ্ণ কাৰ্যকলাপৰ আৰু যুদ্ধবিদ্যাত দক্ষতাৰ দৃষ্টান্তও ঋকসংহিতাৰ কেইটামান সূক্ত আৰু মন্ত্ৰত পোৱা যায়।

ঋগ্‌বেদৰ যুগত বিধবা বিবাহ প্ৰচলিত আছিল। বৈদিক যুগত বিধবা তিৰোতা সকলক সমাজে একো দুঃখ যন্ত্ৰানা দিয়া নাছিল।

গতিকে ইয়াৰ পৰা স্পষ্ট হৈ পৰে যে বৈদিক যুগত নাৰীৰ মানসিক, শাৰীৰিক, আধ্যাত্মিক, নৈতিক আৰু সৌন্দৰ্যচৰ্চা আদি বিষয়ৰ শিক্ষা অতি উচ্চ পৰ্যায়ৰ আছিল; কিন্তু সেই সময়ৰ পিচৰ পৰা সমাজত নাৰীৰ স্থান, নাৰীৰ শিক্ষা লাহে লাহে নিম্নগামী হবলৈ ধৰিলে। এনেদৰেই মনুসংহিতাৰ দিনত নাৰী সকলক সমাজত বহুত তললৈ নমাই অনা হ'ল। শেষত বেদ অধ্যয়নত নাৰীৰ অধিকাৰ নাই বুলি বিধান দি উচ্চশ্ৰেণীৰ নাৰী সকলকো তললৈ নমাই অনা হ'ল।

বেদৰ মহিমা সমাজত প্ৰতিষ্ঠিত কৰা সমাজৰ নাৰী - পুৰুষ সকলোৰে নৈতিক কৰ্তব্য। বেদ অধ্যয়ন কৰাৰ নাৰী - পুৰুষ সকলোৰে সমান অধিকাৰ। বেদক সমাজৰ সকলো স্তৰৰ লোকৰ মাজলৈ আনি ইয়াৰ প্ৰসাৰৰ বাবে জীৱন উৎসৰ্গ কৰাটো এটা নৈতিক দায়িত্ব, বেদ অধ্যয়নৰ দ্বাৰা প্ৰত্যেক নাৰীয়ে নিজৰ দায়িত্ব আৰু সমাজত নাৰীৰ কৰ্তব্য কি আৰু সেই কৰ্তব্য কেনেদৰে ৰূপায়িত কৰা উচিত সেই কথা সুস্পষ্ট ভাৱে উপলব্ধি কৰিব পাৰিব। আজিৰ সময়, দু - সময়। আমাৰ চৌপাশে কেৱল উচ্ছৃংখলতাই বিৰাজ কৰিছে। এনে ক্ষেত্ৰত বেদৰ মূল্যবান বাণীকে বিশেষ ভাৱে পাথেয় হিচাপে গ্ৰহণ কৰিব পাৰি, আৰু বিশেষকৈ আজিৰ উচ্ছৃংখল যুৱ সমাজ প্ৰভূতভাৱে অনুপ্ৰাণিত হ'ব পাৰে। প্ৰসঙ্গ ক্ৰমে অৰ্থববেদৰ এই মহামন্ত্ৰকে সাৰোগত কৰি আমি আটায়ে অগ্ৰসৰ হ'ব পাৰোহক ঃ

মন্ত্ৰ ঃ উৎক্ৰামাত ঃ পুৰুষ মা ব পৎথা ।। (৮/১/৪)

(হে পুৰুষ ঃ উঠা, থিয় হোৱা। আগবাঢ়ি যোৱা।

(পিছলি) অধ ঃ পতিত নহবা।)

প্ৰসংগ টোকা ঃ

১। বেদৰ পৰিচয় ঃ ২য় প্ৰকাশ, ১৯৭৬, ঃ যোগীৰাজ বসু। অসম প্ৰকাশন পৰিষদ, গুৱাহাটী।

২। শুক্ল যুজুৰ্বেদ ঃ ১ম সংস্কৰণ, ১৯৯৫, সম্পাদক ডঃ অশোক কুমাৰ গোস্বামী (et al), আৰ্য সমাজ মন্দিৰ, গুৱাহাটী।

৩। হৰফ প্ৰকাশনী (কলিকতা) ৰ দ্বাৰা প্ৰকাশিত বেদৰ ৪টা খণ্ড।

৪। সংস্কৃত সাহিত্যৰ ৰূপৰেখা ঃ ৬ষ্ঠ সংস্কৰণ ১৯৮০, ডঃ বিমান চন্দ্ৰ ভট্টাচাৰ্য, কলিকতা।

—————— ঃঃঃঃ ——————

# মাল্টিমিডিয়া

**কমল চন্দ্ৰ নাথ**
উঃ মাঃ ২য় বৰ্ষ (বিজ্ঞান)

আমেৰিকা যুক্তৰাষ্ট্ৰৰ নিউজাৰ্চি ৰাজ্যৰ এখন সৰু চহৰত মেক্সহঁতৰ ঘৰ। মেক্সৰ বয়স প্ৰায় চাৰি বছৰ। এই চাৰি বছৰীয়া অকণমানি ল'ৰাটোৱে দিনৰ দিনটো ঘৰত কি কৰি থাকে বাৰু? মাক কামত ব্যস্ত হৈ থাকিলে সি আমনি নাপায়নে? মেক্সৰ দিনৰ ৰুটিনখন চাঁওচোন আহক। ককায়েক স্কুললৈ যোৱাৰ পাছত মেক্সে অলপ পৰ "পাজল গেম" বোৰ খেলে। তাৰ পাছত সি ককায়েকহঁতৰ পঢ়া কোঠালিলৈ যায়। টেবুলত থকা কম্পিউটাৰৰ চুইচটো অন কৰি সি ডিজনি প্ৰডাকচনৰ "লায়ন কিং" বা আন কোনো চিনেমা চাবলৈ আৰম্ভ কৰে।

মেক্সৰ দৰে আমেৰিকাৰ বহুতো ল'ৰা-ছোৱালীয়ে সময় কটাবৰ বাবে কম্পিউটাৰ ব্যৱহাৰ কৰে। চিনেমা চায় বা যিকোনো খেলা খেলে। মেক্সহঁতে ব্যৱহাৰ কৰা বিশেষ সুবিধাৰ সৈতে এই কম্পিউটাৰ ব্যৱস্থাটোক "মালটিমিডিয়া" বুলি জনা যায়। এতিয়া 'মাল্টিমিডিয়া' সমগ্ৰ পৃথিৱীতে এক জনপ্ৰিয় মাধ্যম। বৰ্তমান কম্পিউটাৰ আৰু তথ্য প্ৰযুক্তি বিজ্ঞানৰ ই সৰ্বাধুনিক জনপ্ৰিয় মাধ্যম হিচাপে পৰিগণিত হৈছে।

আমি সচৰাচৰ শুনিবলৈ পোৱা মাধ্যমবোৰ হ'ল - ইলেকট্ৰনিক মাধ্যম আৰু ছপা মাধ্যম। সাধাৰণতে সংবাদ মাধ্যম বা প্ৰচাৰ মাধ্যমৰ কথা কওঁতে এইবোৰৰ বিষয়ে শুনিবলৈ পোৱা যায়। ৰেডিঅ', টি.ভি.আদিক ইলেকট্ৰনিক মাধম্য আৰু কাকত, আলোচনী আদিক ছপা মাধ্যম বুলি কোৱা হয়, কিন্তু যেতিয়া মাত্ৰ এটা ব্যৱস্থাৰ জৰিয়তে বহুতো মাধ্যমৰ সুবিধা পোৱা যায় তাক বহুমুখী মাধ্যম বা ইংৰাজীত মাল্টিপল মিডিয়া (চমুকৈ মাল্টিমিডিয়া) বুলি কোৱা হয়। আজিকালি কম্পিউটাৰৰ সহায়েৰে এই বহুমুখী মাধ্যম বা মাল্টিমিডিয়া বুলি কলে কম্পিউটাৰৰ সহায়েৰে সৃষ্টি কৰা দৃশ্য - শ্ৰাব্য আৰু ছপা মাধ্যমৰ পৰিবেশকে বুজা যায়। এই মাল্টিমিডিয়াই সমগ্ৰ পৃথিৱীতে বৈপ্লৱিক পৰিবৰ্তন আনি দিছে। বহুতৰে অৱসৰ বিনোদনৰ লগৰীয়া হৈ পৰিছে।

পূৰ্বে কম্পিউটাৰত কেবল মন'মিডিয়া (একক মাধ্যম) সুবিধাহে পোৱা গৈছিল। তেনে ক্ষেত্ৰত ব্যৱহাৰকাৰীয়ে কম্পিউটাৰৰ সকলো নিৰ্দেশনা (Command) জনাতো আৱশ্যকীয় আছিল। মাল্টিমিডিয়া বিকাশ ঘটাৰ লগে লগে এই অসুবিধা সমূহো আঁতৰিল। কোনো বিতং প্ৰশিক্ষণ নোহোৱাকৈ যি কোনো ব্যক্তিয়ে মাল্টিমিডিয়া ব্যৱহাৰ কৰিব পৰা হ'ল।

**গুৱাহাটী ইন্টাৰনেটঃ**

কম্পিউটাৰৰ সহায়েৰে যোগাযোগ ব্যৱস্থা 'ইন্টাৰনেট'ৰ বিষয়ে আপোনালোকে শুনিছে নিশ্চয়। আজিৰ পৰা ২০ বছৰ আগেয়ে আমেৰিকাৰ প্ৰতিৰক্ষা দপ্তৰে পৰীক্ষামূলকভাৱে ইন্টাৰনেট ব্যৱহাৰ কৰিছিল, কিন্তু এতিয়া ই বিশ্বৰ ১৮০ খনৰো অধিক দেশলৈ প্ৰসাৰিত হৈছে। গ্ৰাহকৰ সংখ্যা বৃদ্ধি পাই কেইবা কোটি হৈছেগৈ।

ইন্টাৰনেটৰ বাবে প্ৰয়োজন এটা পাৰ্চনেল কম্পিউটাৰ, টেলিফোন লাইন আৰু মডেম। কম্পিউটাৰটো যিমান শেহতীয়া মডেলৰ হয়, সিমানেই ভাল। মাল্টিমিডিয়া সুবিধা থাকিলে কম্পিউটাৰৰ সাহায়েৰে চিনেমা চাবও পাৰি।

বৰ্তমান বিশ্বৰ সৰ্বাধুনিক আৰু জনপ্ৰিয় যোগাযোগ ব্যৱস্থা "ইন্টাৰনেট"ৰ সুবিধা গুৱাহাটীতো সম্ভৱ হৈছে। কলিকতাৰ পিছত পূব ভাৰতত ইন্টাৰনেটৰ সুবিধা পোৱা গুৱাহাটী দ্বিতীয়খন মহানগৰী আৰু উত্তৰ - পূৱ ভাৰতৰ প্ৰথমখন মহানগৰী। গুৱাহাটীৰ বাহিৰে পূৰ্বাঞ্চলৰ আন ঠাইৰ পৰা "এছ - টি - ডি" যোগাযোগেৰে এই সুবিধা গ্ৰহণ কৰিব পাৰি।

ইন্টাৰনেট সুবিধা গ্ৰহণকৰিবৰ বাবে গুৱাহাটীৰ টেলিকম চাৰ্কোলক এক বিশেষ মাচুল দিব লাগিব।

ইন্টাৰনেট সংযোগ পোৱাৰ লগে লগে কম্পিউটাৰ সহায়েৰে দেশ - বিদেশৰ খবৰ পোৱা তেনেই সহজ হৈ পৰিছে।

**মাল্টিমিডিয়া খেলঃ**

মাল্টিমিডিয়া খেল মানে দুটা বা ততোধিক মাধ্যম ক সংযোজন কৰি ব্যৱহাৰ কৰিব পৰা এক ব্যৱস্থা। সাধাৰণতে আমোদ প্ৰমোদৰ বাবে মাল্টিমিডিয়া ব্যৱহাৰ কৰা হয়। সেয়ে ইয়াক মাল্টিমিডিয়া খেল বুলি জনা যায়। আচলতে ইয়াক আমোদ - প্ৰমোদ (entertainment ) আৰু তথ্য (information) ৰ মাজৰ অৱস্থা বুলি ক'ব পাৰি। হয়তো কেতিয়াবা আমোদ - প্ৰমোদৰ মাত্ৰা অধিক হয় আৰু কেতিয়াবা তথ্য যোগানৰ মাত্ৰা বেছি হয়।

উদাহৰণৰ বাবে আমি মেক্সঁহতৰ মাল্টিমিডিয়া কম্পিউটাৰটোলৈ ঘূৰি যাওঁ ব'লক। মেক্স সৰু ল'ৰা বাবে দেউতাকে তাৰ বাবে কিছুমান সাধু কথা জাতীয় চিনেমা আনি থৈছে। লায়ন কিং নামৰ চিনেমাখন তেনে ধৰণৰ সাধুকথা। চিনেমাবোৰ ভিডিঅ' কেছেটত নাথাকে। এখন সৰু গ্ৰাম'ফোন ৰেকৰ্ডৰ দৰে কমপেক্ট ডিস্কত(চমুকৈ চি ডি) এই চিনেমাবোৰ থাকে। কম্পিউটাৰৰ ডিস্কড্ৰাইভত সেইখন সুমুৱাই দিলেহে চিনেমা চাব পাৰি। আবেলি যেতিয়া ককায়েকহঁত ঘূৰি আহে, তেওঁলোকে বেলেগ চিডি ব্যৱহাৰ কৰে। এইবোৰৰ কিছুমান হ'ল তথ্য যোগানৰ ভাণ্ডাৰ। যেনে - ধৰা, এখন কমপেক্ট ডিস্কত বিশ্বকোষ (Encyciopedia) খন আছে। ককায়েকঁহতে বিশ্বকোষৰ চিডি খন ব্যৱহাৰ কৰি নতুন নতুন কথা জানিবলৈ চেষ্টা কৰে। বেলেগকৈ কিতাপ নপঢ়িলেও হয়। ঠিক সেইদৰে বহুতো কিতাপ, কাকত আলোচনী চিডিৰ জৰিয়তে পঢ়িব পাৰি।

মেক্সৰ কাৰণে যিটো কম্পিউটাৰ খেলৰ লগৰী হৈ পৰিল, সেই একে কম্পিউটাৰ ককায়েকহঁতৰ বাবে প্ৰসংগ পুথি হৈ পৰিল। এই সকলো সম্ভৱ হ'ল কেবল মাল্টিমিডিয়া ব্যৱহাৰৰ বাবে।

**মাল্টিমিডিয়া ব্যৱহাৰ কৰিবৰ বাবে কি কি বস্তুৰ প্ৰয়োজন ঃ**

পৃথিৱী বিখ্যাত কম্পিউটাৰ কোম্পানী সমূহক (যেনে - মাইক্ৰছফট, জেনিথ - ফিলিপছ আদি) লৈ গঠন কৰা ইন্টাৰেক্টিভ মাল্টিমিডিয়া এছছিয়েচনে মাল্টিমিডিয়া কম্পিউটাৰৰ কিছুমান মানদণ্ড নিৰূপণ কৰি দিছে।

**মাল্টিমিডিয়াৰ বাবে প্ৰয়োজনীয় নুন্যতম আহিলা সমূহ ঃ**

চি.পি.ইউ ঃ 4865 × 25 MAZ

মেম'ৰি ঃ RAM 4MB (8MB হ'লে ভাল হয়)

ষ্ট'ৰেজ ঃ হাউডিস্ক 160 MB

CD ROM × A ড্ৰাইভ ঃ 300 KB/SEC (এক চেকেণ্ডতকৈ কম সময়ত প্ৰাপ্ত হব লাগিব)

ভিডিঅ' ঃ ডিছপ্লে চুপাৰ VGA

অডিঅ' ঃ অডিঅ'পট শব্দ কৌশল বা 16 বিট ছাউণ্ড কাৰ্ড।

(ই - CD audio wavefont audio MIDI ৰ লগত কাৰ্যক্ষম হব লাগিব)

ছফটৱেৰ ঃ ডিস্ক অপাৰেটিং ছিষ্টেম (5·0) আৰু মাইক্ৰছপট্ উইনড' (3·1)

উপৰোক্ত আহিলাসমূহৰ বহুতো উন্নত সংস্কৰণ আজিকালি বজাৰত পোৱা যায়। তেনে সংস্কৰণ ব্যৱহাৰ কৰিলে মাল্টিমিডিয়া কম্পিউটাৰ অধিক কাৰ্যক্ষম হৈ পৰে।

চি. ডি. ৰম

মাল্টিমিডিয়া ব্যৱস্থাত ফটো, বাক্যশাৰী, শব্দ, সংগীত আৰু আন বহুতো বস্তুৰ সমাবেশ ঘটে। সেয়ে কম্পিউটাৰৰ সঞ্চয় ক্ষমতা অধিক হোৱাটো প্ৰয়োজন। আমি সাধাৰণতে ব্যৱহাৰ কৰা "ফ্লপিৰ" সহায়েৰে ইমানখিনি তথ্য সঞ্চয় কৰা অসম্ভৱ। ফলস্বৰূপে 1980 চনত এক নতুন সঞ্চয় কৌশল বিকাশ ঘটিল। ইয়াৰ নাম কপপেক্ট ডিস্কৰিড অনিল মেম'ৰি (CD ROM)। প্ৰথম অৱস্থাত ইয়াত কেৱল সংগীতৰ বাবেহে ব্যৱহাৰ কৰা হৈছিল। লাহে লাহে ই কম্পিউটাৰ জগতত প্ৰবেশ কৰে।

চি ডি ৰ'ম দেখাত সৰু গ্ৰাম'ফোন ৰেকৰ্ডৰ দৰে। গাত ঘাত ঘাত থকা। ইয়াৰ ব্যাস 120 মিলি মিটাৰ। ই 1.2 মিলিমিটাৰ ডাঠ আৰু পলি কাৰ্ব নেটেৰে তৈয়াৰী।

ইয়াৰ ওপৰত এলুমিনিয়ামৰ প্ৰলেপ সনা থাকে। দেখাত তেনেই ক্ষুদ্ৰ, অথচ ইয়াতে 600 মেগাবাইট তথ্য আংশিক ৰূপত চেপা খাই সোমাই থাকে। চি. ডি. ত সঞ্চিত তথ্যসমূহ পঢ়িবৰ বাবে বিশেষ লেজাৰ ৰশ্মি ব্যৱহাৰ কৰা হয়।

মেক্সহঁতৰ ঘৰত থকা বিশ্বকোষখন এখন চি.ডি. ৰ'মতে সোমাই আছে। অথচ এই একেখন বিশ্বকোষ ছপা কিতাপৰ আকাৰত দহটাতকৈ অধিক খণ্ড হ'ল হেতেনে। ইয়াক থবলৈ বহুত ঠাই লাগিল হেঁতেন। ভাবিলে আচৰিত লাগে যে বিশ্বকোষৰ দৰে ইমানবোৰ কিতাপৰ খবৰ আৰু ছবি এখন চি.ডি ৰ'মত কেনেকৈ সোমাই আছে। চি ডি ৰমৰ আন এটা বিশেষত্ব হ'ল যে ইয়াক কেৱল পঢ়িবহে পাৰি; কিন্তু কোনো খবৰ মোহাৰিব বা নতুনকৈ ভৰাব নোৱাৰি। আনহাতে চি. ডি. ৰ'মত থকা বস্তুবোৰ পঢ়িবৰ বাবে চি.ডি, ৰ'ম ড্ৰাইভ থাকিব লাগিব।

**মাল্টিমডিয়া কি দৰে সম্ভৱ হৈ উঠে?**

মাত্ৰ এটা উন্নত কম্পিউটাৰ আৰু প্ৰয়োজনীয় আহিলাবোৰ ব্যৱহাৰ কৰি কি দৰে মাল্টিমিডিয়া ব্যৱস্থা পোৱা যায়? ছবি, শব্দ বা ভিডিঅ' কেনেকৈ সম্ভৱ হয়?

মাল্টিমিডিয়াৰ ছবি বা গ্ৰাফিকচ্‌বোৰ দুটা বিশেষ প্ৰযুক্তি ৰাষ্টাৰ আৰু ভেক্টৰ গ্ৰাফিকচ্ সহায়েৰে কিছুমান ভিন ভিন ধৰণৰ বিন্দুৰ সহায়েৰে সঞ্চয় হৈ থাকে। দ্বিতীয় ব্যৱস্থাত ছবিবোৰ কিছুমান গণিতিক সুত্ৰৰ সহায়েৰে সৃষ্টি কৰা হয়। কিছুমান ছফট্‌ৱেৰৰ জৰিয়তে দুয়োটা প্ৰযুক্তি একেলগে পাব পাৰি তেনে এক ছফট'ৱেৰ হ'ল - পেজমেকাৰ।

শব্দ সঞ্চয় কৰিবৰ বাবে তিনিধৰণৰ ব্যৱস্থা আছে। সেইকেইটা হ'ল - ৰেভফৰ্ম, নন - ৰেভফৰ্ম

আৰু ৰেডবুক অডিঅ'। চি.ডি. ৰ'মৰ বাবে ৰেডবুক অডিঅ' ব্যৱস্থা ব্যৱহাৰ কৰা হয়।

শব্দৰ বাবে মাল্টিমিডিয়া কম্পিউটাৰত এখন ছাউণ্ডৰ প্ৰয়োজন।

মাল্টিমিডিয়া কম্পিউটাৰত ভিডিঅ'ৰ দৰে চিনেমা চাবৰ বাবে (CODEC (Compression- Decomression) কৌশলৰ ব্যৱহাৰ কৰা হয়। শব্দ আৰু ছবিৰ গতি লয় একে কৰিবৰ বাবে ডিজিটেল ভিডিঅ' ইন্টাৰেষ্টিভ ব্যৱহাৰ কৰা হয়।

মাল্টিমিডিয়া পদ্ধতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয় হ'ল সমন্বয়ন। শব্দ, ছবি আগৰ সকলোবোৰৰ একীকৰণ হ'লেহে পৰ্দাত একে সুন্দৰ ছবি জিলিকি উটিব। তেতিয়াহে আটাইকেইটা মাধ্যম একলগ হৈ মাল্টিমিডিয়া সম্ভৱ হব। ইয়াৰ বাবে এক বিশেষ কৌশল ব্যৱহাৰ কৰা হয়।

মাল্টিমিডিয়াৰ বিষয়ে আলোচনা কৰাৰ পাছত আপোনালোকে নিশ্চয় বুজিব পাৰিছে মেক্সহঁতৰ কম্পিউটাৰত কি দৰে লায়ন কিং ছবি দেখা যায় বা কি দৰে বিশ্বকোষ পঢ়িব পাৰি। ইতিমধ্যে শিক্ষা, ব্যৱসায়, মনোৰঞ্জন, প্ৰশিক্ষণ আৰু বহুতো ক্ষেত্ৰত মাল্টিমিডিয়াৰ প্ৰবেশ ঘটিছে। আনন্দৰ কথা যে — আমাৰ দেশতো মাল্টিমিডিয়াৰ ব্যৱস্থাৰ প্ৰচলন আৰম্ভ হৈছে। হয়তো আৰু কেইবছৰমানৰ ভিতৰত আমাৰ স্কুল - কলেজ, কাৰ্যলয় সকলোবোৰ কম্পিউটাৰতে মাল্টিমিডিয় সুবিধা আহিব। তেতিয়া হ'লে যে কিমান মজা লাগিব।

(সহায়লৈ)



# বিগত শতিকাৰ মহান গণিতজ্ঞ
# শ্ৰী নিবাস ৰামানুজন আয়েংগাৰ

বীৰেন ভূঞা
মূৰব্বী, পৰিসংখ্যা বিভাগ

বিশ্বৰ গণিত ইতিহাসৰ পাতত চিৰযুগমীয়া হৈ জিলিকি ৰ'ল এক ভাৰতীয় বিজ্ঞানীৰ অবিস্মৰণীয় নাম শ্ৰী নিবাস ৰামানুজন আয়েংগাৰ। অতি চুটি জীৱন কালৰে, কোনো আনুষ্ঠানিক উচ্চ শিক্ষা লাভ নকৰাকৈ ইংলণ্ডৰ কেমব্ৰিজ বিশ্ববিদ্যালয়ৰ গৱেষক তথা বিলাতৰ উচ্চ শিক্ষাৰ বিৰল সন্মানৰ অধিকাৰীহৈ জগতক যি অমূল্য সম্পদ অৱদান দি গ'ল সেইয়া বিস্ময়কৰ। গণিতৰ ওপৰত থকা ব্যক্তিৰ এনে অনন্য প্ৰতিভা ভাৰতে কাহানিও আগে দেখা নাছিল। বহুতৰ বাবে সেয়েহে ৰামানুজন ভগৱানৰ দান অথবা আধুনিক কালৰ ৰহস্যময় মানৱ।

বিশ্বখ্যাতি অৰ্জন কৰা ৰামানুজনে ১৮৮৭ চনত ২২ ডিচেম্বৰত তামিল নাডুৰ কুম্ভকোনম নামে এখন সৰু চহৰত, এক দাৰিদ্ৰ ব্ৰাহ্মণ পৰিয়ালত জন্ম লাভ কৰে। মাক অতি ধৰ্ম পৰায়ণা আৰু ঈশ্বৰভক্তা হোৱাৰ বাবে, ৰামানুজনে শৈশৱতে মাকৰ লগত ঈশ্বৰ প্ৰাৰ্থনা কৰা, ধৰ্মপুথিৰ শ্লোক "মুখস্থ মতা, পূজা - অৰ্চনাৰ কামবোৰ কৰিব লগা হৈছিল। সৰু কালতেই বহুতো ধৰ্মপুথিৰ, বেদ - উপনিষদৰ সংস্কৃত শ্লোকসমূহ মুখস্থ মাতিব পৰাৰ লগতে ইয়াৰ অন্তৰ্নিহিত আধ্যাত্মিক জ্ঞানৰ সোৱাদ লাভ কৰিবলৈকো তেওঁ সক্ষম হৈছিল।

পাচঁ বছৰ বয়সত ৰামানুজনে কুম্ভকোনমৰ স্থানীয় প্ৰাইমাৰী স্কুলত ভৰ্তিহৈ তেওঁৰ আনুষ্ঠানিক শিক্ষাজীৱনৰ পাতনি মেলে। প্ৰাথমিক বিদ্যালয়তে তামিল বৰ্ণমালা আৰু বুনিয়াদী গণিতৰ সৈতে প্ৰথম পৰিচয় ঘটে। জিলাৰ ভিতৰত পৰীক্ষাত প্ৰথম হোৱাৰ বাবে, পৰবৰ্ত্তি হাইস্কুলীয়া শিক্ষাত আধা মাচুল ৰেহাই পোৱাৰ সুবিধা লাভ কৰে। সাত বছৰ বয়সত কুম্ভকোনমৰ টাউন স্কুলত ভৰ্তি হয়। হাইস্কুলত পঢ়ি থকা কালতে গণিত বিষয়ত থকা তেওঁৰ পাৰদৰ্শিতা দেখি সহপাঠি আৰু শিক্ষক সকল স্তম্ভিত হৈছিল। হাইস্কুলৰ দ্বিতীয় শ্ৰেণীত পঢ়ি থাকোঁতে, গনিত শিক্ষকে এদিন শ্ৰেণী কোঠাত অংকৰ হৰণ পদ্ধতিৰ জ্ঞান দিবলৈ এনেদৰে কলে — যিকোনো সংখ্যাক সেই একে সংখ্যাৰে ভাগ কৰিলে সদায় ১ হয়। যেনেকৈ ১ ক ১ ৰে ভাগ কৰিলে, ১০ ক ১০ ৰে ভাগ কৰিলে উত্তৰ ১ হয় ইত্যাদি। এনেতে হঠাতে শিক্ষাৰ্থীৰ মাজত পৰা ৰামানুজনে থিয় দি প্ৰশ্ন কৰিলে, মহাশয় ০ (শূণ্য) ক ০ ৰে ভাগ কৰিলে জানো ১ হয়। গণিত শিক্ষকজন হতভ্ৰম হোৱাৰ লগতে বিষ্ময় মানিলে। ইমান কোমল মনৰ শিশু ৰামানুজনে যি প্ৰশ্নৰ অৱতাৰনা কৰিলে, সেই প্ৰশ্ন উত্তৰ বিচাৰি বিশ্বৰ বহু গণিতজ্ঞই বহু শতিকা পাৰ কৰি দিছিল।

মাথোন তেৰ বছৰ বয়সতে ৰামানুজনে সংখ্যাতত্ত্বৰ তৃতীয় হাৰৰ প্ৰগতি আৰু ত্ৰিকনোমিতিৰ জটিল প্ৰক্ৰিয়া আয়ত্ব কৰা

ক্ষমতাৰ অধিকাৰী হৈ উঠিছিল। চতুৰ্থ শ্ৰেণীত পঢ়ি থাকোঁতেই, বি,এ পঢ়ি থকা ছাত্ৰ বন্ধুৰ পৰা ল'নিয়ে লেখা ত্ৰিকোনোমিতিৰ তৃতীয় খণ্ড ধাৰে আনি পঢ়িছিল আৰু প্ৰতিটো অনুশীলন কৰি শেষ কৰিছিল। পঞ্চম শ্ৰেণীত পঢ়ি থকা কালতে কাৰো সহায় নোলোৱাকৈ ইউলাৰৰ 'চাইন' আৰু 'কচাইনৰ' সিদ্ধান্তত উপনীত হ'ব পাৰিছিল। কোমল বয়সত এনেবোৰ বিস্ময়কৰ কাৰ্য নিঃসন্দেহে গণিতৰ বিৰল প্ৰতিভাৰ পৰিচায়ক।

পোন্ধৰ বছৰ বয়সত হাইস্কুলত পঢ়ি থকা দিনতে ৰামানুজনে তেওঁৰ এজন বন্ধুৰ সহযোগত পণ্ডিত জৰ্জ চব্লিজকাৰৰ 'A synopsis of Elementary Results in pure and Applied Mathematics') কিতাপখন পঢ়াৰ সৌভাগ্য লাভ কৰে। কিতাপখন গভীৰ ভাৱে অধ্যয়ন কৰাৰ লগতে ইয়াত থকা গাণিতীয় সমস্যাবোৰ সমাধান কৰি এখন টোকা বহীত টুকি গ'ল। ছাত্ৰকালতে বিভিন্ন কিতাপ অধ্যযন কৰি লিখিথোৱা এই অমূল্য টোকা বহীয়েই, পৰবৰ্ত্তি কালত বিশ্বৰ গণিত সমাজৰ পণ্ডিত সকলৰ মাজত আলোচনা আৰু গৱেষণা উৎস হৈ পৰিল।

১৯০৩ চনত ১৬ বছৰ বয়সত ৰামানুজনে মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে মেট্ৰিকৰ দেওঁনা অতিক্ৰম কৰে। মেধা ছাত্ৰ হিচাপে 'চুব্ৰমনীয়ম মেধা বৃৰ্ত্তি লাভ কৰি কুম্ভকোনমৰ চৰকাৰী কলেজত এফ, এ শ্ৰেণীত ভৰ্তি হয়। কলেজত তেওঁ অধয়ণৰ বিষয় হিচাপে ইংৰাজী সাহিত্য, গণিত, শৰীৰ চৰ্চা, বুৰঞ্জী আৰু সংস্কৃত সহিত্য বাচি লয়। অধ্যয়ণ কালত অধিক সময় গণিত চৰ্চাত ব্যস্ত থাকি বাকী বিষয়ত তেওঁ অমনোযোগী হৈ পৰাত এফ,এ পৰীক্ষাত কৃতকাৰ্য হ'ব নোৱাৰিলে।

মেধা ৰামানুজনৰ এই অকৃতকাৰ্যতাত পিতৃ - মাতৃ বাৰুকৈয়ে হতাশ হৈ পৰিল। গণিতৰ পৰা ৰামানুজনৰ মন আনফালে ঢাল খুৱাবলৈ বিয়া পাতি দিয়াৰ সিদ্ধান্ত কৰিলে। ফল স্বৰূপে বাইশ বছৰীয়া ৰামানুজন ১১ বছৰীয়া জানকীৰ সৈতে বিবাহ পাশত আৱদ্ধ হ'ল। লগে লগে তেওঁৰ আনুষ্ঠানিক শিক্ষাৰ ইয়াতেই পৰিসমাপ্তি ঘটিল। কিন্তু বিবাহে তেওঁৰ গণিত চৰ্চাত কোনো বিশেষ বাধাৰ সৃষ্টি কৰিব নোৱাৰিলে। দিনে দিনে বাঢ়ি অহা আৰ্থিক অনাটনে চাকৰি বিচাৰিবলৈ বাধ্য কৰালে। পিতৃ - মাতৃৰ ওপৰত অধিক বোজাহৈ নাথাকিবলৈ থিৰাং কৰি, হঠাতে এদিন পত্নীসহ মাদ্ৰাজলৈ আহি এটি সৰু ভাড়াঘৰত থাকিবলৈ ল'লে। মাদ্ৰাজ চহৰৰ বিভিন্ন চৰকাৰী আৰু বে-চৰকাৰী দপ্তৰত চাকৰি বিচাৰি নাপাই জীৱিকাৰ কোনো পথ নেদেখি তেওঁ বৰ বিপাঙত পৰিল। পত্নীক তেওঁৰ ঘৰত থৈ আহি ৰামানুজনে মাদ্ৰাজতে থাকিবলৈ ললে। অধিক আৰ্থিক অনাটনত পৰি প্ৰায়ে নোখোৱাকৈ শোৱাপাটিলৈ যাব লগীয়া হোৱাত তেওঁ নৰীয়াত পৰিল। লগৰ বন্ধু বান্ধবৰ সহায়ত আৰোগ্য লাভ কৰিলেও দাৰিদ্ৰতাই কিন্তু লগ এৰা নাছিল। এনে কঠোৰ দিনবোৰতো তেওঁ হতাশ নহৈ একান্তমনে গণিত চৰ্চা কৰি গ'ল। ইয়াৰ বাবে সেই সময়ত তেওঁ প্ৰয়োজনীয় কাগজ যোগাৰ কৰিব নোৱাৰি ৰাজপথৰ পেলনীয়া কাগজৰ টুকুৰা বিচাৰি আনিছিল। তেওঁ এৰিযোৱা অপৰিপাটিকৈ লিখা টোকা বহীবোৰে, আজি তাৰে স্বাক্ষৰ বহন কৰিছে।

ৰামানুজনে অধ্যয়ণৰ সময়ত উপনীত

হোৱা বিভিন্ন গাণিতীয় সমস্যাৰ সিদ্ধান্তবোৰ টোকাবহীত লিখি থৈছিল যদিও বেচি ভাগৰে প্ৰমাণ লিখা নাছিল। ইয়াৰ কাৰণ হয়তো বেছি ভাগৰে উত্তৰ তেওঁ জানিছিল বাবে লিখি ৰখাৰ প্ৰয়োজনবোধ কৰা নাছিল অথবা কাগজৰ অভাৱৰ বাবে লিখা নাছিল। গণিতৰ যাদুকৰী বৰ্গ, অবিৰত ভগ্নাংশ, অতি জ্যামিতিক শাৰী, সংখ্যাৰ ধৰ্ম, মৌলিক আৰু অমৌলিক সংখ্যাৰ বিভাজন, উপবৃত্তীয় ফলন আৰু আন কেতবোৰ অংশলৈয়ে মূলত তেওঁ কাম কৰিছিল। যিবোৰ কাম আমাৰ দেশত সেই সময়ত বা তাৰ আগতে কোনো চিন্তা চৰ্চা কৰা হোৱা নাছিল।

তেনে সময়তে মাদ্ৰাজ ডেপুটী কালেক্টৰ অধ্যাপক পি.ভি. শেৰু আয়াৰ আৰু প্ৰেছিডেন্সী কলেজৰ অধ্যাপক ভি, ৰামাস্বামী আয়াৰে ৰামানুজনৰ আৰ্থিক দুৰদৰ্শাৰ কথা জানিব পাৰি তেওঁক সহায় কৰিবলৈ আগবাঢ়ি আহিল। তেওঁলোকৰ অনুৰোধ ৰক্ষাকৰি সেই সময়ৰ মাদ্ৰাজ বন্দৰ ন্যাসৰ ব্যৱস্থাপক এচ, নাৰায়ন আয়াৰে, ৰামানুজনক মাহে ২৫ টকা দৰমহাত এটি কেৰাণী চাকৰিত নিযুক্তি পোৱাত সহায় কৰি দিয়ে। এই চাকৰি লাভ কৰি ৰামানুজনে কিছু সকাহ পালেও, সকলো প্ৰয়োজন পূৰণ কৰিব পৰা নাছিল। নিজৰ পৰিয়াল কোনোমতে চলাই নিব পৰা হোৱাত, নিজৰ কামৰ প্ৰতি অধিক মনোযোগ দিব পৰা হ'ল। বন্দৰ ন্যাসৰ কামৰ লগতে তেওঁ নিজৰ গণিত চৰ্চা সমানে চলাই গ'ল। তেওঁৰ গণিতত থকা বিৰল প্ৰতিভা আৰু কৃতিত্বৰ খ্যাতি প্ৰচাৰ আৰু প্ৰকাশিত নোহোৱাত ভাৰতীয় বিজ্ঞান সমাজত সেই সময়ত আলোচনাৰ বিষয় হৈ উঠা নাছিল; কিন্তু বন্দৰ ন্যাসৰ অধ্যক্ষ ফ্ৰান্সিচ স্প্ৰিঙে, তেওঁৰ প্ৰতিভাৰ উমান পাই তেওঁক এই কামত উৎসাহিত কৰিছিল।

ইতিমধ্যে অধ্যপক ডি ৰামাস্বামী আয়াৰে ১৯০৭ চনত মাদ্ৰাজত প্ৰতিষ্ঠা কৰা ভাৰতীয় গণিত সমাজ (Indian Mathematical Society), ১৯১১ চনত আহি বেচ গা কৰি উঠিছিল। ৰামানুজনেও এই সুযোগ গ্ৰহণ কৰি এই সমাজৰ লগত জড়িত হৈ পৰিল। ১৯১১ চনত, অধ্যাপক পি, ডি, শেৰু আয়াৰৰ দ্বাৰা সম্পাদিত 'ভাৰতীয় গণিত সমাজ পত্ৰিকাত' ৰামানুজনৰ প্ৰশ্ন আকাৰৰ প্ৰথম গৱেষণা পত্ৰখন প্ৰকাশ পায়। ইয়াৰ কেইমাহমানৰ পাছতে 'বৰ্ণালী' সংখ্যাৰ কেতবোৰ ধৰ্ম নামৰ আনখন গুৰুত্ব পূৰ্ণ গৱেষণা পত্ৰ প্ৰকাশ পায়। ১৯১২ চনত তেওঁৰ আন দুখন উল্লেখনীয় গৱেষণা পত্ৰ এই পত্ৰিকাতে প্ৰকাশ পায়।

এনেবোৰ কামৰ মাজেৰে ইতিমধ্যে দেশৰ বিজ্ঞান সমাজত ৰামানুজন এক আলোচনাৰ বিষয় হৈ পৰিল যদিও তেওঁৰ কামৰ প্ৰকৃত মূল্য দিব পৰা আৰু তেওঁৰ এই বিৰল প্ৰতিভাৰ সদ ব্যৱহাৰৰ লগতে সম্পূৰ্ণ বিকশিত কৰি তোলাত সহায় কৰিব পৰা ব্যক্তিৰ অভাৱ আছিল। সেয়েহে অধ্যাপক শেৰু আয়াৰে আৰু তেওঁৰ শুভাকাংক্ষী সকলে, তেওঁৰ কামৰ প্ৰকৃত মূল্যাংকণৰ বাবে সেই সময়ৰ কেম্ব্ৰিজৰ ট্ৰিনিটি কলেজৰ ফেল' আৰু গণিতৰ অধ্যাপক জি, এইচ হাৰ্ডিলৈ লিখিবলৈ পৰামৰ্শ দিলে। ১৯২৩ চনৰ ১৬ জানুৱাৰী দিনা ৰামানুজনে, অধ্যাপক হাৰ্ডিলৈ প্ৰথমখন পত্ৰ লিখিলে আৰু লগতে এশতকৈও অধিক গণিতৰ সিদ্ধান্তৰ ওপৰত

তেওঁৰ মন্তব্য বিচাৰি পঠালে। বিশ্বখ্যাত অধ্যাপক হাৰ্ডিয়ে ৰামানুজনৰ চিঠি পায়, গণিতত থকা ৰামানুজনৰ প্ৰতিভাৰ উমান পালে আৰু ততালিকে চিঠি প্ৰাপ্তি স্বীকাৰ কৰি গৱেষণাৰ বাবে ওলগ জনালে। অধ্যাপক হাৰ্ডিৰ সৈতে হোৱা এই ঐতিহাসিক যোগাযোগে তেওঁৰ জীৱনৰ গতি সলনি কৰি দিলে। হাৰ্ডিৰ প্ৰশংসাত অধিক উৎহাসিত হৈ তেওঁলৈ দ্বিতীয়খন চিঠি লিখিলে; সেই বিশেষ দিনটো আছিল ১৯১৩ চনৰ ২৭ ফেব্ৰুৱাৰী। অধ্যাপক হাৰ্ডি আৰু তেওঁৰ সহযোগত কেমব্ৰিজত লাভ কৰা কামৰ উচ্চ প্ৰশংসাই বন্দৰ ন্যাসৰ কেৰাণী ৰামানুজনক মাদ্ৰাজৰ গণিত সমাজত অধিক আলোচনাৰ বিষয় কৰি তুলিলে। শুভাকাঙ্খী সকলে তেওঁৰ এনে কৃতিত্বত গৌৰৱবোধ কৰিলৈ আৰু যাতে সকলো চিন্তা পাহৰি কেৱল গণিত চৰ্চাতে নিজকে মনোনিবেশ কৰিব পাৰে তাৰ বাবে এটি বৃত্তি যোগাৰ কৰাত উঠি পৰি লাগিল।

এনেতে ১৯১৩ চনৰ ২৫ ফেব্ৰুবাৰীত সেই সময়ৰ ৰয়েল চচাইটিৰ সদস্য আৰু ভাৰতীয় বতৰ বিজ্ঞান বিভাগৰ মূৰব্বী ড° গিল্বাৰ্ট ৱাকাৰ মাদ্ৰাজ বন্দৰ ভ্ৰমণলৈ আহে। ভাৰতীয় গণিত সমাজৰ অবৈতনিক সম্পাদক অধ্যাপক এচ, নাৰায়ন আয়াৰে এই সুযোগ গ্ৰহণ কৰি, ৰামানুজনৰ কামৰ বিষয়ে ড° ৱাকাৰৰ দৃষ্টি আৰ্কষণ কৰি মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ সহায়ত এক নিয়মীয়া বৃত্তিৰ ব্যৱস্থা কৰিবলৈ অনুৰোধ কৰে। ড° ৱাকাৰ ৰামানুজনৰ কামত মুগ্ধহৈ, মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ পঞ্জীয়কক এক বৃত্তিৰ ব্যৱস্থা কৰিবলৈ পৰামৰ্শ দিলে। একে সময়তে মাদ্ৰাজ শিক্ষা বৰ্ডৰ অধ্যক্ষই একে কাৰণতে বিশ্ববিদ্যালয়ৰ উপাচাৰ্যলৈ অনুৰোধ জনাই এখন পত্ৰ প্ৰেৰণ কৰে। এই অনুৰোধ মৰ্মে মাদ্ৰাজ বিশ্ববিদ্যালয়ে, ১৯১৩ চনৰ ১ মেৰ পৰা ৭৫ টকাৰ বৃত্তি ৰামানুজনলৈ আগবঢ়াব। বৃত্তি লাভ কৰি ৰামানুজনে কেৰাণী চাকৰি ইস্তফাদি এক পেশাদাৰী গণিতজ্ঞ হ'ল।

ইফালে অধ্যাপক হাৰ্ডিয়ে, ৰামানুজনৰ বাবে এটি বৃত্তিৰ ব্যৱস্থা কৰিবলৈ উঠি পৰি লাগিল; যাতে তেওঁ কেমব্ৰিজলৈ আহি উচ্চ গৱেষণাত নিজকে নিয়োগ কৰিব পাৰে। অৱশেষত অধ্যাপক হাৰ্ডি, অধ্যাপক নেভিল, প্ৰেছিডেন্সী কলেজৰ অধ্যাপক লিটল্ হেইলচ আৰু ফান্সিচ গ্ৰিঙৰ সহায়ত ৰামানুজনে ইংলণ্ডলৈ যোৱাৰ বাবে এটি বৃত্তি লাভ কৰিলে। ১৯১৪ চনৰ ১৭ মাৰ্চত মাদ্ৰাজ বন্দৰৰ নোভোদা জাহাজেৰে ইংলণ্ডলৈ গৈ উচ্চ গৱেষণা কৰাৰ ঐতিহাসিক যাত্ৰাৰ আৰম্ভ হ'ল আৰু ৭ এপ্ৰিল দিনা ৰামানুজনে প্ৰথম ইংলণ্ডৰ মাটিত খোজ পেলালে।

কেমব্ৰিজ পাই ৰামানুজনে, অধ্যাপক হাৰ্ডি আৰু লিটলউদৰ লগত তেওঁৰ গবেষণাৰ কাম আৰম্ভ কৰি দিলে। কিছুদিনৰ পাছতে লিটলউদ তাৰ পৰা যাব লগা হোৱাত তেওঁ অকলেই হাৰ্ডিৰ লগত কাম কৰিব লগা হ'ল। ফলত এই ক্ষেত্ৰত ৰামানুজনে কিছু অসুবিধাৰ সন্মুখীন হ'ল, কাৰণ লিটলউদৰ অনুপস্থিত তেওঁৰ অধ্যয়ণৰ এটি দিশৰ পৰামৰ্শদাতা নোহোৱা হ'ল। সেয়েহে বহুতেই অধ্যাপক লিটলউদৰ অভাৱে ৰামানুজনৰ প্ৰতিভাৰ পূৰ্ণ বিকাশত অনেক ক্ষতি সাধন কৰিলে বুলি কব খোজে। কাৰন এনে প্ৰতিভাবান, সৃষ্টিশীল ছাত্ৰৰ বাবে এজন শিক্ষকে

যথেষ্ট নাছিল।

ৰামানুজনৰ এৰিযোৱা কামৰ অধিকাংশই ইংলগুত প্ৰকাশ পাইছিল। তেওঁৰ মুঠ একৈশখন গৱেষণা পত্ৰ ইংলেগুত থকা কালতে প্ৰকাশ পায়। ইয়াৰে পাঁচখন অধ্যাপক হাৰ্ডিৰ লগত যুগ্ম ভাৱে কৰা। কেমব্ৰিজত অধ্যাপক হাৰ্ডিৰ সানিধ্যই ৰামানুজনৰ জীৱন আৰু প্ৰতিভাৰ বিকাশত যে এক অতুলনীয় সহায় কৰিছিল; ই ধ্ৰূপ। তেওঁলোকৰ চুটি অথচ ঐতিসাসিক সানিধ্য আৰু বন্ধুত্বই বিশ্ববাসীক যি বহুমূলীয়া ৰত্ন ভাণ্ডাৰ দি গ'ল, তাৰ প্ৰকৃত মূল্যায়ণ হ'বলৈ আজিও বাকী আছে। অধ্যাপক হাৰ্ডিয়ে ৰামানুজনক নিজৰ ভাষাৰে এনেদৰে বৰ্ণনা কৰিছে, 'ৰামানুজনৰ ওচৰত মই পৃথিৱীৰ আন সকলোতকৈ ধৰুৱা'।

ইংলগুত কৰা গৱেষণাই ৰামানুজনলৈ আৰু ভাৰত বাসীলৈ কঢ়িয়াই আনিলে সন্মান আৰু উচ্চ প্ৰশংসা। এই ক্ষেত্ৰত হাৰ্ডিৰ মন্তব্য উল্লেখনীয়, 'তেওঁ (ৰামানুজন) এক বিৰল সন্মান আৰু বৈজ্ঞানিক কৃতিত্বৰ খ্যাতিৰে ভাৰতলৈ উভতিব, এনে সন্মান আনকোনো ভাৰতীয়ই ইয়াৰ আগয়ে পোৱা নাই।'

১৯১৮ চনৰ ১৩ অক্টোবৰত তেওঁক টিনিটি কলেজৰ দ্বাৰা ফেল নিৰ্বাচিত কৰে, আৰু লগতে ছয় বছৰৰ বাবে বছৰি দুশ পঞ্চাছ পাউণ্ডৰ এক চৰ্তবিহীন জলপানী আগবঢ়ায়। কেমব্ৰিজত থকা কালত ৰামানুজনে অক্লান্ত পৰিশ্ৰম কৰিছিল। আনহাতে নিৰামিষ আহাৰ আৰু নিজে ৰান্ধি - বাঢ়ি খাব লগা হোৱাত, নিজৰ শৰীৰ আৰু খোৱা লোৱাত ল'ব লগা যত্নৰ প্ৰতি মন দিব পৰা নাছিল। নিজৰ কামত অধিক ব্যস্ত থকাৰ বাবে তেওঁ বহুনিশা নোখোৱাকৈয়ে বিচনালৈ গৈছিল; ফলত সহজেই দুৰাৰোগ্য যক্ষ্মাৰোগত আক্ৰান্ত হ'ল আৰু স্বাস্থ্য ভাগি পৰিল। তাততৈয়াকে উপযুক্ত চিকিৎসাৰ ব্যৱস্থা কৰা হ'ল যদিও আৰোগ্যৰ কোনো লক্ষণ দেখা নগ'ল। উপায়হীন হৈ, নিজৰ পিতৃ - মাতৃ, পত্নী আৰু আত্মীয় বন্ধু বান্ধবৰ যত্ন আৰু সানিধ্যত কিছু আৰোগ্য লাভ কৰিব বুলি ভাৱি দেশলৈ ঘুৰি অহাৰ সিদ্ধান্ত ল'লে। ১৯১৯ চনৰ ১৭ ফেব্ৰুৱাৰীৰ দিনা গৃহ অভিমূখে 'নাগয়া' জাহাজেৰে ইংলেগুৰ পৰা যাত্ৰা আৰম্ভ কৰিলে; কিন্তু কালৰ কূটিল ক্ষনত, মাদ্ৰাজলৈ আহিও তেওঁৰ স্বস্থ্যৰ কোনো উন্নতি নহ'ল। ইতিমধ্যে ৰামানুজনে হয়তো গম পাই ছিল যে এই পৃথিৱীত মাথোন আৰু কেইটামান দিনৰহে অতিথি। গতিকে তেওঁ ভগ্ন স্বাস্থ্যৰ প্ৰতি মন নিদি শয়ন পাৰ্টিতে নিজৰ গৱেষণাৰ কাম কৰি গ'ল, শেষ দিনলৈ। ১৯২০ চনৰ ২৬ এপ্ৰিল দিনা মাথোন বত্ৰিশ বছৰ বয়সতে মহান গণিতজ্ঞ ৰামানুজনে পৃথিৱীৰ পৰা বিদায় ল'লে।

ৰামানুজনৰ মৃত্যুত দেশে তথা বিশ্বই এনে এজন মহান গণিতজ্ঞক হেৰুৱালে, যি জনাই ভাৰতৰ দৰে এখন দেশৰ একুকত থাকি তেনে দিনতে সমস্ত ইউৰোপৰ সঞ্চিত জ্ঞানৰ সৈতে ফেৰ মাৰিব পাৰিছিল। এইজনা ব্যক্তিৰ অকল জীৱন বৃত্তান্তই বিষ্ময়কৰ নাছিল, অসাধাৰণ প্ৰতিভা, অতুলনীয় কল্পনা শক্তি, গভীৰ অন্তৰ্দৃষ্টি, সৃষ্টিৰ অফুৰন্ত প্ৰেৰণা আৰু জ্ঞানৰ বাবেও তেওঁ আছিল অপ্ৰতিদ্বন্দী। বিজ্ঞানৰ জনপ্ৰিয় লেখক জি, জি, ক্ৰৌথাৰে, তেওঁৰ লেখনিত ৰামানুজনৰ বিষয়ে এনে দৰে উল্লেখ কৰিছে, 'ৰামানুজনৰ

আৰম্ভণিৰ খ্যাতিহীনতা, বিশেষ সন্মান আৰু শোকাবহ যবনিকা বিজ্ঞানৰ ইতিহাসত সবাতোকৈ বিস্ময়কৰ কাহিনী।

ৰামানুজনৰ মৃত্যু সময়ত তেওঁ এৰি যোৱা তিনিখন টোকা বহীহে পোৱা গৈছিল। তেওঁৰ চতুৰ্থখন টোকাবহী হেৰুৱা বুলি সন্দেহ কৰা হৈছিল, যদিও মৃত্যুৰ পঞ্চাছ বছৰৰ পিছত ১৯৭৬ চনত কেমব্ৰিজৰ পুথিভড়ালত অধ্যাপক জৰ্জ এন্দুৰে উদ্ধাৰ কৰে। ৰামানুজনৰ প্ৰথম তিনিখন টোকাবহী সামৰি সৃষ্টি হৈছিল এখন অসাধাৰণ টোকা বহী। এই টোকা বহীত অসংখ্য গাণিতীয় সূত্ৰৰ - উল্লেখ আছে , ইয়াৰে কিছুমানৰ প্ৰমাণ সংক্ষিপ্ত ভাৱে উল্লেখ আছে যদিও বেছি ভাগৰে নাই। এই টোকাবহীত উল্লেখ থকা প্ৰায় চাৰি হাজাৰৰো অধিক অভেদ্য সূত্ৰ আৰু উপপাদ্যৰ সত্যাপন আজিও সম্পূৰ্ণহৈ উঠা নাই। ৰামানুজনৰ অধ্যয়ণৰ কামৰ অধিকাংশই জীৱন কালত প্ৰকাশ নহ'ল। আজিও তেওঁৰ গৱেষনাৰ প্ৰকৃত মূল্যায়ণ বাকী। অৱশ্যে মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ অনুৰোধ মৰ্মে, অধ্যাপক জি, এন বাটচন্, আৰু বি, এম উইলচনে সেই টোকাবহীৰ অধ্যয়ণ, গৱেষণা আৰু প্ৰকাশৰ কাম হাতত লয়।

ৰামানুজনে ছাত্ৰ কালতে টোকা বহীত টুকিৰখা অসংখ্য গাণিতীয় সিদ্ধান্ত আৰু তত্ত্বৰ কেতবোৰ ভুল আৰু কেতবোৰ অনুমান অশুদ্ধ বুলি প্ৰমাণিত হ'লেও, এইবোৰৰ মাজত আছে এক নতুন সত্যৰ বীজ, গবেষণাৰ নতুন নতুন উৎস আৰু অন্তৰ্নিহিত হৈ আছে কৰ্ম - প্ৰেৰণাৰ উৎস। জেমচ আৰু নিউমেনৰ ভাষাত, 'ভাৰতবৰ্ষত মাজে মাজে শক্তিশালী গণিতজ্ঞ ওলায় আছে। তাৰ আঁত বিচাৰি গ'লে গ্ৰীক যুগৰো আগ পাবগৈ লাগিব; কিন্তু মহানতাৰ পৰম জোখত ৰামানুজনকেই শ্ৰেষ্ঠযেন লাগে।

শ্ৰী নিবাস ৰামানুজন আয়েংগাৰ বিগত শতিকাৰ এজন অন্যতম মহান গণিতজ্ঞ, যাৰ তুলনাহীন অনন্য প্ৰতিভাই, দেশবাসীলৈ কঢ়িয়াই আনিছিল বিশ্বৰ বিৰল সন্মান আৰু খ্যাতি। এনে এজন অদ্বিতীয় গনিতজ্ঞকলৈ আমি দেশবাসীয়ে গৌৰৱবোধ কৰো।



# আমাৰ বেলিটো

**কৃষ্ণ বাহাদুৰ ভুচেজল**
উঃ মাঃ ২ য় বৰ্ষ (কলা)

আমাৰ একেবাৰে ওচৰত থকা নক্ষত্ৰটো হ'ল আমাৰ বেলিটো। বেলিটোক আমি সূৰ্য বা সূৰুয বুলিও কওঁ। আমি থকা এই পৃথিৱীখন বেলিটোৰ পৰিয়ালৰে। আমাৰ পৃথিৱীৰ পৰা বেলিটো প্ৰায় ১৫ কোটি কিল'মিটাৰ নিলগত আছে। সাধাৰণতে বেলিটো পৃথিৱীৰ পৰা প্ৰায় ১৪,৯৪,৫০, ০০০ (চৈধ্য কৌটি, চৌৰানব্বৈ লাখ, পঞ্চাশ হাজাৰ) কিল'মিটাৰ দূৰত আছে। আমাৰ বেলিটো আকাশত থকা কৌটি কৌটি তৰাৰ মাজত এটা সাধাৰণ তৰাহে। আমাৰ ( নিজৰ তৰা) সূৰ্যটোৰ পিছতে যিটো তৰা আমাৰ ওচৰত আছে তাৰ নাম আলফ্া ছেণ্টাৰি। এই তৰাটোৰ দূৰত্ব আমাৰ পৰা ৩০,৬৫০৪০০,০০০,০০০ কিল'মিটাৰ। সূৰ্যৰ পোহৰ পৃথিৱীলৈ আহি পাওঁতে ৮ মিনিটমান লাগে; কিন্তু আলফা ছেণ্টৰিৰ পৰা আমালৈ কোনোবাই পোহৰৰ বেগত বাতৰি পঠালে আহি পাওঁতে সময় লাগিব চাৰি বছৰ চাৰি মাহ।

সূৰ্যটোৰ গাঁত কিমান শক্তি আছে ভাবিলে আচৰিত লাগি যাব। সূৰ্যটোৰ শক্তি তাৰ গাৰ পৰা চাৰিওফালে ওলাই যায়। আমাৰ পৃথিৱীখনে সূৰ্যটোৰ শক্তিৰ ২২০ কৌটি ভাগৰ এভাগহে পায়। সূৰ্যটোৱে প্ৰতি ছেকেণ্ডত ৮৮ হাজাৰ কৌটি কৌটি কেলৰি তাপ বিকিৰণ কৰে (৮৮ ৰ পিছত ২৪ টা শূণ্য আছে) এই তাপ পাবলৈ ৰকেটত ব্যৱহাৰ কৰা পেট্ৰল অক্সিজেন মিশ্ৰণ ব্যৱহাৰ কৰিলে ৪৪ শ কৌটি কৌটি টন মিশ্ৰণ পুৰিব লাগিব (৪৪ অৰ পিছত ১৬ টা শূণ্য) সূৰ্যটোত বহুতো হাইড্ৰজেন গেছ মজুত হৈ আছে। এই হাইড্ৰজেন গেছক হিলিয়াম গেছ কৰোঁতে তাপ আদি উৎপন্ন হয়। প্ৰতি ছেকেণ্ডত সূৰ্য্যই ৬০ কৌটি টন হাইড্ৰজেনক হিলিয়ামলৈ সলনি কৰে।

<u>কিমান ডাঙৰ, কিমান তপতঃ</u>

সূৰ্যৰ পিঠিখনৰ উষ্ণতা ৬০০০ ডিগ্ৰি ছেলছিয়াছ। ইয়াৰ ভিতৰ খনৰ উষ্ণতা ২ কৌটি ডিগ্ৰি ছেলছিয়াছ। সূৰ্যৰ ব্যাস ১৩,৯০,৬০০০ কিল'মিটাৰ। এই ব্যাস পৃথিৱীৰ ব্যাসৰ ১০৯ গুণ। সূৰ্যটোৰ ভৰ ১,৯৯,৯০০০ কৌটি কৌটি কৌটি কৌটি গ্ৰাম। ই পৃথিৱীৰ ভৰৰ ৩,৩১,৯৫০ গুণ। প্ৰায় তেৰ লাখখন পৃথিৱী একেলগ কৰিলে যিমান ঠাই আগুৰিব, সূৰ্যটোৱে সিমান ঠাই আগুৰি আছে। আকাশত ৰঙা, নীলা, হালধীয়া, শেঁতা, বগা আদি নানা ৰঙৰ তৰা আছে। সূৰ্যটো এটা হালধীয়া তৰা। সূৰ্যৰ বয়স কিমান হ'ল ? বিজ্ঞানী সকলৰ মতে সূৰ্যৰ বয়স প্ৰায় ৫০০ কৌটি বছৰ হৈছে। ই এতিয়া মাজ বয়স পাইছে।

পৃথিৱীৰ পৰা সূৰ্যৰ দূৰত্ব (গড়)

১৪,৯৪,৫০,০০০ X ১৭,০০০ কিল'মিটাৰ।

সূৰ্যৰ ব্যাস ঃ১৩,৯০,৬০০ কিল'মিটাৰ; ই পৃথিৱীৰ ব্যাসৰ ১০৯.১ গুণ।

প্ৰতি বছৰে ৩ জানুৱাৰী দিনা পৃথিৱী আৰু সূৰ্যৰ মাজৰ দূৰত্ব আটাইতকৈ কম হয়। প্ৰতি বছৰে ৪ জুলাইৰ দিনা সূৰ্য আৰু পৃথিৱীৰ মাজৰ দূৰত্ব আটাইতকৈ বেছি হয়।

**সূৰ্যৰ পৰিয়াল ঃ**

নটা গ্ৰহ, কেবাটাও উপগ্ৰহ, অলেখ গ্ৰহানু, ধূমকেতু আৰু উল্কাৰে আমাৰ সূৰ্যৰ পৰিয়ালটো গঠিত। ১৭৮১ চনত উইলিয়াম হাৰ্শ্চেলে ইউবেনাচ গ্ৰহটোৰ সন্ধান পায়। ১৮৯৬ চনত বেৰিয়াৰ আৰু আদামে নেপচুন গ্ৰহটো আৱিষ্কাৰ কৰে। বিজ্ঞানীসকলে মন কৰি আহিছিল যে ইউৰেনাছ গ্ৰহটোৰ ওপৰত নেপচুনৰ বাহিৰেও আন কিহবাৰ টান পৰে। পাছি আৰু লোৱেন নামৰ দুজন বিজ্ঞানীয়ে হিচাপ কৰি কলে যে নেপচুনৰ সিপাৰেও আন এটা গ্ৰহ আছে। ১৯৩০ চনত আমেৰিকাৰ ফ্লেগষ্টাজ বীক্ষণাগাৰৰ বিজ্ঞানী সকলে প্লুটো গ্ৰহটো আৱিষ্কাৰ কৰে। প্লুটো গ্ৰহৰ সিফালেও আৰু এটা গ্ৰহ থাকিব বুলি বহুতে ভাৱে; কিন্তু এই কথাৰ কোনো ভাল প্ৰামাণ পোৱা নাই।

**উল্কাবোৰো সূৰ্যৰ পৰিয়ালৰে ঃ**

উল্কাবোৰো সূৰ্যৰ পৰিয়ালৰে বাসিন্দা। ইহঁতেও দল বান্ধি সূৰ্যৰ চাৰিওফালে ঘূৰে। একোটা ধূমকেতুৱে সূৰ্যৰ চাৰিওফালে ২০০ বাৰমান ঘূৰাৰ পাছত সি ভাগি ছিগি শেষ হৈ যায়। তাৰ টুকুৰাবোৰ সূৰ্যৰ চাৰিওফালে ঘূৰি ফুৰে। কেতিয়াবা পৃথিৱীৰ ওচৰেৰে পাৰ হৈ যাওতে তাৰে কিছুমান পৃথিৱীয়ে গালৈ টানি আনে। পৃথিৱীৰ বায়ুমণ্ডলত ঘঁহনি খাই সেইবোৰ জ্বলি উঠে। তাকে আমি পপীয়া তৰা বা উল্কা বুলি কওঁ। সিহঁতৰ বেছিভাগেই বায়ুমণ্ডলত পুৰি শেষ হৈ যায়, কিন্তু কিছুমান উল্কা ইমান ডাঙৰ যে সিহঁত পৃথিৱীৰ গাত সৰি পৰে। তেনেদৰে সৰি পৰা শিলাখণ্ড পৃথিৱীৰ কেবা ঠাইতো পোৱা গৈছে।

**সূৰ্যটো মৰিব নেকি ?**

আন আন তৰাৰ দৰে আমাৰ সূৰ্যটোৰো এদিন মৃত্যু হব। সূৰ্যৰ হাইড্ৰজেনখিনি পুৰি পুৰি এদিন শেষ হ'ব। ই এটা ৰঙা দানৱ তৰা হৈ পৰিব। সেই তাপ আৰু পোহৰত পৃথিৱীৰ জীৱজন্তু আৰু গছ-গছনি একেবাৰে পুৰি শেষ হ'ব। সাগৰৰ পানী উতলি ভাপ হৈ যাব। হয়তো পৃথিৱীখনেই ধ্বংস হৈ যাব। তাৰ পাছত ভিতৰৰ শক্তি উৎপন্ন কৰা পদাৰ্থবোৰ শেষ হ'ব। তেতিয়া ই কুঁচি মুচি এটা 'বগা বাওনা' তৰা হৈ পৰিব। শেষত হয়তো সি পোহৰ নিদিয়া ক'লা তৰা হৈ পৰিব। সেয়ে সূৰ্যৰ বাবে মৃত্যু। এতিয়া সূৰ্যটোৱে মাজ বয়সত ভৰি দিছে। এতিয়াৰ পৰা চাৰিশ কৌটি বছৰ মান পাছতহে ই বুঢ়া হৈ মৰিব।

চিন্তা নকৰিব। নকৰিবা, তেতিয়ালৈ এতিয়াও বহু দিন বাকী।

----------------:::----------------

# নতুন আলোকৰ সন্ধানত

**মধুলাল শৰ্মা**
স্নাতক ২য় বৰ্ষ (কলা)

অনাদিকালৰ পৰাই মানুহ বিভিন্ন সমস্যাৰ সন্মুখীন হৈ আহিছে যদিও বিজ্ঞানৰ প্ৰভাৱত বৰ্তমান যুগত জন্মহাৰ, খাদ্য, স্বাস্থ্য, অৰ্থনীতি, শিক্ষা, কৰ্মসংস্থান, পৰিবহন, কলা-কৃষ্টি, সংস্কৃতি, ৰাজনীতি, বাসস্থান, কৃষি, শিল্প, ব্যৱসায় বাণিজ্য, জন বিণ্যাস ইত্যাদি সমস্যাবোৰ সমাধানৰ পৰিবৰ্তে আৰু বেছি জটিল হৈ উঠিছে। এই সমস্যা সমূহৰ সুস্থ সমাধানৰ বাবে মানুহে নিজৰ সকলো শক্তি আৰু সামৰ্থ্য প্ৰয়োগ কৰি আহিছে। ইয়াৰে ফলত বিভিন্ন যুগত জগতৰ বুকুত কেতিয়াবা দেখা দিছিল জীৱনৰ বিজয় উল্লাস আৰু কেতিয়াবা ধ্বংসৰ তাণ্ডৱ নৃত্য। কিয়নো সমস্যা সমাধানৰ বাবে হাতে কলমে উঠি পৰি লগা মানুহৰ অভাৱ নহয় - অভাৱ হ'ল সুচিন্তিত সৰ্বাত্মক কল্যাণ প্ৰসু বিহিত পন্থা নিৰ্দ্ধাৰণ কৰা ত্ৰিকালজ্ঞ তত্ব দ্ৰষ্টা পুৰুষৰহে। এনে পুৰুষৰ অভাৱত মানুহে নিজ বুদ্ধিৰ জোলোঙাৰ পৰা যি পথ নিৰ্ণয় কৰে তাত ফুটি উঠে মতভেদ, দলাদলি, বিশৃংখলা, ব্যভিচাৰ, অশান্তি, উৎপীড়ন শেষ পৰ্যন্ত ধ্বংস কাণ্ডও। সমাজৰ উত্থান নিৰ্ভৰ কৰে জীৱন নীতিৰ ধাৰক আৰু পৰিচালকৰ ওপৰত। যুগৰ প্ৰয়োজনত এওঁলোকৰ হয় আৱিৰ্ভাৱ। জগতৰ গুৰু অৱতাৰ কল্প এই মহামানৱ সকল দৰাচলতে সমগ্ৰ মানৱ সমাজৰে ত্ৰাণকৰ্তা।

বিভিন্ন যুগৰ অৱতাৰী মহাপুৰুষ সকলে দি যোৱা অৱদানেৰে সমৃদ্ধ বৰ্তমান জগত কিন্তু পাশ্চত্য সভ্যতাৰ পৰশ পোৱা শিক্ষিত সকলো শ্ৰেণীৰ মানুহ আজি জড় বিজ্ঞানৰ জয়গানত মুখৰিত, দিনক দিনে মানুহে প্ৰযুক্তি আৰু কাৰিকৰী বিদ্যাৰ সহায়ত জীৱন নিৰ্বাহৰ মানদণ্ড উন্নত কৰিবলৈ ধৰিছে; কিন্তু যিমানে দিন আগবাঢ়ি গৈছে সিমানে মানুহে সুখ - শান্তি, আনন্দ লাভৰ পথ বিচাৰি বিভ্ৰান্ত হৈছে; জড় বিজ্ঞানৰ শক্তিত মতলীয়া হোৱা আজি গণজীৱনত সুখৰ ঠাইত দুঃখ, শান্তিৰ ঠাইত অশান্তি আৰু আনন্দৰ পৰিবৰ্তে আতংকৰ মাত্ৰা বাঢ়ি গৈছে। ঠায়ে ঠায়ে জীৱন, ধন সম্পতি ৰক্ষাৰ্থে আমদানি কৰিছে ভয়াবহ মাৰনাস্ত্ৰ। ঘৰে - বাহিৰে, দেশে - বিদেশে, জীৱনৰ বিভিন্ন স্তৰত দেখা যায় স্বামী - স্ত্ৰীৰ মিল নাই, মিল নাই ভায়ে ভায়ে, সন্তানে নামানে মাক বাপেকক, ছাত্ৰই নামানে শিক্ষকক, শ্ৰমিকৰ আন্দোলন ধনিকৰ বিৰুদ্ধে, প্ৰজাৰ আন্দোলন ৰজাৰ বিৰুদ্ধে, গণতন্ত্ৰ আৰু অহিংসা নীতিত বিশ্বাসী সমাজবাদী দেশ আৰু আন্তৰ্জাতিক ক্ষেত্ৰত কিমান ধৰণৰ মেল হ'ল, চুক্তি সম্পাদনা হ'ল, কমিটি গঠন হ'ল, অৰ্থনৈতিক পৰিকল্পনা লোৱা হ'ল, বৈঠক আৰু আলোচনা চলিল, বিধি বিধানৰ ওলট পালট হল; কিন্তু মানুহৰ মনত শান্তি নাই। পেটত ভাত নাই, পিন্ধিবৰ কাপোৰ নাই, বস্তু বাহানিৰো জুইজ্বলা দাম, তাকো প্ৰয়োজন অনুপাতে পাবলৈ নাই। বুদ্ধিজীৱিৰ ক্ষমতা লাভৰ ৰাজনৈতিক ষড়যন্ত্ৰৰ কবলত পৰি আৰু প্ৰশাসন যন্ত্ৰৰ ব্যৰ্থতাত বাস্তুহাৰা হৈ কিমান মানুহে যে নিৰাপত্তা বিচাৰি অনাই বনাই ঘুৰি ফুৰিছে! জীৱিকা অৰ্জনৰ পথত পেটে ভাতে চলিব নোৱাৰা অৱস্থা ; স্বাৰ্থলোলুপ, আত্মকেন্দ্ৰিক সংকীৰ্ণমনা

ব্যক্তিৰ চক্রান্তত অস্বস্তি আৰু অশান্তিৰ ধোৱাত মানুহৰ চকু পানী নুগুচা হৈছে। এনে পৰিস্থিতিত সাধু সন্ন্যাসীৰ দলে নাম কীৰ্তণৰ কোলাহলে গীতা - ভাগৱত, কোৰাণ, বাইবেল পাঠে মানুহৰ মতি গতিৰ কোনো পৰিবৰ্তন ঘটাব নোৱাৰিলে, মানুহক দিব নোৱাৰিলে মিলা - প্ৰতিৰ পথ, ৰক্ষা কৰিব নোৱাৰিলে সমাজক ভাঙোন পথৰ পৰা। পৰিস্থিতি যেতিয়া মানুহৰ ক্ষমতাৰ বাহিৰত, অৱস্থা যেতিয়া এনে সংকটাপন্ন ইয়াৰ পৰা ত্ৰাণ কৰিবৰ উদ্দেশ্যেই সংকটমচনী শক্তিৰ ঘণীভুত ৰূপো হয় প্রকট। এই মহান শক্তিৰ আবিৰ্ভাবৰ প্ৰাক্কালত সমাজৰ যি শোচণীয় অৱস্থা তাৰ বাস্তৱ ছবি আজিৰ পৰা পাঁচ শতাব্দীৰ আগতেই সেই যুগৰ দ্ৰষ্টা পুৰুষ শ্ৰী মন্ত শংকদেৱে এনেদৰে বৰ্ণাইছে —

" বেদপথ এৰি কৰিবন্ত অসুৰ।
বাদে বিমোহিয়া যজ্ঞ কৰিবন্ত দূৰ।।
অসুৰ স্বভাৱ হৈব মনুষ্য যতেক ।
ধৰাইব পাষণ্ড পথ তাহাক প্ৰত্যেক।।
মোহ হুয়া ভকতিক কৰিব ধিক্কাৰ।
আনসে কৰিব কৰ্ম্মহুয়া অনাচাৰ ।।
হৰি বিমুখক কৰি ভ্ৰমিব ভূমিত।
ন চাহিব লোকে আপোনাৰ হিতাহিত।।
হৈবেক আকুল ধন নাৰীৰ আক্ৰোশে।
বেদ বিধি বিমুখ হৈবেক দিনে দিনে।
নহৈব ধৰ্মত মতি অধৰ্মত বিনে।।
ম্লেছ সব হৈব পৃছিথৰীৰ অধিকাৰ।
নকৰিব সুখ - দুঃখ বিচাৰ প্ৰজাৰ।।
লোভে মোহে আকুল নচাইব গুণ দোষ।
সদায় কৰিব মাত্ৰ ধনত আক্ৰোশ।।
( নিমিনৰ সিদ্ধ সংবাদ)

এনেকুৱা সমস্যা সংকুল অৱস্থা এইবাৰ নতুন নহয় - পৃথিৱীৰ বুকুত এনে পৰিস্থিতি বহুবাৰ সংঘটিত হোৱা বুলি বিভিন্ন যুগৰ ইতিহাসে কয়। অৱশ্যে প্ৰতিটো যুগৰ সমস্যা ৰাজিৰ প্ৰকাশ ভংগীৰ তাৰতম্য পৰিলক্ষিত হয় যদিও সেই পৰিস্থিতিবোৰত একো একোজন বৈশিষ্ট্য পালী মহাপৰিপুৰণকাৰী লোক দৰদী পুৰুষৰ প্ৰেৰণাত গণজীৱনত উত্থানমুখী গতিৰ সৃষ্টি হোৱা দেখা যায়। কালক্ৰমত এনেকুৱা বিশেষ পুৰুষৰ অবিহনে যথোপযুক্ত পৰিচালনা আৰু প্ৰেৰণাৰ অভাৱত জীমন - বৃদ্ধিৰ মান বা চেতনা কমি আহি আহি লোপ পোৱাৰ উপক্ৰম হয়। ঠিক এনে সময়তেই ত্ৰিকালজ্ঞ মহাপুৰুষৰ আৱিৰ্ভাব হয়। এওঁৰ বিধান মতে চলিলে সকলো সমস্যাৰ নিৰসন হয়। কিয়নো এই ত্ৰিকালজ্ঞ মহাপুৰুষজনাৰ সৃষ্টি ৰহস্য সকলো জনা থাকে বুলিয়েই তেওঁ সমস্যা সমূহৰ মুৰ্ত সমাধান, যি কোনো অৱস্থা বা পৰিস্থিতি সুনিয়ন্ত্ৰন কৰা কৌশল তেওঁৰ অপৰিসীম মহৰ্ষি পতঞ্জলিয়ে তেওঁৰ যোগদৰ্শনত এই বিশেষ পুৰুষ জনাৰ বিষয়ে - " তত্ৰ নিৰতিশয়ং সৰ্ব্বজ্ঞত্ব বীজম" অৰ্থাৎ তেৰেঁই সৰ্ব বিষয়ক জ্ঞানৰ আধাৰ বুলি অভিমত প্ৰকাশ কৰিছে। গুৰু চৰিততো পোৱা যায় —

" যিটো পৰব্ৰহ্ম হয় আকাৰ ৰহিত।
অতীব কোনো ৰূপ নাই কাদাচিত।।
শংকৰে বুলিলা বাণী নিৰাকাৰ সত্য হয়।
জীৱৰ তৰণ হেতু আকাৰ লভয়।।
অৱতাৰে নাম ৰূপ গুণ প্ৰকাশয়।
সি সবক চিন্তি লোকে সংসাৰ তৰায়।।
আকাৰ নহলে চিন্তিবাৰ হেতু নাই।
আকাৰ বিহনে নাই তৰণৰ উপায়।।
( -ৰামচৰ্ণ ঠাকুৰ)

আকৌ এই শ্লোকত, " কেবলং নৰৰূপেন তাৰয়ন্নখিলং জগৎ।
শিক্ষয়ল্লোঁক যাত্ৰাঞ্চ কৌলো বিৰহিত ক্ষিতৌ।।"

পৰমাত্মাৰ মূৰ্ত প্ৰতীক এই ব্ৰহ্মজ্ঞ পুৰুষ জনাই জীৱন যাত্ৰাৰ সকলো কৌশল নিজে আচৰণ কৰি দেখুৱাই দি আৰু আনকো শিকাই দি মানৱক সমস্যা মুক্ত কৰি তোলে। এই সত্য দ্ৰষ্টা পুৰুষজনাক বাদ দি মানুহে যেতিয়া নিজৰ ক্ষুদ্ৰ জ্ঞান আৰু বুদ্ধিৰ দ্বাৰা পৰিচালিত হ'ব ধৰে - তেতিয়াই সৃষ্টি হয় সমস্যাৰ পিচত সমস্যা।

বৰ্তমান যুগৰ জটিল সমস্যা ৰাজিয়ে যি মহা সংকটৰ সৃষ্টি কৰিছে এই সময়ত স্বয়ং কল্কি অৱতাৰৰ আৱিৰ্ভাব তাৰ সমাধানৰ পথ উন্মুক্ত কৰিব বুলি শ্ৰী মদ্ভাগৱতত পৰিস্কাৰ ৰূপে বৰ্ণনা কৰা আছে; গতিকে জীৱন বৃদ্ধিৰ কামী, মংগল লিপ্স, ব্যক্তি মাত্ৰৰেই প্ৰয়োজন সেই নৰৰূপী ভগৱান অৱতাৰ জনক বিচাৰি লোৱা। এই অৱতাৰ জনক বিচাৰি লোৱাৰ সংকেতো মহাপুৰুষজনাই দি থৈ গৈছে —

" অৱতাৰ হবে পুনঃ দেবনাৰায়ণ।
সাধুগণ পৰিত্ৰাণ কৰিতে তখন।।
ব্ৰাহ্মণেৰে শিৰোমণি বিষ্ণুযশা নাম
সম্ভল নামেতে যথা বিষ্ণুযশা গ্ৰাম।।
কল্কিৰূপে অৱতাৰ হবে দয়াময়।
অষ্টৈশ্বৰ্য্য গুণান্বিত জানিবে নিশ্চয়।।
দেবদত্ত অশ্বেতিনি কৰি আৰোহন।
সকল ধৰণী সুখে কৰিব ভ্ৰমণ।।
অপ্ৰসিত বলশালী কান্তি মনোহৰ।
দুষ্টেৰ দমন তাহে হবে নিৰন্তৰে।।
অবনীতে কল্কি যেবে হবে অৱতাৰ।
তখনে জগতে হবে সত্যেৰ সঞ্চাৰ।।"

— শ্ৰী মদ্ভাগৱত (দ্বাদশ স্কন্ধ)

যীশুৱে এই সম্পৰ্কে মানুহক সতৰ্ক কৰি দি কৈছে যে - "Watch therefore, for ye know not what hour your lord doth come, Be also ready for such an hour as ye thime not the son of men cometh".

বৰ্তমানৰ যিমান দুখ কষ্ট, গণ্ডগোল - সমস্যা, সকলোৰে মুল কাৰণ হ'ল মানুহৰ প্ৰবৃত্তিকেন্দ্ৰিকতা, সংকীৰ্ণস্বাৰ্থলোলুপতা। ইয়াৰ কবলত পৰি মানুহে নিজেও কষ্ট পায়, পৰিবেশকো বিব্ৰত কৰি তোলে। নানা তৰহৰ আকৰ্ষণে মানুহৰ জীৱনলৈ আনিছে বহুমুখীনতা, বহু অনৰ্থ আৰু ভ্ৰান্তি।

ইয়াৰ নিৰসন কল্পে এক তন্ত্ৰ, এক মন্ত্ৰ, এক উপাসনাৰ জৰিয়তে শুদ্ধ ধৰ্মৰ প্ৰকৃত স্বৰূপ প্ৰকাশ কৰাৰ অভিপ্ৰায়েৰে অমূল্যৰত্নত স্বয়ং শংকৰদেৱে এই পৰম ৰহস্যৰ কথা প্ৰকাশ কৰিলে --

" মহাস্নেহে তাহাংক বুলিহ বাণী।
কলিৰ অন্তত মই জন্মিব আপুনি।।
যত অংশ আছে মই নিব স্বৰূপত।
তোৰা সবো সবে মোৰ চলিবা লগত।।
হেন শুনি মহাৰংগভেলা ভক্তগণ।
যাইবো তযু সংগে সবে প্ৰভু নাৰায়ণ।।
কলিৰাজে তিনিশ বৰিষ প্ৰমাণ।
এহি বুলি তাৰা সবে গৈল নিজ স্থান।।
সেহি সময়ত মই জন্মিব হৰিষি।
তাতে আহি শুদ্ধধৰ্ম কহিব প্ৰকাশি।।"

( — অমূল্যৰত্ন)

এই চমু আভাষৰ পৰা জানিব পাৰি যে নিশ্চয় অবতাৰ আবিভূত হৈছে নৰদেহে, কিন্তু সমস্যা বিধ্বস্ত মানৱ মনে তেওঁ পালেও সহজে স্বীকৃতি দিব নোখোজে। মনৰ সৰ্ববিধ সংকীৰ্ণতাৰ বেৰ ভাঙি আকূলভাৱে যি সকলে তেওঁক বিচাৰে তেওঁলোকেহে পায় সেই সত্যপুৰুষৰ প্ৰকৃত পৰিচয়।

( সহায় লৈ)

সহায়ক গ্ৰন্থ ঃ হোমেশ্বৰ কাকতি দেৱৰ সম্পাদনা ১। আগমবাণসী
২। শ্ৰীমদ্ভাগৱত
৩। অমূল্য ৰত্ন ।।

# হৰিদ্ৰা ঃ এক বৈজ্ঞানিক আৰু সামাজিক মূল্যায়ন

**দিপ্শালী ডেকা,**
প্ৰবক্তা,উদ্ভিদবিজ্ঞান বিভাগ

মানৱ জীৱনৰ আধাৰ খাদ্য, বস্ত্ৰ আৰু আবাস এই তিনিওবিধৰ মূল উৎস যে উদ্ভিদ - এইকথা সৰ্বজনবিদিত। উদ্ভিদজগতখনক বাদ দি প্ৰাণীজগতৰ অস্তিত্ব প্ৰায় অসম্ভৱ। হয়তো সেয়েহে প্ৰাচীন মানৱে গছ - গছনিৰ মোল বাৰুকৈয়ে বুজিছিল। পৌৰাণিক যুগৰ ঋষি - মুনিসকলেও দৈনন্দিন জীৱনত প্ৰয়োজন হোৱাখিনি ব্যৱহাৰ কৰাৰ বাহিৰে অনাহকত কোনো উদ্ভিদৰ অনিষ্ট সাধন নকৰি এইবোৰৰ কেনেকৈ আপডাল কৰিছিল তাৰ উল্লেখ প্ৰাচীন কাব্য - মহাকাব্যসমূহত পোৱা যায়। কেৱল সংৰক্ষণৰ উদ্দেশ্য আগত ৰাখিয়েই হয়তো আঁহত, বট, পলাশ, শাল, আম, ডিমৰু, পাকৰি, কঁঠাল, বকুল, বেল, সমিধ আদিৰ দৰে অসংখ্য উদ্ভিদ প্ৰজাতিত পুৰণিকালত দেবত্ব আৰোপ কৰা হৈছিল।

পৃথিৱীৰ বিভিন্ন অঞ্চলৰ মানুহৰ বাবে বিভিন্ন প্ৰকাৰৰ মূখ্য খাদ্য যোগান ধৰাৰ উপৰিও নানান প্ৰকাৰৰ শাক - পাচলি, ফল - মূল, তন্তু, কাঠ, ৰবৰ, টেনিন, প্ৰাকৃতিক ৰঞ্জক, তেল, শৰ্কৰা, সুগন্ধিকাৰক, ৰেজিন, গাম, নিচাযুক্ত দ্ৰব্য, মা - মচলা ইত্যাদি মানৱ জাতিৰ স্মৃতিয়ে ঢুকি নোপোৱা কালৰ পৰাই যোগাই আহিছে উদ্ভিদে। ইয়াৰ উপৰিও উদ্ভিদে আগবঢ়োৱা মানৱসেৱা তথা প্ৰাণীজগতৰ সেৱাৰ অন্য এক মুখ্য দিশ হৈছে প্ৰাকৃতিক চিকিৎসা। বিভিন্ন প্ৰকাৰৰ ঔষধি উদ্ভিদসমূহে মানুহৰ ভিন ভিন প্ৰকাৰৰ ৰোগ নিৰাময় কৰাত সহস্ৰ বছৰ পূৰ্বৰ পৰাই অনবদ্য বৰঙণি যোগাই আহিছে। এই ঔষধি উদ্ভিদসমূহৰ দেহৰ নিৰ্দিষ্ট অংশ যেনে - শিপা, কাণ্ড, মৃদ্গাত কাণ্ড, বাকলি, কাঠ, পাত, ফুল, ফল, বীজ আৰু অন্যান্য অংশৰ পৰা অন্যান্য প্ৰাণীক সৰলৰ পৰা জটিললৈ ভিন ভিন শৰীৰজনিত সমস্যাৰ পৰা উদ্ধাৰ কৰিব পাৰে তাৰ বিশদ বিৱৰণ আয়ুৰ্বেদ শাস্ত্ৰসমূহত পোৱা যায়।

সমগ্ৰ পৃথিৱীত কেইবাহেজাৰো অধিক ঔষধি উদ্ভিদ পোৱা যায়। এই উদ্ভিদসমূহৰ বেছিভাগেই বনৰীয়া আৰু ইয়াৰে অতি কম সংখ্যকৰহে খেতি কৰা হয়। বিভিন্ন প্ৰকাৰৰ ঔষধি উদ্ভিদসমূহৰ দেহৰ নিৰ্দিষ্ট অংশ যেনে - শিপা, কাণ্ড, মৃদ্গাত কাণ্ড, বাকলি, কাঠ, পাত, ফুল, ফল, বীজ আৰু অন্যান্য অংশৰ পৰা ঘৰুৱা পদ্ধিতৰ সহায়ত ঔষধ প্ৰস্তুত কৰি পাৰিপাট্য বৰ্জিত (Crude) অৱস্থাত সেৱন কৰাই ৰোগীক আৰোগ্য কৰাৰ ব্যৱস্থা প্ৰাচীন কালৰ পৰাই মানুহে মানি চলি আহিছে। ঔষধি উদ্ভিদসমূহৰ কলাত (tissue) বিভিন্ন ৰাসায়নিক দ্ৰব্যৰ নিৰ্দিষ্ট প্ৰকাৰৰ শাৰীৰিক ক্ৰিয়া কৰাৰ ক্ষমতা নিহিত হৈ থকাৰ বাবে ই বিশেষ ঔষধি গুণ লাভ কৰে। এই ৰাসায়নিক দ্ৰব্যসমূহৰ ভিতৰত বিভিন্ন প্ৰকাৰৰ

এলকেলয়ড (alkaloids) আৰু কাৰ্বন যৌগ, হাইড্ৰ'জেন, অক্সিজেন, নাইট্ৰ'জেন, বিভিন্ন গ্লুকচাইড, অত্যাৱশ্যকীয় তেল, চৰ্বিজাতীয় দ্ৰব্য, টেনিন, ৰেজিন, মিউচিলেজ, গাম ইত্যাদিৰ নাম বিশেষভাবে উল্লেখ কৰিব পাৰি। এই দ্ৰব্যসমূহৰ ভিতৰত কিছুমান বেছ শক্তিশালী বিষাক্ত পদাৰ্থ আৰু সেইবাবে কেৱল অতি সুদক্ষ আৰু অভিজ্ঞ চিকিৎসককেহে এইবোৰ সঠিকভাবে ব্যৱহাৰ কৰাটো সম্ভৱপৰ হয়। এনে হাজাৰ হাজাৰ ঔষধি উদ্ভিদৰ ভিতৰত অন্যতম এবিধ অতি গুৰুত্বপূৰ্ণ অথচ আমাৰ সকলোৰে চিৰ পৰিচিত উদ্ভিদ হৈছে হালধি, যাক সংস্কৃতত "হৰিদ্ৰা" আৰু ইংৰাজীত Turmeric বুলি কোৱা হয়। হালধি এবিধ বহুবৰ্ষজীবী শাকবনজাতীয় উদ্ভিদ। zingiberaceae গোত্ৰৰ অন্তৰ্ভুক্ত এই উদ্ভিদবিধৰ বৈজ্ঞানিক নাম হৈছে curcuma longa Linn ইয়াৰ কাণ্ড মৃগদত - ৰাইজমজাতীয় (অৰ্থাৎ সম্পূৰ্ণ মাটিৰ তলত থাকি পথালিকৈ বাঢ়ি যোৱা মঙহাল প্ৰতিকূলজীৱী ৰূপান্তৰিত কাণ্ড)। ইয়াৰ ৰাইজ'ম (Rhizome) চুটি, শকত, মঙহাল, উজ্জ্বল হালধীয়া বৰণৰ আৰু এই অংশৰ পৰাই ব্যৱসায়িক ক্ষেত্ৰত ব্যৱহৃত হালধি আহৰণ কৰা হয়। ইয়াৰ ৰাইজ'মৰ পৰা ওলোৱা পাতবোৰে মাটিৰ ওপৰত থূপ পাতি অৱস্থান কৰে। পাতবোৰ দীঘল দীঘল ঠাৰিযুক্ত আৰু এই ঠাৰিৰ উচ্চতা ৬০ ৰ পৰা ৯০ ছেঃমিঃ পৰ্য্যন্ত হয়গৈ। পাতল গোলাপী ৰঙৰ সহ পত্ৰই (bracts) আবৃত কৰি ৰখা শেতাঁ হালধীয়া বৰণৰ ফুলবোৰ সজ্জিত হৈ থকা পুস্পবিন্যাসটোৰ দৈৰ্ঘ্য দহৰ পৰা ওঠৰ ছেঃ মিঃ লৈকে হোৱা দেখা যায়। অঙ্গজ প্ৰজননৰ (vegetative propagation ) জৰিয়তে ইয়াৰ বংশবৃদ্ধি হয়। গোন্ধ আৰু সুন্দৰ ৰঙৰ বাবে ব্যঞ্জন ৰন্ধনত. দৈনন্দিন ব্যৱহৃত হালধি এবিধ উল্লেখযোগ্য মচলা বুলি সকলোৱে জানে। ভাৰতবৰ্ষত ইয়াক Saffron

বা জাফ্ৰংৰ দৰে ব্যৱহাৰ কৰা হয়।

পৌৰাণিক সংস্কৃত ভাষাৰ ৰচনাসমূহত "হালধি" বা "হৰিদ্ৰা"ৰ উল্লেখ আছে। ভাৰবৰ্ষত বহুযুগ আগৰপৰাই বেজ - কবিৰাজসকলে হালধি বিভিন্ন উপায়ে ব্যৱহাৰ কৰি আহিছে। এই চিকিৎসকসকলে মূখ্যত ঃ হজমশক্তি বৃদ্ধি, শাৰীৰিক শক্তি বৃদ্ধি, ৰক্তশুদ্ধি আৰু পাকস্থলী শক্তিশালী কৰাৰ উদ্দেশ্যে হালধিক ঔষধৰূপে বিধান কৰিছিল।

হালধিৰ উৎপত্তিস্থল হৈছে দক্ষিণ আৰু দক্ষিণ - পূব এচিয়া। তাহানি দিনৰ পৰাই হালধিৰ খেতি ভাৰতবৰ্ষতো কৰা হয়। খ্ৰীষ্টাব্দ সপ্তম শতিকাৰ আগতেই ই চীনলৈ প্ৰসাৰিত হোৱাৰ প্ৰমাণ পোৱা যায়। ভাৰতবৰ্ষৰ মহাৰাষ্ট্ৰ, পশ্চিমবঙ্গ, তামিলনাডু, অন্ধ্ৰপ্ৰদেশ আৰু উৰিষ্যাত প্ৰচুৰ পৰিমাণে হালধিৰ খেতি কৰা হয়। অসমতো কিছু পৰিমাণে ইয়াৰ খেতি কৰা হয়।

বৈজ্ঞানিক বিশ্লেষণৰ পৰা জনা যায় যে হালধিত পানী ১৩·১%, প্ৰটিন ৬৩%, চৰ্বি ৫·১%, খনিজ লৱন ৩·৫%, ফাইবাৰ ২·৬%, আৰু কাৰ্বহাইড্ৰেট ৬৯·৪%, নিহিত হৈ থাকে।

ইয়াত খনিজ লৱণ আৰু খাদ্যপ্ৰাণ হিচাবে কেলচিয়াম, ফচ্‌ফৰাচ, আইৰণ, কেৰ'টিন আৰু থায়েমাইন থাকে। ইয়াৰ কেলৰিমূল্য হৈছে ৩৪৯ ( তিনিশ উনপঞ্চাশ)।

হালধিত কাৰ্‌কুমিন্ · আৰু এবিধ অত্যাৱশ্যকীয় তেল থাকে। ইয়াৰ শুকান ৰাইজমৰ পৰা ৫৮%, অত্যাৱশ্যকীয় তেল আহৰণ কৰিব পৰা যায়। কিন্তু কেঁচা হালধিৰ পৰা মাত্ৰ ০·২৪%, তেলহে পোৱা যায় আৰু এই তেলত জিন্‌জিবাৰিন (Zingiberine) মিহলি হৈ থাকে। বাষ্পীয় পাতনৰ জৰিয়তে ইয়াৰপৰা কিটন আৰু এলকহল পাব পৰা যায়।

### ঔষধ হিচাপে হালধিৰ ব্যৱহাৰঃ

হালধিত অজস্ৰ ঔষধি গুণ সন্নিবিষ্ট হৈ আছে। ইয়াৰ ৰাইজ'ম সুগন্ধি, প্ৰতিষেধক, উত্তেজক আৰু শক্তিবৰ্দ্ধক। ই পেটত গেছ জমা হৈ সৃষ্টি হোৱা পেটফুলা ৰোগৰ পৰা নিষ্কৃতি প্ৰদান কৰে। সমস্ত পাচন প্ৰক্ৰিয়াটো স্বাভাবিকভাবে চলি থকাত ই যথেষ্ট সহায় কৰে বাবে ব্যঞ্জন ৰন্ধনত ইয়াক ব্যৱহাৰ কৰা হয়, কেৱল ৰঙৰ বাবে নহয়। ই হিষ্টিৰিয়া, ধনুষ্টংকাৰ, ড্ৰপচি, আলচাৰ আৰু মূত্ৰাশয়ৰ ৰোগ নিৰাময়ত বহুলভাবে ব্যৱহৃত হয়।

হালধি অন্ত্ৰৰ (intestine ) বাবে এক উচ্চমানবিশিষ্ট প্ৰতিষেধক। কেঁচা হালধিৰ ৰস নাইবা হালধিৰ গুৰি বিশুদ্ধ পানীৰ লগত অথবা এঁৰা গাখীৰৰ চামনিৰ লগত মিহলাই কিছুদিন নিয়মিত খালে অন্ত্ৰৰ সকলো সমস্যা দূৰ হয়। এই চিকিৎসাই বিশেষকৈ বহুদিন একেৰাহে ভোগা ডায়েৰিয়া ৰোগ সম্পূৰ্ণৰূপে নিৰাময় কৰে।

২০ টোপাল কেঁচা হালধিৰ ৰসৰ সৈতে সামান্য নিমখ মিহলাই ৰাতিপুৱা শুদাপেটত খালে পেলুৰ আক্ৰমণৰ পৰা হাত সাৰি থাকিব পাৰি। হালধিত যথেষ্ট পৰিমাণৰ আইৰণ থাকে বাবে এনিমিয়া বা ৰক্তহীনতা ৰোগৰ পথ্য হিচাবে ই বৰ মূল্যবান। এনিমিয়া ৰোগৰ নিৰাময়ৰ বাবে এচামুচ ( চাহচামুচেৰে) কেঁচা হালধিৰ ৰসৰ লগত এচামুচ বিশুদ্ধ মৌ মিহলাই প্ৰত্যেকদিনে ৰাতিপুৱা শুদাপেটত নিয়মিতভাবে খাব লাগে।

সৰু আইৰ (Measles ) চিকিৎসাত এইবিধ উদ্ভিদ বিশেষ ফলদায়ক। ইয়াৰ বাবে প্ৰথমে হালধিৰ শিপা ৰ'দত শুকুৱাই মিহিকৈ গুড়ি কৰি লোৱা হয়। তাৰপিছত দহটোপাল বিশুদ্ধ মৌ, চাৰিটোপাল তিতাকেৰেলাৰ পাতৰ ৰস আৰু আধাচামুচ ( টেবুলচামুচেৰে) হালধিৰ শিপাৰ গুড়ি মিহলাই খুৱালে সৰু আইৰ ৰোগীয়ে অতি সোনকালে আৰোগ্যলাভ কৰিব পাৰে।

হাঁপানী (Asthma) ৰোগৰ চিকিৎসাত হালধি বৰ মূল্যবান ঔষধ হিচাপে ব্যৱহৃত হয়। এগিলাচ এঁৰা গাখীৰৰ সৈতে এচামুচ হালধিৰ গুড়ি মিহলি কৰি দিনে দুই বা তিনিবাৰকৈ কিছুদিন নিয়মিত খালে হাঁপানী ৰোগ সম্পূৰ্ণৰূপে নিৰাময় হয়। অৱশ্যে শুদাপেটত খালেহে ইয়াৰ পৰা সম্পূৰ্ণ সুফল আশা কৰিব পাৰি।

অতি উচ্চমানৰ প্ৰতিষেধক গুণযুক্ত হোৱা বাবে কফৰোগ আৰু ডিঙিৰ খিচ্‌খিচনিত ভোগা বেমাৰত হালধি উত্তম ঔষধ। মিহিকৈ পিহি লোৱা আধাচামুচ কেঁচাহালধিৰ লগত ৩০ মিঃ লিঃ গৰম এঁৰা গাখীৰ মিহলাই খালে এই ৰোগ আৰোগ্য হয়। এইক্ষেত্ৰত গাখীৰ আৰু হালধিখিনি মিহলাই কম জুইত বেছিসময় উতলাই ঔষধখিনি প্ৰস্তুত কৰা হয়।

বহুদিন একেৰাহে পানীলগা বেমাৰত ভুগি থাকিলে শুকান হালধি এডোখৰ পুৰি তাৰ ধোঁৱাখিনি দীঘল উশাহ লৈ শুঙিলে ৰোগ তৎক্ষণাৎ নিৰাময় হয়, কাৰণ এনে কৰিলে ভিতৰত জমা হোৱা শেঙুন নাকেৰে অবিৰত গতিত বাহিৰলৈ ওলাবলৈ ধৰে আৰু অতি সোণকালে ৰোগীয়ে সুস্থ অনুভৱ কৰিব পাৰে।

এচামুচ হালধি গুড়িৰে সৈতে চামুচ আজৱাইনৰ গুড়ি গৰম পানীত ভালকৈ মিহলাই ঠাণ্ডা কৰি লৈ ইয়াৰে ৩০ মিঃ লিঃ কৃথৰ সৈতে এচামুচ মৌজোল মিহলাই দিনে তিনিবাৰকৈ খুৱালে কেঁচুৱা আৰু শিশুসকলৰ চৰ্দ্দিৰোগ সোণকালে আৰু সহজে নিৰাময় হয়।

শৰীৰৰ কোনো অংশ মোচোকা খাই ফুলি উঠিলে তাত হালধি গুড়ি, চুণ আৰু নিমখৰ মিশ্ৰণৰ লেপন লগালে সোনকালে আৰাম পোৱা যায়।

বিষফোঁহা সোণকালে শুকুৱাত হালধি বৰ সহায়ক ঔষধ। হালধিৰ কিছু পৰিমাণৰ শুকান শিপা পুৰি তাৰ ছাই একাপ পৰিস্কাৰ পানীত মিহলি কৰি পেষ্টৰ দৰে দ্ৰব্য তৈয়াৰ কৰি বিষফোঁহাৰ ওপৰত লগালে ফোঁহা অতি সোণকালে পকি ফাটি যায় আৰু ভিতৰত ইতিমধ্যে জমা হোৱা পূঁজ আদি বাহিৰ হোৱাৰ ফলত ঘাঁ সোণকালে ভাল হয়।

৬ গ্ৰাম হালধিৰ গুড়ি আধালিটাৰ পানীত মিহলাই উতলাই ২৫০ মিঃ লিঃ কৰি লৈ ঠাণ্ডা হোৱাৰ পিছত ওপৰে ওপৰে ফট্‌ফটীয়া পানীখিনি সংগ্ৰহ কৰিব লাগে। প্ৰতিদিনে চাৰিবাৰকৈ ইয়াৰে ফট্‌ফটীয়া পানী দুটোপালকৈ চকুত দিলে চকুৰ ঘাঁ সোণকালে ভাল হয়।

বাৰীৰ শাক -পাচলিত কেতিয়াবা বিছা, মোৱাপোক নাইবা অইন পোকপৰুৱা লাগি যথেষ্ট অনিষ্ট সাধন কৰা দেখা যায়। দুই লিটাৰ পানীত ১০০ গ্ৰাম হালধি গুড়ি মিহলি কৰি স্প্ৰে কৰি দিলে এনে পোক পৰুৱাৰ আক্ৰমণৰ পৰা হাতসাৰিব পাৰি। বাৰিষা বতৰত পিৰুবাৰ উৎপাতত ঘৰত একো খোৱাবস্তু ৰাখিব নোৱাৰা হোৱাটো বহুতৰ বাবে এক সমস্যা। এইক্ষেত্ৰতো নিৰ্দিষ্ট ঠাইবোৰত হালধিৰ গুড়ি ছটিয়াই থলে পৰুৱাৰ উৎপাতৰ পৰা ৰক্ষা পাব পৰা যায়। ঘৰৰ চৌহদত যাতে সাপ প্ৰবেশ কৰিব নোৱাৰে তাৰবাবেও এই একেপদ্ধতি বহুতে অৱলম্বন কৰে।

ফাৰ্মাচী আৰু খোৱাবস্তু প্ৰস্তুত কৰা কাৰখানাত, ইয়াক ৰঞ্জক পদাৰ্থ হিচাপে ব্যৱহাৰ কৰা হয়। ঘাঁ সোণকালে শুকুৱাত হালধি উত্তম প্ৰাকৃতিক সামগ্ৰী হোৱা বাবে শৰীৰৰ কটা চিঙা অংশ ঢাকি ৰাখিবলৈ সকলোৱে সততে ব্যৱহাৰ কৰি অহা Band aid ও বৰ্তমান Turmeric band aid অলৈ উন্নীত কৰা হৈছে।

## অঙ্গৰাগৰ উপাদানৰূপে হালধি ঃ

প্ৰকৃতিত স্বাভাৱিকভাবে লাভ কৰিবপৰা বিভিন্ন সামগ্ৰী, বিশেষকৈ বিভিন্ন উদ্ভিদজাত ৰং আৰু সম্ভাৰেৰে নিজকে ৰুচিসন্মতভাবে সজাই - পৰাই যিমানদূৰ সম্ভৱ সুন্দৰ কৰি তোলাৰ বাসনা কম বেছি পৰিমাণে প্ৰত্যেক ব্যক্তিৰে মনত জীৱনৰ এক নিৰ্দিষ্ট পৰ্য্যায়ত প্ৰৱল হৈ উঠে। যুগৰ সৈতে সামঞ্জস্য ৰাখি এই সৌন্দৰ্যচৰ্চা নামৰ সূক্ষ্মকলাবিধৰ প্ৰয়োগৰ পুনৰাবৃত্তি হৈ আহিছে। সভ্যতাৰ প্ৰাৰম্ভণি কালৰপৰাই দেহসজ্জাৰ বিভিন্ন প্ৰাকৃতিক কৌশল আয়ত্ব কৰি লৈ মানুহে নিজকে অধিক সুন্দৰ কৰি তোলাৰ প্ৰয়াস কৰি অহাৰ প্ৰমাণ ইতিহাসৰ পাত লুটিয়ালে পোৱা যায়। ওঁঠ, গাল ৰঙচুৱা কৰিবলৈ,

শৰীৰৰ ছাল নিমজ আৰু নিখুঁত কৰিবলৈ, চুলি ঘন - নিমজ - কলীয়ামেঘ বৰণীয়া আৰু সুদীৰ্ঘ কৰিবলৈ কিমান যে ভিন ভিন প্ৰকাৰৰ উদ্ভিদজাত সামগ্ৰী তাহানি দিনৰ পৰাই মানুহে ব্যৱহাৰ কৰি আহিছে তাৰ সূক্ষ্মাতিসূক্ষ্ম বৰ্ণণা প্ৰাচীন গ্ৰন্থসমূহত স্পষ্টভাৱে পোৱা যায়। শৰীৰৰ বিভিন্ন অঙ্গৰ সৌন্দৰ্য চৰ্চাত ব্যৱহৃত হোৱা বিভিন্ন উদ্ভিদৰ ভিতৰত প্ৰধানসমূহ হ'ল - জেতুকা, মণিচাল, জবাফুল, মাটিমাহ, চন্দন, নেমুটেঙা, তিঁয়হ, কপালফুটা লতা, পলাশ, তিল, মহানিম ................ আৰু বহুতো। পিছে এই আটাইবোৰৰ বাহিৰেও ছালৰ সৌন্দৰ্য চৰ্চাৰ বাবে ব্যৱহৃত হোৱা ঘাই উদ্ভিদবিধ হৈছে হালধি।

হালধিৰ কেঁচা, সতেজ ৰাইজ'মৰ পৰা ওপৰে ওপৰে পাতল বাকলিখিনি গুচাই ভিতৰৰ বিশুদ্ধ হালধীয়া সাহখিনি পৰিষ্কাৰ কৰি লৈ বেচ মিহিকৈ পিহি ল'ব লাগে। পেষ্টৰ দৰে হৈ পৰা এই হালধিখিনিৰ ৫০ গ্ৰামৰ লগত বিশুদ্ধ পেৰা সৰিয়হৰ তেল চাহ চামুচেৰে এচামুচ মিহলাই গা ধোৱাৰ আগতে গোটেই শৰীৰত সানি আধা ঘণ্টামান ৰাখি তাৰপিছত পৰিষ্কাৰ পানীৰে ভালদৰে ধুই পেলাব লাগে। একেৰাহে এসপ্তাহ এনে কৰিলে শৰীৰৰ ৰং পূৰ্বতকৈ বহুগুণে উজ্জ্বল হৈ পৰে আৰু লগতে বাহিৰৰ পৰা হ'ব পৰা যিকোনো ধৰণৰ সংক্ৰামকতাৰ পৰা ছালক সুৰক্ষা দিয়ে।

প্ৰত্যেকদিনে ৰাতিপুৱা শুদাপেটত চাহচামুচেৰে দুচামুচ কেঁচা হালধিৰ ৰসৰ সৈতে এচামুচ বিশুদ্ধ মৌজোল মিহলাই খোৱাৰ পিছত অন্ততঃ আধাঘণ্টা সময় অন্য কোনো বস্তু খাব নালাগে। এনে কৰিলে মুখৰ ছাল অত্যন্ত মসৃন হৈ পৰে, শালময়না ওলোৱা বন্ধ হয় আৰু পূৰ্বৰ শালময়নাৰ দাগ নোহোৱা হৈ পৰে।

দুচামুচ মিহিকৈ পিহি লোৱা কেঁচা হালধিৰ লগত এচামুচ মিহিকৈ ঘঁহি লোৱা চন্দন ভালদৰে মিহলাই মুখত প্ৰলেপ লগাই অন্ততঃ আধাঘণ্টা সময় ৰাখি তাৰপিছত পৰিষ্কাৰ পানীৰে ভালদৰে ধুই পেলাব লাগে। এই পদ্ধতি সপ্তাহত অন্ততঃ দুবাৰ মানি চলিলে শালময়না ওলোৱাৰ পৰা হাত সাৰি থাকিব পৰা যায় আৰু ই সঁচাকৈয়ে ছালক এক অভূতপূৰ্ব কোমলতা প্ৰদান কৰে।

৫০ গ্ৰাম কেঁচা হালধিৰ সৈতে পৰিষ্কাৰকৈ ধুই লোৱা ২৫ গ্ৰাম তুলসীৰ পাত মিহলাই অত্যন্ত মিহিকৈ একেলগে পিহি লৈ তাত ভালকৈ ঘঁহি লোৱা এচামুচ চন্দন মিহলি কৰি লব লাগে। এই মিশ্ৰণৰ লেপন মুখত লগাই এঘণ্টা পিছত নিৰ্মল পানীৰে মুখখন ধুই পেলালে মুখৰ ছাল বেছ নিমজ আৰু দাগবিহীন হৈ পৰে। এই পদ্ধতিটোৱে ছালৰ পুৰণি দাগ উঠোৱাত বিশেষ কাম দিয়ে। সেয়েহে বৰ্ত্তমান বজাৰত পোৱা বিভিন্নধৰণৰ ছালৰ সৌন্দৰ্যবৰ্দ্ধক সামগ্ৰী আৰু চাবোন যেনে Vicco turmeric cream, Himani gold cream, Vasmol cream, Pears turmerrric cream, Santoor soap, Nikhar soap, Nima soap আৰু বহুতত উপাদান হিচাপে অতি উচ্চশতাংশ পৰিমাণৰ হালধি থাকে।

## অসমীয়া জনজীৱনৰ অপৰিহাৰ্য সামগ্ৰীৰূপে হালধি ঃ

অসমৰ জনজীৱনৰ এটা মুহূৰ্তও যেন প্ৰকৃতিক বাদ দি পাৰ হোৱা সম্ভৱ নহয়। প্ৰকৃতি আৰু জীৱনৰ সম্পৰ্ক অংগাংগী হোৱা হেতুকেই হয়তো অসমীয়াৰ অন্তৰৰ আবেগ - অনুভূতিৰ

বিভিন্ন উত্থান - পতনৰ মাজে মাজে প্ৰকৃতিৰ প্ৰসঙ্গয়েই পনুঃ পুনঃ ভুমুকি মাৰে। অইনহে নেলাগে অসমীয়া জতুৰা ঠাঁচ, ফকৰা - যোজনা তথা বিহুৱা ডেকা - ডেকেৰীৰ হিয়া - উজাৰি ওলাই অহা স্বতঃস্ফূৰ্ত্ত বিহুগীতবোৰেই ইয়াৰ ভূৰি ভূৰি দৃষ্টান্ত দিবলৈ যথেষ্ট। প্ৰকৃতিয়েই যে অসমীয়া জনজীৱনৰ হৃৎপিণ্ড তাৰ সঠিক প্ৰমাণ বিহুগীতৰ উপৰিও বনগীত, বিয়াগীত, বাৰমাহী গীত, আইনাম - ক'ত পোৱা নাযায়?

অসমীয়া কৃষ্টি - সংস্কৃতিৰ সৈতে জড়িত বিভিন্ন গছ - লতিকাৰ ভিতৰত অন্যতম এবিধ উদ্ভিদ যে হালধিও তাক নুই কৰিব নোৱাৰি। কেৱল যে ঔষধ হিচাপে, ৰন্ধনৰ উপাদান হিচাপে নাইবা সৌন্দৰ্য্য চৰ্চাৰ মাধ্যম ৰূপেহে হালধি অসমীয়াসকলৰ দৈনন্দিন জীৱনৰ সৈতে জড়িত এনে নহয়, হালধি অসমীয়া সমাজৰ কৃষ্টি - সংস্কৃতিৰ সৈতেও তাহানি দিনৰ পৰাই ওতঃ প্ৰোতভাবে জড়িত হৈ আহিছে। হালধিক বাদ দি অসমৰ হিন্দু সমাজৰ আনুষ্ঠানিক বিয়া নহয়, ৰঙালী বিহুটি হয় আধৰুৱা আনকি নীতি অনুযায়ী মৃতদেহৰ সৎকাৰো সম্ভৱ নহয়। অসমীয়া হিন্দু সমাজৰ বিবাহ অনুষ্ঠানত দৰা - কইনাক নোৱাওতে গাত আৰু মূৰত হালধি সনাটো এটা অপৰিহাৰ্য্য নিয়ম - অন্যথা আনুষ্ঠানিক বিবাহ প্ৰথাই অসম্পূৰ্ণ। দৰা - কইনা নোওৱাৰ সময়ত কৰা হালধিৰ ব্যৱহাৰৰ উল্লেখ সেইখিনি সময়ত গোৱা বিয়াগীতত পোৱা যায় —

প্ৰথমতে মাহ দিবা মাজন্ত শিৰত
হালধিৰে ৰক্ষা সানি ঘঁহিবা দেহত।

নামনি অসমত কইনা পাটীত বহা সময়ত গোৱা বিয়াগীততো ইয়াৰ উল্লেখ আছে —

পাটীত বহি নামায়ে সৰু সূতা কাটে
ঐ ৰাম ৰাম ৰূপৱাল চলাহে,
ৰূপৱাল চলাতে হালধি লাগিছে
ঐ ৰাম ধোবালৈ খবৰ দিয়াহে।

দৰা নোৱাবৰ সময়ত নামনি অসমত গায় —

সনাৰে বাটিতে মাহ যে হালধি,
ৰূপাৰে বাটিতে তেল,
কাষত কলসী লৈ কন্যাগণে,
বৰকে ধুৱাবা গেল।

আনুষ্ঠানিক বিবাহ প্ৰথাত অসমীয়া হিন্দু সমাজত হালধিৰ ব্যৱহাৰ যে কেতিয়াবাৰ পৰাই এটি নিয়মৰূপে পালিত হৈ আহিছে তাৰ আভাস অসমীয়া লোকগীততো পোৱা যায়—

লুইতে এৰিলে দীঘলে এসুঁতি
দিহিঙে এৰিলে কুল
কাচন কুঁৱৰী ফুলতে বাৰী হ'ল
হালধিৰ নুগুচিল বোল।
(মণিকোঁৱৰৰ গীত)

হালধিৰ ব্যৱহাৰ অবিহনে আমাৰ বাপতি সাহোন ৰঙালী বিহুটিও যেন আধৰুৱা। মানুহ বিহুৰ দিনা ডেকা - গাভৰু, বুঢ়া - মেথা নিৰ্বিশেষে প্ৰতিজন অসমীয়াই মাহ - হালধি গাত সানি স্নান কৰা প্ৰথাটো কেবাশ বছৰৰ আগৰ পৰাই এক পবিত্ৰ নিয়মৰূপে পালন কৰি আহিছে। দিনৰ দিনটো কাম কাজ কৰি আঁতাই আঁহৰি নোপোৱা অসমীয়াই সৌন্দৰ্য চৰ্চা কৰিবলৈ অথবা নিজকে ভালে ৰাখিবলৈ স্বাভাৱিকতে অৱহেলা কৰে বাবেই হয়তো বিয়াই - বিহুৱে এনেবোৰ সৌন্দৰ্যবৰ্দ্ধক উদ্ভিদ ব্যৱহাৰ কৰিবলৈ পূৰ্বপুৰুষসকলে নিয়ম বান্ধি থৈ গৈছে।

প্ৰাচীন যুগৰপৰাই কাৰোবাৰ গাৰ অতি সুন্দৰ, দিপ্তীময় বৰণৰ বৰ্ণণা কৰিবলৈ অসমীয়াই কেঁচা

হালধিৰ বৰণৰ সৈতেহে ৰিজনি দি আহিছে, এইকথা বিহুগীতৰ মাজেৰে প্ৰকাশ পাইছে --

গালৈনো কি চাবা হালধি বৰণে
চকু দুটা সৰগৰ তৰা
মুখলৈনো কি চাবা দোলাৰে দাপোণে
কঁকালটি বীণৰে নলা।

অসমীয়া গাভৰুৱে সৌন্দৰ্য চৰ্চা কৰিবলৈ পুৰণি দিনৰ পৰাই কেঁচা হালধি ব্যৱহাৰ কৰি অহাৰ প্ৰমাণ বিহুগীতত পোৱা যায়--

হাত মেলি হালধি ঘঁহিলি মালতী
ভৰি মেলি ঘঁহিলি তেল
চুবুৰীয়াৰ তালৈ গৈ শুনিবি মালতী
তোৰ ৰং ৰূপৰেই মেল।

বিহুগীতত উল্লিখিত অন্যান্য গছ - গছনিৰ মাজত বহুসময়ত হালধিৰো উল্লেখ পোৱা যায়--

পৰ্বতৰ ঢেঁকীয়া লিহিৰি পতীয়া
হালধিৰ ঢপলা পাত
ধুনীয়া ডেকালৈ ছোৱালী নিদিবা
খাবলৈ নোজোৰে ভাত।
................ইত্যাদি।

অসমীয়া জনসমাজত, বিশেষকৈ হিন্দুসকলৰ ঘৰত শিশুৰ জন্ম হ'লে পাঁচদিনৰ দিনা কৰা গণনা উৎসৱত হালধি এক অপৰিহাৰ্য সামগ্ৰী হিচাপে ব্যৱহৃত হয়। নবজাতকৰ ঘৰখনৰ প্ৰত্যেকৰে আনকি গোহালিৰ গৰু - গাইৰো গাত গণনা উৎসৱৰ দিনা কেঁচা হালধি সনা হয়। এই প্ৰথা বহু শ বছৰৰ আগৰ পৰাই পৰম্পৰাগতভাৱে যে চলি আহিছে তাৰ উল্লেখ শ্ৰীকৃষ্ণৰ জন্মোৎসৱৰ বৰ্ণণা থকা ভাগৱতৰ দশম স্কন্ধত স্পষ্টভাৱে পোৱা যায় --

****

গোৱালগণত বৰ আনন্দ মিলিল।
ধেনু বৎস বৃষক হালধি তৈল দিল।।

গোপ- গোপীসকলে শ্ৰীকৃষ্ণৰ জন্মৰ আনন্দত যে হালধিৰে সৈতে তেল আৰু পানী মিহলাই ফাকুখেলৰ দৰে খেল খেলিছিল তাৰ উল্লেখ ভাগৱতৰ দশম স্কন্ধৰ নন্দোৎসৱ আখ্যানটিত এনেদৰে পোৱা যায় --

****

হালধিৰ গুণ্ডি তৈল পানী মিসলাই।
অন্যো অন্যে সিঞ্চে গোবিন্দৰ গুণ গাই।।

গতিকে সেইদিনধৰি সমগ্ৰ ভাৰতবৰ্ষতে সাধাৰণ হিন্দুলোকসকলৰ ঘৰতো শিশুৰ জন্ম হ'লে এইদৰে হালধিৰ গুড়ি, তেল আৰু পানী মিহলাই পৰস্পৰৰ মাজত ফাকুখেলৰ দৰে মহা উপভেগ্য খেল খেলা প্ৰথাচলি আহিছে।

অসমীয়া হিন্দুসমাজত মৃত্যুৰ দিনাও মৃতকৰ গাৰ পুৰণি কাপোৰ কানি সলাই দি মাহ হালধিৰে মৃতদেহক স্নান কৰাই মৃতকৰ আত্মাৰ সদ্গতি কামনা কৰি শেষ সেৱাটি জনোৱা হয় আৰু তাৰ পিছতহে মৃতদেহৰ শ্মশান যাত্ৰা আৰম্ভ কৰা হয়।

নামনি অসমত দৌলোৎসৱৰ দিনা গোসাঁইৰ বিগ্ৰহ নোৱাওঁতেও হালধি ব্যৱহাৰ কৰাটো অপৰিহাৰ্য। সেইদিনাখন মাহ -হালধিৰে নোৱাই শুদ্ধি কৰি গোসাঁইৰ বিগ্ৰহ পুনৰ স্থাপন কৰা হয়।

উচ্চবৰ্ণৰ হিন্দুসকলৰ "উপনয়ন" নামৰ পবিত্ৰ অনুষ্ঠানটিত নবগুণ (লগুণ) ধাৰণ কৰাবলগীয়া ল'ৰাজনক প্ৰথমে মাহ - হালধি গাত সানি স্নান কৰাই শুচি কৰি লোৱাৰ পাছতহে বাকী শাস্ত্ৰীয় মাঙ্গলিক কাৰ্যসমূহ আৰম্ভ কৰা হয়।

ব্ৰাহ্মণ, ক্ষত্ৰিয় আৰু বৈশ্য এই তিনিবৰ্ণৰ শিশুসকলক কৰোৱা "চূড়াকৰণ" অনুষ্ঠানতো প্ৰকৃত

মাঙ্গলিক কাৰ্যখিনি আৰম্ভ কৰাৰ পূৰ্বে শিশুটিৰ গাত মাহ - হালধি সানি পবিত্ৰভাবেৰে স্নান কৰাই লোৱা হয়।

কন্যা পুষ্পিতা হ'লে ঠাইবিশেষে চতুৰ্থ নাইবা সপ্তম দিনা কেঁচা হালধি গাত সানি স্নান কৰাইহে শুচি কৰি লোৱাটো এক পৰম্পৰাগত নিয়মৰূপে হিন্দুসকলে তাহানিৰপৰাই পালন কৰি আহিছে।

একবিংশ শতিকাৰ দুৱাৰডলিত থিয়হৈ আধুনিক মানৱে বিজ্ঞানৰ বহুতো ন ন আবিষ্কাৰ, চমকপ্ৰদ প্ৰযুক্তি কৌশল আৰু চিকিৎসা বিজ্ঞানৰ ক্ষেত্ৰত অনেক বৈপ্লৱিক পৰিবৰ্তন প্ৰত্যক্ষ কৰিছে। লগে লগে প্ৰাকৃতিক পৰিবেশ সচেতনতা, উদ্ভিদেই হওক বা প্ৰাণীয়েই হওক প্ৰাকৃতিক সম্পদৰাজিৰ সংৰক্ষণৰ গুৰুত্বও অপৰিসীমভাবে বৃদ্ধি পাইছে। পাৰ্শ্ব - প্ৰতিক্ৰিয়া সংঘটনকাৰী বহুতো অত্যাধুনিক দৰবৰ প্ৰতি আসক্তিৰ বিপৰীতে আধুনিক মানৱৰ চিন্তা - চৰ্চা, গৱেষণা আৰু জিজ্ঞাসা - অনুৰাগ পৰ্যবসিত হৈছে বনৌষধি ব্যৱহাৰ ক্ষেত্ৰলৈ। সেই দৃষ্টিকোণেৰে বিচাৰ কৰিলে দেখা যায় যে হালধি বা হৰিদ্ৰাৰ গুৰুত্ব অতি অসাধাৰণ। ধৰ্মীয় ৰীতি - নীতি আৰু সামাজিক পৰম্পৰাৰ সৈতে জড়িত ব্যৱহাৰখিনিৰ বাহিৰেও ৰোগ নিৰাময়ৰ কাৰক হিচাপে অথবা সৌন্দৰ্য চৰ্চাৰ উপাদানৰূপে ব্যৱহাৰ কৰিবলৈ আমাৰ চিৰ পৰিচিত তথা অতি সহজলভ্য হালধি এডৰানো আমাৰ বাৰীৰ চুকত কেলেই আটোমটোকাৰীকৈ নোৰোওঁ?

সহায়ক পুথি ঃ

1. Herbs that heal - Natural Remedies for Good Health by H.K. Bakhru.

2. অসমীয়া লোকগীত সঞ্চয়ন - compiled and edited by Dr. Hemanta kr. Sarmah.

3. বিহুগীত আৰু বনঘোষা - ড° লীলা গগৈ।

---- ঃঃঃঃঃ ----

# " গীনিজ বুক "

মিচ্ কৌশল্যা ৰাভা
স্নাতক ২য় বৰ্ষ (কলা)

এই পৃথিৱীত বহুতো আচৰিত অথচ সঁচা ঘটনা যুগে যুগে ঘটি আহিছে। গীনিজ বুক হ'ল এনে এখন কিতাপ, যিখন কিতাপত সংকলিত হৈ আছে বিশ্বৰ যিকোনো চমক প্ৰদ ঘটনা, বিশ্বৰ সৰ্বোৰ্চ্চ ৰেকৰ্ড আৰু পৃথিৱীৰ বিভিন্ন প্ৰন্তত ঘটা বিষ্ময়কৰ ঘটনা। এই গীনিজ বুকৰ সম্পুৰ্ণ নাম হ'ল 'গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ডছ।' বিশ্বৰ এই বিষ্ময়জনক কিতাপখনৰ জন্মদাতা হল ছাৰ হিউজ বিভাৰ নামৰ এজন ভদ্ৰলোক। ১৯৫৫ চনৰ ২৭ আগষ্টত গীনিজ বুক প্ৰথম প্ৰকাশিত হয়। ১৯৮ পৃষ্ঠাৰ এই গীনিজ বুকৰ প্ৰস্তাৱনা সংখ্যাটো প্ৰকাশ হোৱাৰ লগে লগে ই বিশ্বজুৰি এক আলোড়নৰ সৃষ্টি কৰে। পিছৰ বছৰ অৰ্থাৎ ১৯৫৬ চনত গীনিজ বুকৰ প্ৰথম সংস্কৰণ প্ৰকাশিত হয়। ছাৰ হিউজৰ লগত বিশ্বৰ বিভিন্ন প্ৰান্তৰ বিস্ময়কৰ সংবাদ আৰু নানা তথ্য সংগ্ৰহত নামি পৰিছিল নৰিছ আৰু হুটিয়ান নামৰ দুজন ভদ্ৰলোকে। গীনিজ বুকৰ বাবে বিভিন্ন বিস্ময়কৰ সংবাদ সংগ্ৰহৰ বাবে কেইবাটাও দপ্তৰ বহুৱা হৈছিল। এই দপ্তৰবোৰ নৰিছ আৰু হুটিয়ানে পৰিচালনা কৰিছিল। বিশ্বৰ প্ৰতিজন মানুহৰ অতি প্ৰিয় এই গীনিজ বুক সম্প্ৰতি কেইবাটাও ভাষাত প্ৰকাশিত হৈ আছে। ইতিমধ্যে ২৬০ টাৰো অধিক সংস্কৰণ।



# মামনি ৰয়ছম গোস্বামীৰ উপন্যাস নীলকণ্ঠী ব্ৰজ

**হৰকুমাৰ নাথ**
প্ৰৱক্তা, অসমীয়া বিভাগ

'নীলকণ্ঠী ব্ৰজ' মামণি ৰয়চম গোস্বামীৰ দ্বিতীয় উপন্যাস। উপন্যাসখন ১৯৭৬ চনত প্ৰকাশিত। সামাজিক চেতনা সম্পন্ন বিষয়বস্তুৰে এই উপন্যাসখন গতানুগতিকতাৰ পৰা ফালৰি কাটি আহি নতুন আংগিকৰ ৰূপ পৰিগ্ৰহ কৰিছে। ইয়াৰ কেন্দ্ৰীয় চৰিত্ৰ সৌদামিনী এজনী অকাল বিধৱা সৌদামিনীৰ মনৰ ক্ৰিয়া - প্ৰতিক্ৰিয়া লগতে অইন কেতবোৰ অস্পষ্ট অথচ সমাজৰ প্ৰতিভু স্বৰূপ চৰিত্ৰৰ সমাৱেশ ঘটিছে। উপন্যাসখনৰ পটভূমি 'ব্ৰজধাম' বা মথুৰা। যি মথুৰা বা ব্ৰজধাম হিন্দু সকলৰ এখন পৱিত্ৰ তীৰ্থস্থান ৰূপে পৰিচিত হৈ আহিছে। ব্ৰজধামৰ বৰ্ত্তমানৰ স্বৰূপ, দোষগুণ, সৌন্দৰ্য্য আৰু কদৰ্য্যতাৰ ৰূপ কাব্যিক ভাষাৰে বৰ সুন্দৰকৈ উপস্থাপন কৰিব পাৰিছে। ধৰ্মৰ নামত চলা আচাৰ ব্যৱহাৰ তথা ক্ষয়িষ্ণু ৰূপ; আনপিনে সংৰক্ষনশীল হিন্দু সমাজৰ অমানবীয় তথা কদৰ্য্যতাৰ ৰূপ স্পষ্টকৈ অংকিত হৈছে। তাহানি দিনৰ পৰা ঈশ্বৰৰ শতগুণ উচ্চাৰিত চাৰিওফালে কেৱল দাৰিদ্ৰতা আৰু হৃদয়হীন পশুতুল্য মানুহৰ অতি নগ্নৰূপ।

ডাক্তৰ ৰায়চৌধুৰী আৰু পত্নী অনুপমাৰ শেষ বয়সত ব্ৰজবাস কৰাৰ বহুদিনৰ আকাঙ্খা আছিল। ব্ৰজত তেওঁলোকে শান্তিৰে বাস কৰিব পাৰিব বুলি ধাৰনা আছিল। সৌদামিনী তেওঁলোকৰ একমাত্ৰ জীয়ৰী। সৌদামিনীক লৈয়ে তেওঁলোকৰ আশা - আকাংক্ষা ; কিন্তু ভাগ্যই তেওঁলোকৰ ওপৰত কুঠাৰাঘাত কৰিলে। তেওঁলোকৰ একমাত্ৰ জীয়ৰী সৌদামিনী অকালতে বিধবা হ'ল। কোমল বয়সতে জীয়েকৰ দুৰ্দ্দশা দেখি ডাক্তৰ ৰায়চৌধুৰী আৰু পত্নী অনুপমা ভাগি পৰিল। আনপিনে সৌদামিনীয়ে নিজৰ জীৱন - যৌৱনক আওঁকান কৰিব নোৱাৰিলে। তাই এজন খৃষ্টান যুৱকৰ সৈতে মিলা - প্ৰীতি আৰম্ভ কৰিলে। ডাক্তৰ ৰায়চৌধুৰীৰ পৰিয়ালে এই সম্পৰ্ক মানি লববলৈ টান পালে। তেওঁলোকৰ বাবে এয়া এক অবিশ্বাস্য কাহিনী। সৌদামিনীৰ মাক অনুপমাই জীয়েকৰ চিন্তাত শাৰিৰীক তথা মানসিক দুয়োফালে দুৰ্ব্বল হৈ পৰিল। ডাক্তৰ ৰায়চৌধুৰীৰ আজোককাকৰ বন্দাবনত এখন চিকিৎসালয় আছিল। ভগ্নপ্ৰায় চিকিৎসালয়খন সজীৱ কৰি তোলাৰ হাবিয়াস; আনপিনে বৃন্দাবনত থাকিলে সৌদামিনীৰ মনৰ কিজানিবা পৰিবৰ্ত্তন আহে এই ভাবি সপৰিয়ালে এদিন বৃন্দাবন অভিমুখে ৰাওনা হ'ল।

সৌদামিনীয়ে ব্ৰজধামৰ এই আচহুৱা জীৱনৰ সৈতে নিজকে খাপ খুৱাবলৈ চেষ্টা চলালে। স্বভাৱতে কৌতুহলী প্ৰকৃতিৰ সৌদামিনীয়ে বৃন্দাবন - ব্ৰজধামৰ ৰাধেশ্যামীহঁতৰ জীৱন, ন-পুৰনি মন্দিৰবোৰ, পুৰনি মন্দিৰৰ ভগ্নাৱশেষ, বিশ্বমঙ্গল, মুক্ত, অদ্বৈতবট, শৃঙ্গাৰ বট, সাক্ষীগোপাল আদি সকলো চাই ফুৰিলে। কেইদিনমানৰ পিছত ডাক্তৰ ৰায়চৌধুৰীয়ে

চিকিৎসালয়ৰ কাম আৰম্ভ কৰি দিলে । মাক অনুপমাই সৌদামিনীৰ মনৰ পৰিবৰ্তন আনিবলৈ দেতঘৰী বাবা, সাধুসন্ন্যাসী, মথ মন্দিৰ আদি দৰ্শন কৰাই জীয়েকৰ মনৰ পৰিবৰ্তন আনিবলৈ চেষ্টা চলায়।

ব্ৰজত ৰায়চৌধুৰীৰ পৰিয়ালটো অইন সকলোৰে লগত তাৰ অঙ্গ হৈ পৰিল। সৌদামিনীয়ে ভাবিছিল দিন বাগৰি যোৱাৰ লগে লগে তাইৰ মনৰ কিছু পৰিবৰ্তন হ'ব; কিন্তু কোনো পৰিবৰ্তন নহ'ল। দেউতাক ডাক্তৰ ৰায়চৌধুৰীৰ লগত থাকি ধাত্ৰীৰ সকলো খিনি কাম কৰিব পাৰিছিল, তাই এই পথালি কোলাকৰি কুষ্ঠৰোগীবোৰক আনি বিচনাত শুৱাই ঘাবোৰ ধুই পখালি দিবলৈও কোনো কুণ্ঠাবোধ নকৰিলে। কিন্তু সময়ৰ লগে লগে এই কামেয়ো সৌদামিনীক আমুৱাই পেলালে। মহিয়সী নাৰীৰ দৰে তাই এই কাম কৰিব নোৱাৰে। তাই এজনী সাধাৰণ নাৰীহে। তাইৰো এটি স্বাধীনচেতীয়া মন আছে। খৃষ্টান যুৱকজনৰ পৰা এনেকৈ আঁতৰাই ৰাখি তাইক দেউতাকৰ ইচ্ছা অনুযায়ী মহিয়সী নাৰীৰ এই কৰ্ম কৰিবলৈ দিয়াটোৰ তাই তীব্ৰ প্ৰতিবাদ কৰিলে। ডাক্তৰ ৰায়চৌধুৰীয়ে তেওঁৰ'গচ্ছিত' অৰ্থভাণ্ডাৰ অকৃপণ হাতেৰে চিকিৎসালয়খনৰ বাবে খৰচ কৰিবলৈ ধৰিলে। সৌদামিনী অথবা পত্নী অনুপমাৰ প্ৰতি থকা দায়িত্ববোধৰ কথাও পাহৰি গচল। চিকিৎসালয়খনত নিজকে সম্পূৰ্ণ বিলাই দিলে তেওঁ। সেয়ে অনুপমাই বিচাৰিচিল জীয়েকৰ যিহেতু বিশ্ববিদ্যালয়ে প্ৰদান কৰা এটা উচ্চ ডিগ্ৰী আছে, সেয়ে তাই শাহজী বালিকা স্কুলত খালি হৈ থকা পদত অথবা জ্ঞান গোদৰীৰ 'লক্ষ্মীবাই বালিকা মহাবিদ্যালয়ত কাম বিচাৰিলে হয়তো পাব পাৰে। ডাক্তৰ ৰায়চৌধুৰীয়ে চিকিৎসালয়খনৰ বাহিৰে সৌদামিনীলৈ একো থৈ যাব নোৱাৰে। শিল্পী চন্দ্ৰ ভানু ৰাকেশেয়ো বিচাৰিল সৌদামিনী মহিয়সী নাৰী হওঁক, ক্ষুদ্ৰ স্বাৰ্থ এৰি দিয়ক। দেউতাকৰ চিকিৎসালয়খনৰ ভাৰ লওঁক; কিন্তু সৌদামিনীয়ে অনুভৱ কৰিলে তেনে এক উচ্চ মনৰ অধিকাৰী যদি তেওঁ হ'লহেঁতেন তেন্তে এই দুৰ্দ্দশা আৰু মানসিক অস্থিৰতাই কুৰুকি কুৰুকি নাখালেহেঁতেন। সৌদামিনী সেই মাটিৰ তিৰোতা যাৰ দেহ-মন এতিয়াও ধূলি - মাকতিৰে ধূসৰিত হৈ আছে। পিছলৈ যে কিবা এটা কৰিব পাৰিব সেই বিষয়ো সৌদামিনীৰ সন্দেহ। শৈশৱৰ পৰাই এক অনন্য নৈৰাশ্যই তেওঁৰ লগত খেলা কৰি আছে। তেওঁৰ উশাহ-নিশাহ, আশা-নিৰাশা, হাঁহি কান্দোন সকলোৰে সৈতে একাত্ম হৈ আছে। বিবাহিত এটি বছৰৰ অনুভৱেই তেওঁক আজি জীয়াই ৰাখিছে। সেই এটা বছৰতেই তেওঁৰ আত্মাৰ মুক্তি ঘটিছিল আৰু আজি সেই সৌদামিনীয়ে মন্দিৰৰ দুৱাৰে দুৱাৰে ঘুৰি ফুৰিছে সেই এটা বছৰ ওভতাই পাবলৈ; কিন্তু দিনৰ পিছত দিন বাগৰি গৈছে আৰু পুৰণা কাপোৰৰ দৰে তেওঁৰ দেহ-মন বিবৰ্ণ হৈ আহিছে। স্বামীৰ মৃত্যুৰ পিছৰ সময় চোৱাত তেওঁ অনাই বনাই ঘুৰি ফুৰিবলৈ ভাল পাইছিল। সেয়ে এতিয়া অনুভৱ হৈছে তেওঁ যেন বহু যুগ অতিক্ৰম কৰি এক অচিনাকি যুগত ভৰি দিছে। সকলো কথাই সলনি হৈ গৈছে। বৃন্দাবনত তেওঁৰ আত্মাৰ সৈতে কাৰো সম্বন্ধ নাই আৰু তেওঁৰ মুৰৰ ওপৰতৰ আকাশখন সেইখন চাবলৈয়ো তেওঁৰ ভয় হৈছে।

ডাক্তৰ ৰায়চৌধুৰীৰ শৰীৰ লাহে লাহে পৰি আহিল। তেওঁক বৰকৈ শতাশ হোৱা দেখা গৈছে। তেওঁ যেন কুঁজা হৈ পৰিছে। চকুৰ দৃষ্টি অহৰহ তেওঁৰ ভৰিৰ জোতাৰ ওপৰত নিবন্ধ থকাৰ দৰে দেখা যায়। আগেয়েও তেওঁ বৰকৈ কথা নকৈছিল আৰু এতিয়া

তেওঁ মানুহৰ মুখৰ পিনে চাবলৈও যেন কুণ্ঠাবোধ কৰিব ধৰিলে। তেওঁ অনুভৱ কৰিলে সময়বোৰ যেন পাখি লগা কাঁড়ৰ দৰে গতি কৰিছে। পত্নী অনুপমাৰ নশ্বৰ দেহৰ অৱশান ঘটিবলৈ বেছি সময় নাই। খৃষ্টান প্ৰেমিকজনৰ লগত জীয়েকৰ মিলনৰ ক্ষেত্ৰত একমাত্ৰ অনুপমাহে প্ৰধান হেঙাৰ আছিল। খৃষ্টান প্ৰেমিকৰ লগত জীয়েকৰ মিলনৰ সময় হৈছে। সেয়ে তেওঁ সময় নষ্ট নকৰিলে। সৌদামিনীৰ কোঠালৈ আহি চাৰিওফালে চকুফুৰাই চাব ধৰিলে পিছত সৌদামিনীক কলে যে কামৰ ব্যস্ততাৰ বাবে সৌদামিনীৰ খা - খবৰ লবলৈ তেওঁ সময়েই পোৱা নাই। জীয়েকৰ প্ৰতি তেওঁৰ দায়বদ্ধতা আছে। মানুহৰ দেহৰ কোনো ভৰশা নাই। সেয়ে আকাৰে ইঙ্গিতে জীয়েকক বুজাবলৈ চেষ্টা কৰিলে - তাইৰ সেই বন্ধুজনলৈ এখন চিঠি লিখিছে তেওঁ। যুৱকজন ঠিক এই সময়ত ইয়ালৈ অহা অত্যন্ত প্ৰয়োজন। ডাক্তৰ ৰায়চৌধুৰীৰ খহটা হাতখন অনেক বাৰ সৌদামিনীৰ চুলিৰ ওপৰেৰে উঠা - নমা কৰি থাকিল। দেউতাকৰ এই আৱদাৰত সৌদামিনীৰ মনৰ মাজত এক আশাৰ সঞ্চাৰ হ'ল। এক নতুন উত্তেজনা। তেওঁ ভাবিছিল তাইৰ কিছুমান অনুভূতি শুকাই কৰ্কশ হৈ গৈছে; কিন্তু এয়া তেওঁৰ ভুল ধাৰনা আছিল।

সিদিনা আছিল অমাৱশ্যাৰ অন্ধকাৰ ৰাতি। ডাক্তৰ ৰায়চৌধুৰীয়ে হাতত এটা হেৰীকেন চাকি লৈ সৌদামিনীক মাতি কৈছে যে তেওঁৰ সেই বন্ধুজন আহিছে। এতিয়া যুৱকজন ঘাটৰ ওচৰৰ বৈষ্ণৱ ছত্ৰীত অপেক্ষা কৰি আছে। মাজনিশাৰ এই সময়টো বেয়া। তথাপি ডাক্তৰ ৰায়চৌধুৰীয়ে জীয়েকক নিৰ্দ্দেশ দিছে মাক অনুপমাই সাৰ পাই উঠাৰ আগতে জীয়েকে চাদৰ এখনেৰে গা - মুৰ ঢাকি যুৱকজনৰ ওচৰলৈ, যাবলৈ। হেৰীকেনৰ পোহৰত বাপেক জীয়েক দুয়ো ঘাটলৈ আগবাঢ়িল। শীতৰ সেমেকা বতৰ। হয়তো বৰষুণ দিব। ঘাট পাই ডাক্তৰ ৰায়চৌধুৰীয়ে জীয়েকক ঢিমিক - ঢামাক পোহৰৰ সেই নাওঁ খনলৈ যাবলৈ ক'লে। আৰু কলেযে তেওঁ তাতেই ঠিয় হৈ চাই থাকিব। বতাহৰ গতি বাঢ়ি আহিব ধৰিছে। সৌদামিনী নাওঁৰ ওচৰ পোৱাৰ লগে লগে খৃষ্টান যুৱকজন নামি আহিল। হাততধৰি সৌদামিনীক নাৱলৈ লৈ গ'ল। এখন মজবুত চৈ দিয়া নাওঁ। তথাপি বতাহত লৰি আছে। সৌদামিনীৰ ওচৰত বহি থকা মানুহজন এই মুহূৰ্তত একমাত্ৰ মানুহ। যাৰ শ্বাস-প্ৰশ্বাস আহি তাইৰ দেহত ঠেকা খাই ছেহি। সেই একমাত্ৰ মানুহটিৰ ওচৰত সৌদামিনীয়ে জীৱনৰ সমস্ত অৰ্থ বিচাৰি পাইছেনে নাই? নিজকে নিজে প্ৰশ্ন কৰিলে আৰু প্ৰশ্ন কৰিছে তেওঁৰ মৃত স্বামীৰ শৰীৰৰ উত্তাপ আৰু এই খৃষ্টান প্ৰেমিকজনক শৰীৰ উত্তাপৰ পাৰ্থক্য আছে নেকি! নাই একো পাৰ্থক্য নাই। খৃষ্টান প্ৰেমিকজনক স্পষ্টকৈ কলেযে এই পৱিত্ৰ ভূমিত তেওঁৰ বাহিৰে কোনো বস্তুয়ে সৌদামিনীক আকৰ্ষণ কৰা নাই।

লাহে লাহে বতাহৰ কোব বাঢ়ি আহিল। যমুনাৰ বালিৰ একোটা ঘুৰ্ণিয়ে চাৰিওফালে এক প্ৰচণ্ড হাহাকাৰৰ সৃষ্টি কৰিলে। সেই মুহূৰ্তত সৌদামিনীৰ খৃষ্টান যুৱকজনৰ লগত একাত্ম হৈ যাবলৈ অনন্ত বাসনাৰ উদ্ৰেক হ'ল। পিছ মুহূৰ্ততে তাই সকলো গাম্ভীৰ্য হেৰুৱাই কান্দিব ধৰিলে। প্ৰেমিকজনৰ স্পৰ্শ সেই একেবাৰে পুৱনি। নদীৰ পাৰৰ লেহুকা মাটিৰ দৰে তাই প্ৰেমীকজনৰ বুকুত খহি পৰিল। বাহিৰত বতাহৰ কোব আৰু বাঢ়িল। যমুনাৰ ঢৌত নাওঁখন দলিব ধৰিলে। দুয়ো নামি আহি ঘাটৰ দাতিৰ পৰিত্যক্ত খুপৰি এটিলৈ খোজ ললে। এই মুহূৰ্তত যমুনাৰ বালিয়ে এক উত্তপ্ত ৰূপ ধাৰণ কৰিলে।

খুপৰিত বিজুলিৰ পোহৰত দেখিবলৈ পালে প্ৰেমিকৰ মুৰত ৰূপালী চুলিৰ জিলিকনি। ভগ্ন প্ৰাচীৰৰ ওচৰত কিবা এটা বাগৰি অহা শব্দ শুনা গ'ল। দেখিলে সেয়া দেউতাক ৰায়চৌধুৰীয়ে লৈ অহা লেমটো। কিন্তু দেউতাক ! দেউতাকক তাই নেদেখিলে। যমুনাত বান আহিছে। এই বান বৰ ভয়াবহ। পানীৰ একেবাৰে ওচৰ পোৱালৈকে সৌদামিনীৰ এটাই প্ৰশ্ন কিয় এনেপৰিস্থিতি হ'ল ? তাৰ উত্তৰ বিচৰাৰ সময় তাই নাপালে। পিছ দিনা শান্ত যমুনাৰ বালিত সৌদামিনীৰ চাদৰৰ আচল এটা মাথো পোত গৈ থকা অৱস্থাত পোৱা গ'ল। ৰাধেশ্যামীহঁতে চাদৰৰ আচলৰ বিস্ময় সাম কটাৰ লগে লগে হয়তো পঢ়ি পঢ়ি চাব সৌদামিনীৰ কেলেংকাৰী জীৱনৰ কাহিনী।

'নীলকণ্ঠী ব্ৰজ' উপন্যাসখনত অনুজ্জ্বল ভাবে হলেও আৰু দুটা উপকাহিনী পোৱা যায়। বিহাৰী মোহন কুঞ্জৰ মন্দিৰৰ পূজা আলমগড়ৰ পূজাৰীয়ে চলাইছিল। সেয়ে তেওঁক সকলোৱে 'আলমগড়ী' বুলি মাতিছিল। মন্দিৰ চলোৱাৰ পূৰ্ণ স্বাধীনতা পাই আলমগড়ীয়ে তাৰ সদ্ব্যৱহাৰ কৰিছিল। আলমগড়ীক লৈ ব্ৰজৰ ডেকাল'ৰাজাকৰ গুজব চলে। তেওঁলোকৰ মতে আলমগড়ীয়ে মূৰ্তিৰ সোণৰ অলঙ্কাৰতো হাত দিছিল। শশীপ্ৰভা নামৰ কমবয়সীয়া বিধবা এগৰাকীয়ে আলমগড়ীক মন্দিৰৰ কামত সহায় কৰিছিল। পিছলৈ শশীপ্ৰভা আলমগড়ীৰ লগত একেটা কোঠাতে থাকিবলৈ ললে। এই কথা লৈ আলমগড়ীয়ে ভয় কৰা নাই কিয়নো কেইবাটিও পূজাৰীয়ে এনেকৈ বিধবা তিৰোতা ৰাখিছে। মৰাৰ পিছত সিহঁতৰ 'উদকক্ৰিয়া' পূজাৰীহঁতে কৰে। আলমগাড়ীয়ে একপ্ৰকাৰ নিশ্চিন্ত হৈয়ে দিন কটাইছিল কিন্তু এই সুখৰ দিন বেছিদিন নিটিকিল। এদিন ৰাতি হঠাৎ আনএটি পৰিয়াল আহি আলমগড়ীৰ ওচৰত উপস্থিত হ'ল। 'বিহাৰীকুজ'ৰ বৰ্তমানৰ অধিকাৰী বৃদ্ধ কৃষ্ণদাস ঠাকুৰ, তেওঁৰ মানসিক ৰোগাগ্ৰস্থ পত্নী আৰু তেওঁলোকৰ দুকুৰি বছৰীয়া অবিবাহিতা জীয়েক মৃণালিনী। ঠাকুৰ চাহাব দহ বছৰ ধৰি বিচনাত পৰি আছে। সেয়ে 'বিহাৰী কুজ' ৰ সকলো বয়বস্ত লৈ ইয়ালৈ আহিছে। তেওঁলোকৰ অইন কোনো উপায় নাই। দাৰিদ্ৰতাই তেওঁলোকক হেছি ধৰিছে। 'বিহাৰী কুজ' মন্দিৰ বেছি দিয়াৰ পাছত 'ষ্ট্ৰাষ্ট'ৰ টকা আৰু সুদৰ টকাৰে চলাৰ বাহিৰে তেওঁলোকৰ আৰু অইন উপায় নাই। কিছুদিনৰ পিছত এদিন 'বিহাৰীকুজ' বিক্ৰী হৈ গ'ল। পাণ্ডা আৰু দালালে কিছু অংশ টকা সৰকালে । যি অংশ ঠাকুৰ চাহাবৰ হাতত পৰিল তাৰ আকৌ এটি অংশ আলমগড়ীক দিবলগীয়া হ'ল। ঠাকুৰ চাহাব সপৰিয়ালে ৰাধেশ্যামী বুঢ়ীহঁতে বাস কৰা খুপুৰি এটিত থাকি জীৱন নিৰ্বাহ কৰিবলৈ ললে। খুপুৰিত নানা কষ্টৰ মাজেৰে পৰিয়ালৰ তিনিওটি মানুহহেই অতীষ্ট হৈ পৰিল। তথাপি উপায় নাই। ঠাকুৰ চাহাবৰ পত্নীৰ মানসিক অৱস্থা অতি বেয়া। তেওঁ শেষত পাগলী হৈ পৰিল। আনপিনে মন্দিৰ বিক্ৰীৰ পিছত আলমগড়ীয়ো হাইজা হৈ মৰিল। 'কেসী ঘাটত আলমগড়ীৰ 'উদ্ধদেহিক' কাম সমাধা কৰা হ'ল। আলমগড়ীৰ সান্নিধ্যত কাল কটোৱা কোমল বয়সীয়া বিধবা শশীৰ গতি নোহোৱা হ'ল। ৰাধেশ্যামীৰ খুপুৰিবোৰতো তাইৰ বাবে স্থান হেৰাল। বৃদ্ধ তথা অন্ধ ঠাকুৰ চাহাবকো সকলোৱে অৱজ্ঞা কৰা হ'ল। সেয়ে সংসাৰখন তেওঁৰ বাবে বৰ যন্ত্ৰনাদায়ক হৈ পৰিছে। শ্ৰীৰঙ্গজীৰ ৰথযাত্ৰাৰ সময়ত সৰু ল'ৰা এটিৰ হাতত ধৰি অন্ধ ঠাকুৰ চাহাবে প্ৰচণ্ড শক্তিৰে মানুহৰ ভিৰ ঠেলি ঠেলি ৰঙ্গজীৰ সুবৃহৎ ৰথৰ চকাৰ তলত জপিয়াই পৰিল।

চৰিত্ৰৰ পূৰ্ণাঙ্গ ৰূপ পৰিস্ফুট কৰাতকৈ অসংযম্ন কেতবোৰ টুকুৰা টুকুৰি পৰিৱেশৰ সুপৰিকল্পিত উপস্থাপনেৰে চৰিত্ৰৰ ৰূপ দিয়া পৰিলক্ষিত হৈছে 'নীলকণ্ঠী ব্ৰজ' উপন্যাসত। ব্ৰজত বাস কৰা 'ৰাধেশ্যামী'হঁতৰ জীৱনৰ আলোকপাত চাক্ষুস দৃষ্টিৰে অংকিত হৈছে। বিধবা ৰাধেশ্যামীহঁতক ধৰ্ম আৰু সংস্থানৰ নামত চলোৱা অনৈতিক আচৰণ আৰু শোষন। এমুঠি আহাৰ বা এখন ৰুটিৰ বাবেও ৰাধেশ্যামীহঁতে হাঁহাকাৰ কৰি ফুৰিবলগীয়া হয়। পেট পুৰাই খোৱাটো তেওঁলোকৰ বাবে সপোনৰ কথা। তেওঁলোকৰ বাবে যি অৰ্থসাহায্য বাহিৰৰ পৰা আহে তাকো মন্দিৰ ৰক্ষাৰ নামত থকা বৰমুৰীয়া সকলেহে উপভোগ কৰে। ৰাধেশ্যামীহঁতে হৈ পৰিছে পুৰুষৰ কামনাৰ বস্তু। ব্ৰজত আগৰ সেই পৱিত্ৰ বাতাবৰন নাই। বৰ্তমানৰ ব্ৰজত চলিছে ধৰ্মৰ নামত স্ত্ৰীৰ সংশ্ৰৱৰ এক বিভৎস কাণ্ড। সেয়ে উপন্যাসিকাই স্ত্ৰীৰ নায্য প্ৰাপ্তিৰ বাবে তীব্ৰ প্ৰতিবাদ কৰিছে - " ঋকে উদাত্ত কণ্ঠে কৈ গৈছেঃ সন্তানৰ আশাত পৰপুৰুষ গমন অনাৰ্য যদিও পাপ নহয়। পাপ হৈছে মাথো অসত্য। ব্যাসমহৰ্ষি, পৰামৰ্শৰ আৰু অদ্বৈতবাদৰ প্ৰবৰ্ত্তক শংকৰাচাৰ্যৰ সেই বিচিত্ৰ কাহিনী" আকৌ এঠাইত উল্লেখ কৰিছে যে মনু, পৰশেৰ, যাজ্ঞবল্ক্য ধৰ্ম শাস্ত্ৰকাৰ বৃহস্পতিয়ে পৰম সহানুভুতিৰে নাৰীৰ যাতনা লক্ষ্য কৰি বান্ধি দিয়া নীতিসমূহৰ এহেজাৰ বছৰৰ আগেয়েই ঘূলিৰে ধূসৰিত হৈ পৰিছে। সত্য কিন্তু একেই থাকিল। মাথো ঋক, মনু, পৰাশৰে সেই সত্যক আজি প্ৰভাৱান্বিত কৰিব নোৱাৰে।

নাৰী চৰিত্ৰ সমূহৰ ভিতৰত সৌদামিনী, শশী, অনুপমা আৰু মৃনালিনীয়ে প্ৰধান। এই চৰিত্ৰ কেইটিৰ কথোপকথন বা ভাবৰ দ্বাৰা নাৰী মনৰ নিভৃত কোণত অৱস্থিত ভাবৰাশিয়ো উপন্যসখমত প্ৰকট হৈ উঠিছে। অকাল বিধবা শশী উপায় নেপাই আলমগড়ীৰ লগত জীৱন যাপন কৰিবলৈ লৈছিল। মৃনালিনীয়ে শশীক মাৰ্জিত চৰিত্ৰৰ ছোৱালী বুলি উপলদ্ধি কৰিয়ে হয়তো শশীক সুধিছিল তাই আলমগড়ীৰ লগত তেনে অসামাজিক জীৱন যাপন কিয় কৰিবলৈ ললে। কিন্তু শশী নিৰুপায়। পৃথিৱীত যাৰ কোনো নাই, অনাগত ভবিষ্যতৰ ভয়ত সেইবোৰ পেপুৱা লাগি থাকে। এইবোৰ সকলোৱে বুজি নাপায়। কেবল ভুক্তভোগীয়েহে জানে। মৃনালিনীয়ে শশীক যেতিয়া শুধিলে আলমগড়ীয়ে তেওঁৰ কিবা অনিষ্ট কৰিছে নেকি - তাৰ প্ৰত্যুত্তৰত শশীয়ে সাহসেৰে কৈছিল, - 'আপুনি কি কব বিচাৰিছে মই বুজিছো। শুনক এদিন মই তেওঁৰ আদেশমতে তেওঁৰ সন্মুখত কাপোৰ খুলছিলো। চাকিৰ পোহৰত তেওঁ মোক খুটি খুটি চাইছিল। – তাৰ পিছত চাকি নুমাই তেওঁ নিজৰ বিছনাত শুই পৰিছিল।" মৃনালিনীয়ে মনৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে - " তেতিয়াহলে আলমগড়ীয়ে তোমাৰ একো অনিষ্ট নকৰিলে ? নোৱাৰিলে ?

আলমগড়ীৰ লগত বাস কৰাৰ আগৰ পৰাই শশীৰ এটি দৃঢ় ধাৰণা আছিল - আলমগড়ীয়ে তাইৰ একো অনিষ্ট কৰিব নোৱাৰে। সেয়ে আলমগড়ীৰ লগত তাই নিশ্চিন্ত মনেই আছিল। নিৰাপত্তাৰ অভাৱ হোৱা নছিল। মানুহৰ পৰা তাই ঠাট্টা তাচ্ছিল্য পাইছিল, কিন্তু সেইবোৰে তাইক একো ক্ৰিয়া কৰিব নোৱাৰে। বদনামলৈয়ো ভয় নাই; তথাপি উপন্যাসিকাই ব্যক্ত কৰিছে - " মানুহৰ তাচ্ছিল্যই তাইৰ কোনো গ্লানিবোধৰ জন্ম দিব নোৱাৰিছিল; কিন্তু তিৰোতাৰ বদনাম বদনামেই! ই এখন শিলালিপি, মাটিৰ তলত পোত গৈ থাকিলেও মানুহে যেন কুৰুকি কুৰুকি খান্দি উলিয়াই পঢ়িবলৈ যত্ন কৰে।"

সৌদামিনী অন্তৰৰ ক্রিয়া- প্রতিক্রিয়াত নাৰীজীৱনক লৈ যুক্তি আৰু তৰ্কৰ অবতাৰণা হৈছে। সৌদামিনীয়ে কাৰোবাৰ দয়াৰ পাত্ৰ হৈ জীয়াই থাকিব নিবিচাৰে। আনপিনে সৌদামিনী ময়ীয়সী নাৰীয়ো নহয় যে তাই ভৰযৌৱনৰ পৰা বৃদ্ধা হোৱালৈকে বৃন্দাবনৰ ৰাধেশ্যামী কুষ্ঠ ৰোগী বোৰক চোৱাচিতা কৰি কটাব। সেয়ে ধাত্ৰীৰ কাম কৰিবলৈ দিয়া দেউতাকৰ সিদ্ধান্তৰ অৱশেষত বিৰোধিতা কৰিছে - “ মোৰ গোটেই জীৱনটো মই আনৰ দয়াপৰৱশ হৈ কটাব নোৱাৰো মই ময়ীয়সী নহওঁ যে তোমালোকৰ দৰে জনকল্যানমূলক কাম কৰি মই মোৰ গোটেই জীৱন অতিবাহিত কৰিব পাৰিম। মই স্বাধীন। মই কাকো ভয় নকৰোঁ ....

পুৰুষ চৰিত্ৰ সমূহৰ ভিতৰত চিকিৎসক ৰায়চৌধুৰী, বৃন্দাবনৰ পাণ্ডা চৰণ বিহাৰী, আলমগড়ী, ঠাকুৰ চাহাব আদিয়ে প্ৰধান। প্ৰতিটো চৰিত্ৰই জীৱনৰ কোনো এটা সময়ত কৰা কৰ্মৰ বাবে অনুতপ্ত হৈছে। চৰণ বিহাৰীয়ে সৌদামিনীক কাষৰত পাই অনুভৱ কৰিছে গোপনে “ জীয়েকৰ কোমল মুখখন এই মুহূৰ্ত্তত বাৰে বাৰে মনত পৰিল। এৰা তাই চামেলিৰ মালা পিন্ধি মন্দিৰে মন্দিৰে ঘুৰি ফুৰে।” অথচ এইজন চৰণ বিহাৰীয়ে এসময়ত অন্তঃসাৰশূন্য, চৰিত্ৰহীনা অনেক তিৰোতাৰ লগত উত্তেজনাময় অনেক সময় তেওঁ অতিক্ৰম কৰিছে, মদাহীৰ মদৰ নিচাৰ দৰে ; কিন্তু বৰ্ত্তমানত চৰণ বিহাৰীয়ে যৌৱনৰ ৰাগীত উটি ভাহি নুফুৰে। তেওঁ এতিয়া দেখিবলৈ পায় - এক আধ্যাত্মিক পোহৰ - যি পোহৰ যমুনাৰ পানীৰ পৰা উঠে। তাক কেবল চৰণ বিহাৰীয়েহে দেখা পায়।

ঠাকুৰ চাহাব এসময়ত যথেষ্ট প্ৰতিপত্তিশীল আছিল, জীৱন, যৌৱন, প্ৰতিপত্তি তেনেই ক্ষন্তেকীয়া বস্তু। যৌৱনৰ উন্মাদনা দমন কৰিবলৈ ঠাকুৰ চাহাব মদৰ ৰাগীত মতলীয়া হৈছিল। পতিতালয় গমন কৰিছিল। ঠাকুৰ চাহাবৰ এই অত্যাচাৰ দৈবই সহ্য নকৰিলে। তেওঁৰ সেই পাপৰ পৰাচিত হ'ল। তেওঁ অন্ধ হৈ পৰিল। শৰীৰক ব্যাধিয়ে গ্ৰাস কৰিলে। সেয়ে বিচনাত বহিঁ বহি সাঁচতীয়া ধন খৰচ কৰি দিন অতিবাহিত কৰিবলৈ ধৰিলে। অৱশেষত অভাৱৰ তাৰণাত ‘বিহাৰী কুঞ্জ’ মন্দিৰটি বিক্ৰী কৰি দিলে। পাণ্ডা আৰু ‘দালাল’ৰ হাতৰ পৰা যি অংশ ঠাকুৰ চাহাবৰ হাতত পৰিল তাৰ আকৌ এটি অংশ আলমগড়ীক দিবলগীয়া হ'ল। ঠাকুৰ চাহাব নিষ্ঠুৰ হব নোৱাৰিলে। তেওঁ ‘বিহাৰীকুঞ্জ’ মন্দিৰৰ ‘ৰাধা - দামোদৰ’ক পিন্ধাই থোৱা সোনৰ অলঙ্কাৰ, সোনৰ বাঁহী ইত্যাদি খুলি আনিব নোৱাৰিলে। বিবেকে তেওঁক বাৰে বাৰে দংশন কৰিছে। তেওঁ বুকুত শিল বান্ধি ‘ৰাধা দামোদৰ’ৰ আলঙ্কাৰ খুলিব নোৱাৰে। এই অলঙ্কাৰ ৰাধা দামোদৰক ঠাকুৰ চাহাবৰ আজোককাকে পিন্ধাই ছিল। মৃত্যুৰ সময়ত আজোককাকে কোৱা কথাষাৰ মনত পৰিল ঃ “ভিক্ষা কৰি খাবলগীয়া অৱস্থা হ'লেও মন্দিৰটিত কোনেও হাত নিদিবি আৰু এই ট্ৰাষ্টৰ পইছাৰ প্ৰতি কোনোও লোভ নেৰাখিবি। অমঙ্গল হ'ব।

মন্দিৰ বিক্ৰীৰ পিচত যিটো কুথাৰীত ঠাকুৰ চাহাৰ মানসিক ৰোগাগ্ৰস্ত পত্নী আৰু জীয়েকৰ সৈতে থাকিবলৈ ললে, সেইটোত পূৰ্বতে আজোককাকৰ দিনত টাঙ্গাৰ ঘোঁৰাৰ বাবে দানা ৰখা হৈছিল। পৰিয়ালটিৰ বৰ্তমানৰ পুতৌলগা অৱস্থা বৰ্ণনাত প্ৰকাৰন্তৰে ঠাকুৰ চাহাবৰ যৌৱন বয়সত কৰা অনৈতিক কাৰ্যকলাপৰ পৰিনতি বুলিহে প্ৰতীয়মান হৈছে।

ড° ৰায়চৌধুৰীৰ ভূমিকা উপন্যাসখনত

বিশেষ নাই বুলি কব পাৰিলেও শেষত অনুভৱ কৰিব পাৰি তেওঁ যেন উপন্যাসখনৰ চালিকা শক্তি। কৰ্ত্তব্যৰ প্ৰতি থকা নিষ্ঠাই তেওঁক সংসাৰৰ বহু চিন্তাৰ পৰা আঁতৰাই ৰাখিলে। ডঃ ৰায়চৌধুৰীয়ে জীৱনত একো ভুল বা অনৈতিক কাৰ্য নকৰাকৈ শেষ বয়সত দৈব্যৰ হাতত পৰিব লগা হ'ল। একমাত্ৰ ছোৱালীৰ কোমল বয়সতে বৈধব্য যন্ত্ৰানাত ভোগা অৱস্থাৰ প্ৰতি কৰিবলগীয়া বিশেষ কিবা কৰিবলগীয়া আছে বুলিয়ো নাভাবিলে। কিন্তু বৃন্দাবনত শেষ বয়সত তেওঁ অনুভৱ কৰিছে জীয়েকৰ চকুত সাগৰ সদৃশ যন্ত্ৰনাৰ চকুপানী। সেই যন্ত্ৰনাৰ গভীৰতা জুকিবলৈ তেওঁ কিছু পৰিমানে চেষ্টা কৰিছে, সৌদামিনীৰ কোঠাত সোমাই কৈছে - "তোমাৰ কোঠাটো একেবাৰে জৰাজীৰ্ণ। ইমান দিনে তোমাৰ সা-সুবিধাৰ প্ৰতি লক্ষ্য কৰিবলৈ মই সুবিধাই পোৱা নাছিলো। এস্ সৌবোৰ একোটা একোটা সুৰঙ্গৰ দৰে বিন্ধা লক্ষ্য কৰিছানে? স্বল্পভাষী ডাক্তৰ ৰায়চৌধুৰী যেন মুখৰ হৈ পৰিছে। জীয়েক সৌদামিনীয়ে দেউতাকৰ এই পৰিৱৰ্তনত বিস্ময়ৰ সীমা নোহোৱা হৈছে। ডাক্তৰ ৰায়চৌধুৰীয়ে নিজৰ কৰ্মব্যস্ততাৰ বাবে সময়ৰ কথা ইমান দিনে পাহৰি আছিল; কিন্তু মানুহবোৰ যেতিয়া এটি এটিকৈ ব্ৰজধাম এৰি চিৰদিনৰ বাবে আঁতৰি যাব ধৰিলে, তেতিয়া তেওঁ অনুভৱ কৰিলে তেওঁৰো সময় আহিছে। সৌদামিনীয়ে ভাবিলে - "এয়ে তাইৰ সেই পিতাক। ধৈৰ্য যাৰ মিত্ৰ, বুদ্ধি যাৰ পথ প্ৰদৰ্শক আৰু আত্মবল যাৰ চিৰ সহায়ক --- এনে এক পৰিচ্ছন্ন পথত অহৰহ বিচৰণ কৰা এয়ে তাইৰ পিতাক।"

ডাক্তৰ ৰায়চৌধুৰীয়ে অনুভৱ কৰিলে বৃদ্ধ অৱস্থাত জীয়েকৰ কিবা এটি সঙ্গাতি লগাই যাব নোৱাৰিলে তেওঁৰ আত্মাই শান্তি নাপাব। সেয়ে তেওঁ চিঠি লিখিলে জীয়েকৰ খৃষ্টান বন্ধুজনলৈ। এই মূহুৰ্ত্তত তেওঁ ইয়ালৈ অহা অত্যন্ত প্ৰয়োজন। সময়ত জীয়েকৰ খৃষ্টান বন্ধুজন আহিল। উদং ভৰিৰে হাতত হেৰিকেন লৈ ডাক্তৰ ৰায়চৌধুৰীয়ে নিজেই আগবঢ়াই লৈ গ'ল জীয়েকক সেই যুৱকজনৰ সৈতে মিলন ঘটাই দিবলৈ। দেউতাকৰ এনে কৰ্ত্তব্যপৰায়ণতাত সৌদামিনীয়ে উপলব্ধি কৰিলে - দেউতাকে তেওঁক ঠিকেই বুজি পাইছে।

ডাক্তৰ ৰায়চৌধুৰীয়ে যমুনাৰ পাৰত নাওঁখনত থকা যুৱক জনলৈ দেখুৱাই জীয়েকক কলে - " যোৱা, মই এইখিনিত ঠিয় হৈ চাই আছোঁ। সৌখন নাও দেখিছা নহয়, আগবঢ়া।" এয়া তেওঁৰ জীৱনৰ শেষ কৰ্ত্তব্য।

———————— ঃঃ ————————



শ্ৰদ্ধাঞ্জলী

# লক্ষ্যধৰ চৌধুৰীদেৱ ঃ বৰ্ণাঢ্য জীৱনৰ সামৰণি

কীৰ্তি নাথ ৰাভা
উঃ মাঃ ১ম বৰ্ষ ( ক'লা)

অসমৰ ল'ৰাৰ পৰা বুঢ়ালৈ সকলোৰে চিনাকী অসমৰ সাহিত্য সভাৰ গোৰেশ্বৰ অধিবেশনৰ সভাপতি সূ-সাহিত্যিক, নাট্যকাৰ, অভিনেতা, ৰাজনীতিবিদ, একালৰ শিক্ষা মন্ত্ৰী আছিল লক্ষ্যধৰ চৌধুৰীদেৱ। কিন্তু এই মহান ব্যক্তি গৰাকী আমাৰ মাজৰ পৰা ১৮ আগষ্ট ২০০০ ইং তাৰিখে ৮৫ বয়সত চিৰ দিনৰ বাবে চকু মুদিলে।

লক্ষ্যধৰ চৌধুৰীদেৱৰ জন্ম হৈছিল ১৯১৫ চনৰ অসমীয়া কাতি মাহৰ ২০ তাৰিখে দীপান্বিতাৰ দিনা উত্তৰ গুৱাহাটীৰ ৰং মহলত। চৌধুৰীদেৱৰ প্ৰাথমিক শিক্ষা ৰং মহলতে আৰম্ভ হয় আৰু ১৯২৫ চনত গুৱাহাটী কটন কলেজিয়েট স্কুলত চৌধুৰী ভৰ্তি হয়। ১৯৩৩ চনত প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় আৰু ১৯৩৭ চনত বি,এ,চি পাছ কৰে। যুৱক অৱস্থাতে চাকৰি জীৱনৰ সোৱাদ লোৱা চৌধুৰীয়ে ১৯৩৯ চনত উত্তৰ গুৱাহাটীৰ আউনী আটি কমলদেৱ হাইস্কুলৰ শিক্ষক হিচাপে কৰ্মভাৱ গ্ৰহন কৰে। মহামানৱ মহাত্মা গান্ধীৰ নেতৃত্বত দেশজুৰি হোৱা ১৯৪২ চনৰ গণ আন্দোললনে অতিকৈ উদ্বুদ্ধ কৰিলে আৰু ১১ আগষ্ট তাৰিখে শিক্ষকতাৰ পদ এৰি দেশ মাতৃৰ আহ্বানত জঁপিয়াই পৰে। এই মুক্ত সংগ্ৰামত নামি চাৰি বছৰৰো অধিক কাল তেওঁ পলাতক অৱস্থাত থাকে। ভলণ্টিয়াৰ, গোপনবাৰ্তা বাহক আদি বিধে বিধে বিভিন্ন কৰ্মৰাজিৰে দেশলৈ লোকনায়ক জয়প্ৰকাশ নাৰায়ণ, অৰুণা আশ্ৰফ আলী, অচ্যুত পটবৰ্ধন, ৰামমনোহৰ লোহিয়া আদিৰ সংস্পৰ্শলৈ আহে আৰু ক্ৰমে সমাজবাদৰ প্ৰতি আকৃষ্ট হৈ পৰে। ১৯৫২ চনৰ প্ৰজাতান্ত্ৰিক ভাৰতবৰ্ষৰ প্ৰথম সাধাৰণ নিৰ্বাচনত ছচিয়েলিষ্ট প্ৰাৰ্থী ৰূপে লোক সভাৰ আসনলৈ প্ৰতিদ্বন্দিতা কৰি কংগ্ৰেছ প্ৰাৰ্থী ৰোহিনী কুমাৰ চৌধুৰীৰ লগত পৰাজিত হয়। পুনৰ ১৯৫৭ চনৰ নিৰ্বাচনতো কমলপুৰ বিধানসভাৰ প্ৰাৰ্থীৰূপে প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হয়। ১৯৬২ চনৰ নিৰ্বাচনত বহুতৰ অনুৰোধত উপেক্ষা কৰি চৌধুৰী প্ৰতিদ্বন্দ্বিতাৰ পৰা বিৰত থাকে যদিও ১৯৬৪-৬৫ চনৰ গুৱাহাটী পৌৰসভাৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি তেওঁ সৰ্বপ্ৰথম অনা - কংগ্ৰেছী সভাপতি পদ দখলকাৰী হিচাপে ইতিহাস ৰচে। কমলপুৰ বিধান সভা সমষ্টিৰ পৰা পুনৰ বাৰ ১৯৬৭ চনত প্ৰতিদ্বন্দ্বিতা কৰি তেওঁ পোন প্ৰথমবাৰৰ বাবে অসম বিধান সভাৰ সদস্য নিৰ্বাচিত হয়। ইয়াৰ উপৰিও চৌধুৰীদেৱ ১৯৭৫ চনত গুৱাহাটীৰ পৌৰ নিগমৰ মেয়ৰ, ১৯৭৭ চনত জালুকবাৰী সমষ্টিৰ পৰা অসম বিধান সভাৰ সদস্য ৰূপে নিৰ্বাচিত হৈ অসমৰ শিক্ষা আৰু সাংস্কৃতিক দপ্তৰৰ মন্ত্ৰীৰ দায়িত্ব গ্ৰহণ, ১৯৭৯ চনত অসম সাহিত্য সভাৰ গুৱালকুছি

অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি, ১৯৮৫ চনত অসম সাহিত্য সভাৰ বিহপুৰীয়া অধিবেশনৰ সাংস্কৃতিক সভাপতি হয়। ১৯৮৮ চনত অসম নাট্য সন্মিলনৰ নলবাৰী অধিবেশনত দুবছৰীয়া কাৰ্য্যকালৰ বাবে সবাপতি আৰু ১৯৪২ চনত অসম সাহিত্য সভাৰ গোৰেশ্বৰ অধিবেশনৰ সভাপতি হয়। চৌধুৰীদেৱ এজন ভাল অভিনেতাও আছিল। 'বদন বৰফুকন' কথাছৱিৰ চিত্ৰনাট্য ৰচনা কৰি বোলছৱি জগতত ভূমুকি মৰা চৌধুৰীদেৱে ১৯৫৫ চনত লিজে চিত্ৰনাট্য লিখি, পৰিচালনা কৰি, অভিনয় কৰি 'নিমিলা অংক' কথাছৱি সম্পন্ন কৰে।

নাট্য চিত্ৰনাট্য ৰচনাৰ উপৰি একাধিক মঞ্চ নাটৰ ভাৱৰীয়া, বোলছৱি, অনাঁতাৰ নাট, টি ভি চিৰিয়েল আদিতো চৌধুৰীয়ে অভিনেতা ৰূপে অভিনয় কৰিৰছিল।

চৌধুৰীদেৱৰ সাহিত্য সৃষ্টি এক বৰ্ণণীয়া বৰ্ণনা। কাৰণ তেওঁ স্কুলীয়া জীৱনৰ পৰাই লেখা মেলা কৰিছিল। 'মিলন' আৰু 'প্ৰভাত নামৰ শিশুসাহিত্য আলোচনীত পোন প্ৰথমবাৰৰ বাবে চৌধুৰীদেৱৰ লিখনি প্ৰকাশ হৈছিল। 'তেওঁৰ ছপা গ্ৰন্থৰাজিৰ ভিতৰত প্ৰথম নাট হ'ল " একলব্য"। এইখন নাটক ১৯৪২ চনত প্ৰকাশ পায়। ইয়াৰ উপৰিও 'আলিবাব, ৰক্ষকুমাৰ, নিমিলা অংক, ওমলাঘৰ, দাতাকৰ্ণ, এনিশাৰ অতিথি, পথাৰ, যৱনিকাৰ আঁৰে, বিষ্ণুৰ্শমাৰ বিচাৰ, ঠিকনা মানুহ বিচাৰি, মইনামতী ইত্যাদি। চৌধুৰীদেৱে মাত্ৰ এখনহে উপন্যাস লিখিছিল। সেইখন হ'ল ১৯৮৮ চনত প্ৰকাশিত 'অনুভৱ'।

(সহায়লৈ)

——— xx ———





কৰ্মব্যস্ত অৱস্থাত মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ

## সম্পাদনা সমিতি



*বাওঁফালৰ পৰা ক্ৰমে ঃ* বনজিৎ নাথ (সম্পাদক), ডঃ ৰজত চন্দ্ৰ ৰাভা (তত্বাবধায়ক), জীৱেশ্বৰ কোচ (সদস্য), ভাৰপ্ৰাপ্ত অধ্যক্ষ ক্ষীৰোদ খাখলাৰী (সভাপতি), অশোক ৰঞ্জন ভট্টাচাৰ্য (সদস্য) আৰু দিপালী ডেকা (সদস্যা)।



গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ ২০০০-২০01 চনত অংশ গ্ৰহণ কৰা আমাৰ মহাবিদ্যালয়ৰ দলটো তত্বাবধায়কদ্বয় ড° ৰজত চন্দ্ৰ ৰাভা আৰু শ্ৰীহৰগোবিন্দ ডেকাৰ সৈতে ছবিত দেখা গৈছে। দলটোৱে পৰম্পৰাগত লোকনৃত্য প্ৰতিযোগিতাত সোণৰ পদক অৰ্জন কৰাৰ উপৰিও দলীয় নৃত্যত সৰ্বশ্ৰেষ্ঠ দল (Best dance group) অৰ্জন কৰি মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে।



মহাবিদ্যালয়লৈ যোৱা মূল পথৰ একাংশ।



প্ৰবাক্তসকলৰ আনন্দ বিনোদন কেন্দ্ৰ



অসম বিজ্ঞান সমিতি দুধনৈ
মহাবিদ্যালয় কাৰ্যালয় ভৱন।



মহাবিদ্যালয় ছাত্ৰ একতা
সভাৰ কাৰ্যালয় ভৱন।



মহাবিদ্যালয় বড়ো সাহিত্য
চ'ৰা ভৱন।



মহাবিদ্যালয় ৰাভা সাহিত্য চ'ৰা ভৱন।



মহাবিদ্যালয়লৈ যোৱা পদপথৰ ওপৰত কাঠৰ দলংখন।



গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ ১৯৯৯-২০০০ চনত যোগদান কৰা দলটো তত্বাবধায়ক ড° ৰজত চন্দ্ৰ ৰাভাৰ সৈতে। পৰম্পৰাগত লোক নৃত্য আৰু সাংস্কৃতিক শোভাযাত্ৰা প্ৰতিযোগিতা দুয়োটাতে ৰূপৰ পদক লাভ কৰিছিল।

# কবিতা

# প্ৰেম আৰু শান্তি

সুবৰ্ণ ৰায়
স্নাতক প্ৰথম বৰ্ষ (ক'লা)

সেউজ শস্যভূমিৰ
মানুহৰ প্ৰাণে প্ৰাণে
স্পন্দিত
প্ৰেম আৰু শান্তিৰ
অপৰূপ ছন্দ,
মাজে মাজে
ৰাতিৰ বিষন্নতাই ঢাকি ধৰে
জীৱনৰ বৈভৱ
যৌৱনৰ স্বপ্ন।
সন্ত্ৰাসবাদৰ কুৎসিত দুহাতত
অপৰাধ আৰু গ্লানিৰে
সময় হয় উলংগ।
সমস্ত জীৱনৰ প্ৰজ্ঞাৰে
যৌৱনৰ প্ৰেমৰ অৰ্থেৰে
বাৰে বাৰে মানুহে ৰচিছে
মানৱতাৰ মহান ইতিহাস।
এই ইতিহাস –
যুগে যুগে সন্ত্ৰাসবাদৰ
অৱসান ঘটাই
সাজিব জনজীৱনৰ
শান্তিৰ পৰ্জা।



# তুষাৰাবৃত সাগৰৰ সপোন

পদুম কলিতা
স্নাতক তৃতীয় বৰ্ষ (ক'লা)

তুষাৰবৃত সাগৰৰ বুকুত
আশা গজাৰ সপোন।
ছয়টা ছীলে
ক্ষান্ত নহয় এপলকো
যৌৱন বিড়ম্বনা মাথো।
সপোন - দিঠকে অহা চাইক্লনে
আশাৰ তুংগ ডুবাকৈ
তোলে যে জোৱাৰ,
থানবান কৰি
স্তপীকৃত তুষাৰ,
শংকা এতিয়া
এবুকু নীলাৰ শুভ্ৰতা
গলি - জ্বলি যোৱাৰ।
হে আকাশ –
কৰি দিয়া অবৰুদ্ধ
সুৰুজৰ বাট,
আহক অমানিশা নামি
তুষাৰাবৃত সাগৰৰ বুকুত।

# এই দেশ আমাৰ দেশ

*পদুমী নাথ*
উঃ মাঃ ২য় বৰ্ষ (ক'লা)

এইখনেই আমাৰ দেশ সৌন্দৰ্যময়ী
নাৰী বুলি নাই কোনো আবুৰ
ঈশ্বৰ নামত চলিছে ব্যভিচাৰ
চলিছে টকাৰ প্ৰতিযোগিতা
যি খন দেশত
শিক্ষিত ডেকাই টকাৰ বাবে
কৰিছে হাঁহাকাৰ
সেইখন দেশতে পাতিছে
কৌটি কৌটি টকাৰ ক্ৰিকেট
মাথো পেটৰ দায়ত
এইখন দেশৰ নাৰীয়েইতো
বাস কৰিছে কোনোবা অখ্যাত গলিত
কিম্বা ৰাতিৰ হোটেলত
এটা চতুৰ্থ শ্ৰেণীৰ চাকৰিৰ আশাত
কোনোবা ৰাজনৈতিক নেতা বা
ধনীৰ দুলালৰ দুবাহুৰ মাজত
এয়াৰ কণ্ডিচনাৰ কোঠাত
এইখন দেশৰ নাৰীয়ে জানো
নিজকে বিলীন কৰি দিয়া নাই
কিন্তু –
ইয়াতেইতো পতা হৈছে
কৌটি কৌটি টকাৰ বেপাৰ
বিশ্বসুন্দৰী প্ৰতিযোগিতাৰ
কোনোবাই –
কোনোবাই জানো ৰাখিছে
সুস্মৃতা সেন আৰু অমৃৰ্তৎ সেনৰ পাৰ্থক্য
সাহিতত্যৰ দাম জানো আছে!
এইখনেইতো আমাৰ দেশ
য'ত নাৰীৰ বাবে গণিকালয় আৰু
আই মাতৃ কামাখ্যাৰ
ফুল চন্দনৰে অহৰাত্ৰো পূজা!



# প্ৰণয়ৰ পৰিণাম

*মিচ্ সীমা নাথ*
উঃ মাঃ দ্বিতীয় বৰ্ষ (ক'লা)

তুমিতো নাজানা বন্ধু
কিমান বেদনাৰে ভৰা
মোৰ এই আলসুৱা হিয়া
তোমাৰ কঠোৰ বাক্য
নোৱাৰে যে সহিব বন্ধু
কাঁচৰ দৰে ই তেনেই ঠুনুকা
শত শত বাৰ ধুমুহাই জুৰুলা কৰা
মোৰ এই ভগ্ন হিয়াই
নোৱাৰেযে সহিব আৰু বিষাদৰ বোজা
ভবাতো নাছিলো কদাপি
হৃদয় দিয়াৰ পৰিণাম
ইমান ভয়াবহ হয় বুলি
তথাপি কিয় জানো
হৃদয়ে বাধা নামানে
পাৰ ভাগি বয় দুচকুৰ নীৰ
এনে কি দোষ কৰিছো মই
যাৰ শাস্তি তুমি মোক এনেদৰে দিছা
হয়তোবা এটাই দোষ মোৰ
প্ৰাণভৰি ভালপাঁও তোমাক
স্নিগ্ধ জোনাকৰ দৰে ......।

# তুমি যে নাই

*প্ৰশান্ত কলিতা*
স্নাতক ২ য় বৰ্ষ (ক'লা)

আকাশখন ক'লা ডাৱৰে ঢাকিছে।
কিয় ?
জোনটি নাই নেকি ?
অ' ঠিকেই বুজিছো আজি অমানিশা।
কিন্তু তৰাবোৰ !
তৰাবোৰো (নিৰ্দিষ্ট সময়ত) মৰে নেকি ?
নাই নমৰে।
তেন্তে,
মেঘে ঢাকিছে মেকি ?
জোনাকী পৰুৱাও নাই,
সেয়ে হয়তো অন্ধকাৰ বাট
বৰষুণ পৰিছে;
সাগৰ ভৰিব কিজানি !
নাই নভৰে।
কিয় ?
খৰাংত বহুত পানী শুকাই গৈছে।
সৌৱা –
শুণাচোন প্ৰচণ্ডশব্দ আকাশত;
বৰফ ফাটিছে কিজানি।
এতিয়া টুকুৰা টুকুৰ বৰফ পৰিব নেকি ?
কিন্তু
ফুলবোৰ নিঃশেষ হৈ যাব দেখোন।
সৌৱা –
মেঘ ফাটি বিজুলী মাৰিছে;
পোহৰ বিলাব কিজানি।
কিন্তু কেনেকৈ ?
জোনটি যে নাই।



# অপেক্ষা

*বিপুল চন্দ্ৰ ৰাভা*
স্নাতক দ্বিতীয় বৰ্ষ (ক'লা)

মই আজিও আছো আন্ধাৰৰ সতে যুঁজি যুঁজি
গছৰ তলত নদীৰ পাৰত
অন্ধকাৰ ফালি ওলাই আহা
সূৰ্যোদয়ৰ অপেক্ষাত তোমাক বিচাৰি .........,
অতীতৰ স্মৃতি বুকুত বান্ধি
হৃদয়ৰ মৰ্ম বেদনা সহি
এই উজাগৰি নিশা পাৰ কৰি
মই আজিও আছো তোমাৰ অপেক্ষাত
হয়তো আজি তুমি নাহিব পাৰা
আকাশ মেঘাছন্ন
কালিলৈও হয়তো নাহিব পাৰা
কিন্তু, কিমান দিন ঢাকি ৰাখিম
এদিন হ'লেও তুমি নিশ্চয় আহিবা
আন্ধাৰ বাসীৰ বাবে
মই আজিও সেই শুভদিনৰ অপেক্ষাত।

# হিয়াৰ বেদনা

কমল বড়ো
স্নাতক দ্বিতীয় বৰ্ষ (ক'লা)

মৰুভূমি হৈ ৰ'ল বুকুৰ ফুলনিৰ.দলিচা
নোহোৱা হ'ল জোনাকৰ পোহৰ,
চৌদিশে আজি মাথো এন্ধাৰৰ বিচৰণ
অৰুণোদয়ৰ পোহৰো নিৰৰ্থক।
মৰমৰ অৱস্থান আৰু নাই হিয়াত
ভৰি ৰ'ল নিৰাশাৰ সুৰ,
হিয়া আজি অক্ষম নহয় পোহৰৰ প্ৰকাশ
অস্পষ্ট আজি অংশুমান
সোনালী সপোনবোৰ হ'ল ৰুক্ষ পাথৰ
হিয়া শুকাল সৰাপাত।
জুলিকা, ভাঙি দিলা হিয়া মোৰ।
বৰষা হৈ নামে ধৰালৈ বেদনা
অশ্ৰু হৈ নিৰবধি বয়।
তোমাৰ স্মৃতিয়েই আজি জীৱনৰ সংগিণী,
মৰিচীকা খেদি ফুৰা জীৱনৰ।।





# প্ৰহৰী

পুলমা নাথ
স্নাতক ১ম বৰ্ষ

(স্বৰ্গীয় বিনেশ্বৰ ব্ৰহ্মাৰ সোঁৱৰণত)

অনুৰণন জাগে মোৰ
হৃদয়ৰ তপত মৰুত
উমি উমি জ্বলি
গলি যোৱা মমৰ দৰে
স্বচ্ছ হৃদয়ৰ মানুহৰ
জীৱন সমাপ্তি দেখি।
চিঞৰি চিঞৰি বিতত হওঁ
"আমাক তোৰণ লাগে"
সেই
কেঁচা তেজৰ কুহেলিকা,
অন্দোলিত হোৱা কলীয়া ডাৱৰ,
আৰু সেই গভীৰ পৰিবেশ।
সিহঁতে খেলা কৰে
জীৱনক লৈ
ৰেভিনিউ টিকট মাৰে
নিজৰ জীৱনত
অনিশ্বয়তাৰ শীতল গহবৰ
পায়নে সিহঁতে চিনি?
ভাষাৰ কৃত্ৰিমতাৰে
নিজক পৰিচয় কৰাতো
সিহঁতৰ প্ৰকৃষ্ট পন্থা।
পিছে সিঁহতে
নোভোগেনে নষ্টালজিয়াত।

# প্ৰদুষিত মাতৃ

*পাপৰি কলিতা*
স্নাতক ৩ য় বৰ্ষ (ক'লা)

হে আকাশী গংগা !
হে অলকা নন্দা !
চিৰ পৱিত্ৰময় হেনো,
তোমাৰ অমৃত ধাৰা।
হে মেঘনন্দিনী!
হে জঁটা বন্দিনী!
তুমিয়েই হেনো পাপ,
মচিব পাৰা।
সাজিব পাৰিলে মই ভাগীৰথী!
গৰজাই শংখধ্বনি!
ধৰালৈ নমালোহেঁতেন,
তোমাৰ স্নেহময়ী ধাৰা।
মোৰ আই অসমী!
জগতৰ সুন্দৰী!
নিৰ্যাতিত হৈছে আজি,
সাজিছে কলংকিনী।
স্খলিত শিৰ ভূষণ!
লুণ্ঠিত দেহাভৰণ!
মাতৃৰ চৌপাশে মাথো,
হতাশাৰ প্ৰদূৰ্ষণ।।



# বাংলা
# বিভাগ

# নাছিকায়

অৰুণ ৰাভা
স্নাতক ২ য় বৰ্ষ (কলা)

অ' আঙি নাছিকায়
না তে যানবায় তয়
ৰিবানোনা ঘুৰায়
নাঙ আঙ কাফায়না,
নাং জাৰে তয়
ছুন কিনাতংচানা
নাঙি নাছিকায়না,
যান-বায়নি লীগাপাকে
মিনি - খেৰে
জামুঙা জাহোনা
ৰিবিকায় জেঠ লাংগ্ৰেনা,
বেৰগগা ছাংবা কায়নি
নাছিকায় মানদং
লাগিনা তংচানা
আঙি খাপাকিনি নাছিকায়?





# নাঙো ছুনকিয়ে

অৱনী কুমাৰ ৰাভা
স্নাতক ২ য় বৰ্ষ (কলা শাখা)

ফাৰিনি ৰাংখপি
আফে, ৰাংগ্ৰে নায়দং,
ফুঙিনি ৰাংচাং
দগোতে ৰিবিদং,
নাঙৱান মুনি কিয়া।
জামুঙা জাংচা
নাঙি কাথাও
জিমাং চাঙে ৰিবিয়া।
বৈশাগ মাছিনি
চাকনাৰি মাজাৰি
কুলি ট' ক্ৰিংদং,
ৰাং কাৰাং ৰাংখপ
ফিলাপে নায়দং,
নাঙৱান মুনি কিয়া আঙি।
কানিনা উনেবা
নাঙা, জাংছাজো কানিনা
আয়চুঙে তানকায়
আঙি কাথা খাপাকিনি।

## 'আয়া'

জয়ন্ত ৰাভা
স্নাতক প্ৰথম বৰ্ষ (কলা)

যা হাদামিনা বা ৰেং
যা কামিনা বা ৰেং
বাৰচা ৰানো আং
নাঙি মুং আয়া,
আং আগুই ৰেংবায়
আং কামি খাৰবায়
বৗল ৰাখু আঙা
চায়া চাঙে আয়া।
বসুমুতায়তি ক্ৰাঙা
কায় চাঙে খেঙা
কায় চাঙে খেঙা
পিদান চাৰ্পাকি
ৰাখু আঙা আয়া,
অদং বুংবাংবায়
আং নুকচাবায়
ৰাম তুনুকে ফৗচা
এতক্ৰ ৰেং উনে আয়া।





## ছাগ্ৰি

ৰামচন্দ্ৰ ৰাভা
স্নাতক ২ য় বৰ্ষ (কলা)

খেনছ্ৰাং কায় মায়দামি
কায়নি কলিজায় কলিজায়
জাদুঙে তৰা
নেমতাকায় আৰো চিককায়নি
ৰূপ পাংকায় বাও।
মাজাৰি মাজাৰি
ফাৰিনি চিৰিক চাৰাক আন গিদাপে ৰাআ
মেনচাকায় ৰামিনি হান্দাৰকায়তি মায়ৰেঙা
চাৰপাকনি বাহাৰ
ট্ৰাওকায়নি জ্যমাং।
কায়নি লাটঠুৰা আৰো খুচতিয়া পেকে
সমায় চাঙা লাংতা।

প্ৰেৰেঙে চাৰপাকনি ফামানকায় পেকে
ট্ৰাওকায়নি নেমকায় ৰাছংপেকে
বাৰ মাছিয়ান কায়তাং তাকেতা
কায়নি চুংকায় বাৰং।

# কৌৰচিং বৌৰছিং

মনোজ কুমাৰ ৰাভা
স্নাতক প্ৰথম বৰ্ষ (কলা)

হগী ৰিবায়তা
চাংবা কায় –
নেন আক্কায়
মুহাং খায়,
তাছিতি ৰানাতা
আতোৰা ৰৌনাতা
আতোৰা ৰৌৰাঙা
ৰিবায়তা –
ৰিবায়তা –
কৌৰচিং বৌৰছিং
হৌ হৌমফ্লাং
পাকেতা বাৰ
একায় খৌচামি
হেমফ্লাং পাকাং
আৰেতা চাংবা
আলং চালাং
ঔকায় ৰামি।
মাৰাংগা মাঠাংগা
আতো চাংজো
গৌতি হান্দাৰি
বুংবাং ৰাং জো।

# ৰাম্পাৰ

শিৱকান্ত ৰাভা
স্নাতক ২ য় বৰ্ষ (বিজ্ঞান)

কান ছাকে বকে দৰায় ফেনে
কাম্বুং বায় ছাকে কানে
নুখাঙি আউল জাউল প্ৰঙে প্ৰঙে খৰোবিজান
একায় হাকাপনি পাৰা উকায় হাকাপনি
হাদুং হাদাবুৰ তপ্ৰঙেমেনে,
ৰাং চাং গান্দা গাভূৰকায় বিজানো হাদুবুৰ দুল দুল খাৰে
ইচিনি পাৰা উচিনা, উচিনি পাৰা ইচিনা
চাং নামে বিচিনি ৰাম্পাৰ?

# আয়া বায়খো

চন্দন কুমাৰ ৰাভা
স্নাতক ২ য় বৰ্ষ (কলা)

পিদান কাম্বুং ৰিফান কানে
নিজানি হা চিকা নেমকায় চঙিনা
দীমদাক নিজানি বাৰায় টাঙা
দীমদাক দুক সুকনি কাথাও ৰুবুঙে,
ৰোনা, খুছানা আৰো ববায়না
মননি প্ৰেৰেঙে নাছিকায়ো ৰায়
আয়াবে ছাকছাঙান চামেতা বায়খোদামি .....
ছাৱাবিজানি চাথাৰনি চায় নাথাম
আৰো বাৰায়টাঙি নেচমন নেমকায় কাথা নাথামা
তেবা নিচিনান নামেতা।
উনি খাপায়না ৰিবছায় নিজানি জাতিনি কাথাওবা জামুঙে ৰেঙেতা,
উনি বোমায়তি তংচায় ৰৌমে - ৰোটে চানাবা ক্ৰিকচায়তা
আৰো আনতাঙি চোলা পাজাৰসে চনবায়তা
পিদান কাম্বুং ৰিফান কানে
হা - চিকা নেমকায় চঙিনা
আয়াবে তেবা ছাকছাঙান প্ৰাৰেতা বায়খোদামি।

# গছা নুকবাৰ কায়নি ছাস্তাৰ

খৰ্গেশ্বৰ ৰাভা
স্নাতক ২ য় বৰ্ষ (কলা)

নাছিকায়নি নিৰলা, নাছিকায় ৰা । আশা খাৰা নাঙিবা .....

দংছা, দংছা 'নাঙি' উনৈ লিখিদংছে পাঙে (Personal) ছাঙো .... ও

ভাবিনা চুংজো। উনি ছাবান নাঙিবাঅ কাটায় লিলখিছো ............. নাৰিঙিবা নেমা।

ও ছ্যুপান মেনদেকজো। তেবে আতো লিখিকায় ছাঙা ? না গছাবাআন লিখিকায় ছাংছা । দংছা, লিখিনান লাগিনো। তে' ও লিখিনো উনেয়ান সাজু ছাঙে ৰাজো। নেক্কেন আনিং নুকছাপে আতোবা চিন্তা খাৰে ও আৰো লিখিনা ছংজো। - 'বাং বাং অফিচনা ৰেঙেতা ? নাং চিঙি নকিনা ৰেঙে চয়তা না ?'

অনচক লিখি ও আৰো ভাবিনা ছংজো - বাং বাং নি অফিচ, আমাংনি ছেং ছাকায় এংগান্দাকায় বিজান সাধাৰণ কাথা। .... ছাকায়বে নেমজোনা নেমকুছাআন ? ছাবানিবে নেমছাদংবে আতো লিখিনো ? ..... আৰো জিশ্বকনি লাইনৰে - মানে উ ওৰঙি নকিনা ৰেঙে তংকায়বা গছা ছাঙে তংকায় ঘটনা।

